
# পাতিদৰং মহাবিদ্যালয়

# আলোচনী

দ্বিবিংশ বছৰ ঃ একবিংশ সংখ্যা

ইং - ২০১০ - ২০১১ বৰ্ষ




তত্বাৱধায়িকা ঃ
ড° বনলতা কলিতা
সংগীতা বৈশ্য

সম্পাদক ঃ
মানৱ ডেকা



কৰ্মৰত অৱস্থাত মাননীয় অধ্যক্ষ
গিৰিধৰ শৰ্মা



পাতিদৰং মহাবিদ্যালয় আলোচনী (২০১০ - ১১)
সম্পাদনা সমিতি



প্ৰাচীৰ পত্ৰিকা উন্মোতনী অনুষ্ঠান



নৱাগত আদৰনি সভাত
মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা
পৰিবেশন কৰা বিহুৱাদল

# পাতিদৰং মহাবিদ্যালয় আলোচনী

দ্বাবিংশ বছৰ ঃঃ একবিংশ সংখ্যা

ইং ২০১০-২০১১ বৰ্ষ

# PATIDARRANG COLLEGE MAGAZINE

**Year 2010-2011**

22th Year :: 21th Issue

শুভেচ্ছাৰে–

মাননীয় / মাননীয়া,

________________________________

________________________________

সম্পাদক

*তত্ত্বাৱধায়িকা*
সংগীতা বৈশ্য
ড০ বনলতা কলিতা

*সম্পাদক*
মানব ডেকা

# পাতিদৰং মহাবিদ্যালয় আলোচনী

দ্বাবিংশ বছৰ ঃঃ একবিংশ সংখ্যা

ইং ২০১০-২০১১ বৰ্ষ

## —ঃ সম্পাদনা সমিতি ঃ—

উপদেষ্টা

*শ্ৰীগিৰিধৰ শৰ্মা*

তত্বাৱধায়িকা

*শ্ৰীসংগীতা বৈশ্য*

*ড০ বনলতা কলিতা*

সম্পাদক

*শ্ৰীমানৱ ডেকা*

সদস্য

*শ্ৰীনয়নমণি বৰুৱা, শ্ৰীপ্ৰণৱ ডেকা, শ্ৰীজয়ন্ত ডেকা*

প্ৰকাশক

ছাত্ৰ একতা সভা

পাতিদৰং মহাবিদ্যালয়


বেটুপাত / অংগ সজ্জা

শ্ৰীধনেশ্বৰ বড়ো

মুদ্ৰাণ ঃ চুমি গ্ৰাফিকচ্, মুক্তাপুৰ চাৰিআলি, পিন-৭৮১৩৮১

দুৰভাষ-৯৯৫৪৫-২১৬১২, ৯৮৫৯১-০০৮৯৮

# পাতিদৰং মহাবিদ্যালয়



কৰ্ম ব্যস্ততাৰ মূহুৰ্তত আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ
মাননীয় শ্ৰীগিৰিধৰ শৰ্মা দেৱ

সদৌ অসম ছাত্ৰ সন্থা
ALL ASSAM STUDENTS' UNION
Phone : 2571130
2602890
মুখ্য কাৰ্যালয় ঃ গুৱাহাটী বিশ্ববিদ্যালয়
H.O. : GAUHATI UNIVERSITY, GUWAHATI-781014
Website : htta//aasu.m 2014.net

# শুভেচ্ছা বাণী

প্ৰতি বছৰৰ দৰে এইবেলিও পাতিদৰং মহাবিদ্যালয়ৰ (জেষ্ঠ) শাখাই মহাবিদ্যালয়ৰ আলোচনী প্ৰকাশৰ ব্যৱস্থা গ্ৰহণ কৰা বাবে সকলোলৈ ধন্যবাদ জনাইছোঁ।

সাহিত্য জাতিৰ দাপোন। পাতিদৰং মহাবিদ্যালয়ৰ আলোচনীখনিত সমগ্ৰ উত্তৰ পূৰ্ব কামৰূপ অঞ্চলৰ বিশেষকৈ পাতিদৰং অঞ্চলৰ ভাষা, সাহিত্য, সংস্কৃতি আৰু ঐতিহ্যমণ্ডিত কীৰ্তিচিহ্ন সমূহে স্থান লাভ কৰিব বুলি আশা কৰিছোঁ। শেষত, পাতিদৰং মহাবিদ্যালয়ৰ শ্ৰীবৃদ্ধি কামনা কৰিলো।

জিলিকি উঠক লুইতৰে পাৰ
এয়ে মোৰ শুভেচ্ছা থাকিল।

ধন্যবাদেৰে—

উপদেষ্টা
সদৌ অসম ছাত্ৰ সন্থা
অধ্যক্ষ, উত্তৰ পূৰ্বাঞ্চল ছাত্ৰ সংগঠন।

## পাতিদৰং মহাবিদ্যালয়ৰ আলোচনীৰ প্ৰাক্তন সম্পাদক সকল—

| | | |
|---|---|---|
| ১। | শ্ৰীলংকেশ্বৰ ডেকা | ইং ১৯৮৯-১৯৯০ বৰ্ষ |
| ২। | মিছ সবিতা দাস | ইং ১৯৯০-১৯৯১ বৰ্ষ |
| ৩। | শ্ৰীতৰ্জন দাস | ইং ১৯৯১-১৯৯২ বৰ্ষ |
| ৪। | শ্ৰীবনমালী দাস | ইং ১৯৯২-১৯৯৩ বৰ্ষ |
| ৫। | শ্ৰীসত্যেন্দ্ৰ কলিতা | ইং ১৯৯৩-১৯৯৪ বৰ্ষ |
| ৬। | শ্ৰীকৃষ্ণকান্ত ডেকা | ইং ১৯৯৪-১৯৯৫ বৰ্ষ |
| ৭। | প্ৰকাশ নহ'ল | ইং ১৯৯৫-১৯৯৬ বৰ্ষ |
| ৮। | শ্ৰীভৈৰৱ ডেকা | ইং ১৯৯৬-১৯৯৭ বৰ্ষ |
| ৯। | শ্ৰীকমল নাৰায়ণ বৈশ্য | ইং ১৯৯৭-১৯৯৮ বৰ্ষ |
| ১০। | মহঃ মোজাম্মিল হক | ইং ১৯৯৮-২০৯৯ বৰ্ষ |
| ১১। | শ্ৰীতপন চন্দ্ৰ ডেকা | ইং ২০৯৯-২০০০ বৰ্ষ |
| ১২। | শ্ৰীনৱজিৎ ডেকা | ইং ২০০০-২০০১ বৰ্ষ |
| ১৩। | মহঃ নজৰুল ইছলাম | ইং ২০০১-২০০২ বৰ্ষ |
| ১৪। | শ্ৰীৰমণী শৰ্মা | ইং ২০০২-২০০৩ বৰ্ষ |
| ১৫। | মহঃ মোস্তাকিন হক | ইং ২০০৩-২০০৪ বৰ্ষ |
| ১৬। | শ্ৰীমিণ্টু কুমাৰ বেজবৰুৱা | ইং ২০০৪-২০০৫ বৰ্ষ |
| ১৭। | শ্ৰীহেৰম্ব শৰ্মা | ইং ২০০৫-২০০৬ বৰ্ষ |
| ১৮। | শ্ৰীৰাকেশ কুমাৰ ডেকা | ইং ২০০৬-২০০৭ বৰ্ষ |
| ১৯। | শ্ৰীঅম্বিকা প্ৰসাদ বড়ো | ইং ২০০৭-২০০৮ বৰ্ষ |
| ২০। | শ্ৰীভদ্ৰেশ্বৰ দাস | ইং ২০০৮-২০০৯ বৰ্ষ |
| ২১। | মহঃ চহিদুল ইছলাম | ইং ২০০৯-২০১০ বৰ্ষ |

# —ঃ শ্ৰদ্ধাৰ্ঘ নিবেদন ঃ—

সেই মৃত্যু অপৰাজেয় তেনে মৃতক নহলো মই কিয়?



*স্বনামধন্য বিশ্ববৰেণ্য শিল্পী সুধাকণ্ঠ অসমৰত্ন, পদ্মশ্ৰী ড০ ভূপেন হাজৰিকাদেৱকহেৰুৱাই আমি মৰ্মাহত। তেখেতৰ বিদেহী আত্মাই চিৰশান্তি লাভ কৰক। এই কামনাৰে প্ৰয়াত হাজৰিকাৰ প্ৰতি জনালোঁ গভীৰ শ্ৰদ্ধাঞ্জলী।*



যোৱা নবেম্বৰ মাহত অসমৰ সুযোগ্য সন্তান বিশিষ্ট সাহিত্যিক জ্ঞানপীঠ বঁটা বিজয়িনী ড০ মামণি ৰয়চম গোস্বামী মহাপ্ৰয়ান ঘটে। তেখেতৰ বিদেহী আত্মাই চিৰশান্তি লাভ কৰাৰ কামনাৰে আমি যাচিলোঁ অশ্ৰুশিক্ত অঞ্জলী।



পাতিদৰং মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সভাপতি, বিশিষ্ট সাহিত্যিক, চিকিৎসক, সমাজসেৱক, বিভিন্ন অনুষ্ঠানত ভূমিদাতা, বিভিন্ন অনুষ্ঠানৰ লগত জড়িত স্বনামধন্য দাসদেৱৰ মহাপয়ানত আমি মৰ্মাহত। আমি তেখেতলৈ জনালোঁ গভীৰ শ্ৰদ্ধাঞ্জলী।



পাতিদৰং মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সম্পাদক বিশিষ্ট সমাজসেৱক, শিক্ষক আৰু বিভিন্ন অনুষ্ঠানৰ লগত জড়িত স্বনামধন্য কুমাৰদেৱৰ বৈকুণ্ঠ পয়াণত আমি মৰ্মাহত। তেখেতলৈ আমি যাঁচিলো গভীৰ শ্ৰদ্ধাৰ্ঘ।



আমাৰ মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ প্ৰৱক্তা মাননীয় ইউচুফ আহমেদে আমাক সকলোকে কন্দুৱাই অকালতে চিৰবিদায় মাগে। তেখেতৰ আত্মাৰ চিৰশান্তি কামনা কৰি শ্ৰদ্ধাঞ্জলী নিবেদন কৰিলোঁ।



আমাৰ মহাবিদ্যালয়ৰ স্নাতক প্ৰথম বৰ্ষৰ মৃদুভাষি আৰু মেধাৱী ছাত্ৰ বিক্ৰমাদিত্য ডেকাই মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গক কন্দুৱাই চিৰ বিদায় মাগিলে। তেওঁৰ বিয়োগত আমি মৰ্মাহত হৈ জনালোঁ অশ্ৰুসিক্ত অঞ্জলী।

যিসকল জ্ঞাত অজ্ঞাত ব্যক্তিয়ে আমাৰ মাজৰ পৰা চিৰবিদায় মাগিলে তেখেত সকলক আমি শ্ৰদ্ধাঞ্জলী নিবেদন কৰিলোঁ।

—সম্পাদনা সমিতি



# স
# ম্পা
# দ
# কী
# য়...



আমি দুৱাৰ মুকলি কৰো
মোৰ মেজৰ ওপৰত এখন ছবি আছে
নিকোলাচ ৰৰিকৰ নাম তাৰ
তাৰ নাম "আমি দুৱাৰ মুকলি কৰো"

দেৱকান্ত বৰুৱা

বৰ্ত্তমান বিশ্বয়ানৰ যুগ। আমাৰ মাজত ই এটা পৰিবৰ্তন অনাটো সৰ্বজন বিদিন। জীৱনৰ অৰ্থ কি তাক সহজে অনুমেয় কৰি তুলিছে বিজ্ঞানে। এনেহেন প্ৰতিযোগিতাত ধাম খুলিয়াত আমি অৱশ্যে পাহৰিছো নিজৰ দায়বদ্ধতা হেৰাই গৈছো ছন্দোবদ্ধ জীৱনৰ এলোকৰা হাঁহি। মচায় নিলকচীয়া হৈ পৰিছো আমিবোৰ। আমি আমাক বিচাৰি পাব বিচাৰো আমাৰ মাজত এনেহেন সন্ধিক্ষণত আমি আকোৱালি লৈছো পশ্চিমীয়া সাহিত্য সংস্কৃতি সভ্যতা আৰু ঐতিহ্যক। ইয়াৰ গুণা-গুণৰ বিচাৰ্য্য নিশ্চয় ব্যক্তিবিশেষে সুকীয়া ধৰণৰ।

জাতি এটাৰ পৰিচয় তাৰ সাহিত্যৰ মাজত বিৰাজমান ইয়াৰ পৰাই জাতিটোৰ অভ্যন্তৰীণ দাপোনত ভূমুকি মাৰি চাব পাৰি। অসমীয়া সাহিত্য পাৰত গজা বিধৰ নহয়, ইয়াৰ গুৰি ধৰিব লাগিব আপুনি মই, ব্ৰিটিছ আমোলৰ সেই কানীয়া বুলি পোৱা বদনাম সৰোগত কৰি চলিলে নিশ্চয় জাতিটোৰ উন্নতি হোৱাৰ সুযোগ আছে। মোৰ এই প্ৰতিবেদনৰ দ্বাৰা প্ৰতিজন অসমীয়াক তাৰ বাবে কাতৰ আহ্বান জনাইছোঁ।

সাহিত্য ক্ষুদ্ৰ তাঙৰণ হ'ল আলোচনী। প্ৰথমে আলোচনী পাতত ছাত্ৰ লেখক এজন ভূমুকি মাৰি পাছত সাহিত্যৰ গভীৰ অৰণ্যত স্ব-প্ৰতিভাৰে মহিমা মণ্ডিত হৈ নিজৰ লগতে বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়খনক নাম উজলোৱাৰ এয়াই উত্তম সময়। কদৰ্য বোলীয় সমাজখনক উদ্ধাৰ কৰিব লাগিব যুৱ ছাত্ৰ সমাজে। নিজৰ লেখাটোৰদ্বাৰা এটা ৰসৰ যোগান ধৰিব পাৰে। এই উদীয়মান চামৰ জীৱন বন্ধনৰ ই এটা পৰীক্ষা, দায়বদ্ধতা আৰু সমাজ শৃংখলাৰ এটা দস্তাবেজ, এনে মহান কৰ্মৰাজীৰ গুৰি পায় ময়ো বেচ সুখী। বহুতৰ মাজৰ পৰা এই পদৰ বাবে অসুকাই নিৰ্বাচন কৰা বাবে অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ। সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ।

<u>কৃতজ্ঞতা স্বীকাৰ ঃ</u> প্ৰথমে ২০০১০-২০১১ বৰ্ষৰ আলোচনীখন সম্পাদনা কৰাৰ বাবে সুযোগ দিয়া বন্ধু-বান্ধৱীলৈ মই হৃদয়ভৰা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে আলোচনীখন সম্পাদনা কাৰ্যত মোক প্ৰতিটো পদক্ষেপত সহায় সহযোগ আগবঢ়োৱা শ্ৰদ্ধাৰ অধ্যক্ষ শ্ৰীযুত গিৰিধৰ শৰ্মা, তত্বাৱধায়িকা শ্ৰীসংগীতা

বৈশ্য, ড০ বনলতা কলিতা। তত্ত্বাৱধায়কৰ উপৰিও বিশেষ ভাবে সহায় কৰা শ্ৰদ্ধাৰ শিক্ষাগুৰু মাননীয় শ্ৰীদুলাল শৰ্মা, শ্ৰীতপন শৰ্মা, ধীৰাজ তালুকদাৰৰ প্ৰমুখ্যে সমূহ ছাৰ বাইদেউলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ইয়াৰ পিছত উল্লেখ কৰিব বিচাৰিছো মোৰ অতিকৈ মৰমৰ বন্ধু-বান্ধৱীৰে সহায় সহযোগিতা ক্ৰমে— চহিদুল ইছলাম, চন্দন, ভাস্কৰ, অৰূপ, নয়ন, ধনশ্ৰী, ভূচিত্ৰা, প্ৰণৱ, কৃষ্ণা, ব্ৰজেন, চুমি, নমিতা, মৃদুল, মাৰুণ, প্ৰণৱ শৰ্মা প্ৰমুখ্যে মহাবিদ্যালয়ৰ সমূহ শুভাকাঙ্খী বন্ধু-বান্ধৱী পাতিদৰং মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীকে মোৰ তৰফৰ পৰা হিয়া ভৰা শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

এটা গৰ্ভধাৰণ কৰা শিশুৰ ৰূপ , ৰং কেনে হ'ব তাক নিৰ্ধাৰণ বিজ্ঞানতে কৰিব পৰা নাই। থিক তেনেকৈ মহাবিদ্যালয়ৰ আলোচনীখন প্ৰকাশ পোৱাৰ আগতে তাৰ বিষয়ে মন্তব্য আগবঢ়ালে সম্পাদক হিচাপে মোৰ হৃদয় নামৰ অংশ দোখৰত মৃদু আঘাত কৰি যায়। সমাজৰ দুই এজন কৰ্মধাৰে এই মন্তব্য দিয়াত আমি ক্ষুদ্ৰ ব্যক্তিবোৰ হতবম্ব হৈ পৰো।

**ক্ষমা প্ৰাৰ্থনা ঃ** এই সংখ্যাৰ আলোচনীখন প্ৰকাশ কৰি উলিওৱাত অনিচ্ছাকৃত ভাবে কিছু পলম হোৱাত ছাত্ৰ-ছাত্ৰী তথা ছাৰ-বাইদেউ সকলৰ ওচৰত ক্ষমা বিচাৰিছোঁ।

সদৌ শেষত তিতা মিঠা অনেক অভিজ্ঞতাৰে অভিজ্ঞ হৈ শেষত কওঁ যে আলোচনীখনত প্ৰকাশিত প্ৰতিটো লেখাই যে উৎকৃষ্ট মানৰ হৈছে আমি সেই দাবী নকৰোঁ। আলোচনীখন সৰ্বাংগ সুন্দৰ কৰিবলৈ চেষ্টাৰ কোনো ত্ৰুটি কৰা নাছিলোঁ। আৰু আমাৰ অজ্ঞাতে কোনো নকল লিখনি যদি প্ৰকাশ হৈছে তাৰ বাবে আমি দায়ী নহয়। মোৰ কাৰ্যকালৰ লগতে প্ৰতিবেদনত যদি কিবা ভুল ত্ৰুটি হৈছে তাৰ বাবে সদৌটিৰ ওচৰত ক্ষমা বিচাৰি মোৰ প্ৰতিবেদনৰ এতি ৰেখা টানিছোঁ।

।। জয় আই অসম ।।
জয়তু পাতিদৰং মহাবিদ্যালয়

শ্ৰদ্ধাৰে—
শ্ৰীমানৱ ডেকা (মানস)
*সম্পাদক*
আলোচনী বিভাগ
২০১০-২০১১ বৰ্ষ



# অধ্যক্ষৰ কলম...

বিজ্ঞানৰ উন্নতিয়ে আমাৰ মনৰ পৰিধি বাঢ়ি যোৱাত যথেষ্ট উৎসাহ যোগাইছে। আপ্তপুৰণি কৃষি কৰ্মৰ পৰা আঁতৰি আমি মানুহে বৈজ্ঞানিকভাবে কৃষি কৰ্মত আগবাঢ়িব ধৰিছে। আমাৰ ইতিহাস, ৰীতি-নীতি, ভাষা সংস্কৃতি সকলো গোটাই লৈ নতুন ধ্যান ধাৰণা আৰু বিজ্ঞান সন্মত চিন্তাধাৰাৰে জাতীয় মৰ্য্যদা বঢ়োৱাটোহে কাম্য হোৱা উচিৎ। এনেকুৱা এটা চিন্তাধাৰাৰ মাজতেই কেইজনমান চিন্তাশীল ব্যক্তিৰ মাজত জন্ম হৈছিল 'পাতিদৰং মহাবিদ্যালয়'। ১৯৮৯ চনৰ ৩১ আগষ্ট তাৰিখটোৱে হয়তো পাতিদৰং বাসি ৰাইজৰ শুভ দিন আছিল। সেই শুভ দিনতেই জন্ম হৈছিল মৰমৰ 'পাতিদৰং মহাবিদ্যালয়'। যি কেইজন মনিষিয়ে ইয়াক জন্ম দিছিল তেখেত সকলক আমাৰ মহাবিদ্যালয়ৰ মজিয়াৰ পৰা হিয়া ভৰা শ্ৰদ্ধা নিবেদিছোঁ।

১৯৯৩ চনৰ পৰা মই এই মহাবিদ্যালয়ত আজিলৈকে বিনা বেতনে কাম কৰি আছো। ২০০৫ চনৰ পৰা অদ্যাপি এই মহাবিদ্যালয়ৰ অধ্যক্ষৰ দ্বায়িত্ব পালন কৰি আহিছো। মোৰ এই অধ্যক্ষৰ দ্বায়িত্ব পালনত অজানিত ভুলৰ বাবে আপোনালোকৰ ওচৰত ক্ষমা মাগিছোঁ।

সদৌ শেষত সমূহ ৰাইজ, শিক্ষক, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীৰ গঠনমূলক পৰামৰ্শ বিচাৰি মোৰ এই লিখনিৰ অন্ত কৰিব খুজিছোঁ।

জয়তু পাতিদৰং মহাবিদ্যালয়

শ্ৰীগিৰিধৰ শৰ্মা
*অধ্যক্ষ*
পাতিদৰং মহাবিদ্যালয়

# সূচীপত্র


## প্ৰবন্ধ—

| | | |
|---|---|---|
| ☞ সফলতাৰ মূল মন্ত্ৰ | শ্ৰীমৰ্নিষা দাস | ১ |
| ☞ শংকৰদেৱৰ ধৰ্ম প্ৰচাৰৰ গুৰিকথা | শ্ৰীবাতুল ৰাজবংশী | ২ |
| ☞ মাজুলী | মহঃ আফজাল আলী খণ্ডকৰ | ৪ |
| ☞ পৃথিৱীৰ অখুস | শ্ৰীজ্যোতিষ ডেকা | ৯ |
| ☞ এটি অনুভৱ | শ্ৰীজোনোমা ডেকা | ১০ |
| ☞ ৰেগিং | মহঃ হাটিকান ৰহমান | ১১ |
| ☞ बर'फोरनि बैसागो रंजानाय | कल्पना बसुमतारी | ১২ |
| ☞ **Development of ICT and its impact towards reading habit of library users/students** | **Rekha Rani Saikia** | ১৫ |
| ☞ কলেজীয়া জীৱনৰ মাধুৰ্য | শ্ৰীকৈলাশ শৰ্মা | ১৬ |

## গল্প—

| | | |
|---|---|---|
| ☞ জোনাকত এন্ধাৰ | শ্ৰীতিলক শৰ্মা | ১৭ |
| ☞ এখন ভগ্ন হৃদয় | শ্ৰীপ্ৰণৱজ্যোতি ডেকা | ১৮ |
| ☞ সৃষ্টিৰ পাতনি | শ্ৰীদীপক কুমাৰ | ১৯ |
| ☞ প্ৰতিধ্বনি | শ্ৰীসৰোজ কুমাৰ ভট্টাচাৰ্য্য | ২৩ |
| ☞ হংসদেউৰ প্ৰেতাত্মা | শ্ৰীনৱজিৎ দাস | ২৫ |
| ☞ নিঠৰুৱা জীৱন | শ্ৰীসংগীতা বৰুৱা | ২৮ |
| ☞ ভগৱানৰ মৃত্যু | শ্ৰীআনন্দ ডেকা (শৰণীয়া) | ২৯ |
| ☞ এয়াই নেকি সঁচা মৰম? | ৰিয়াজুদ্দিন আহমেদ বৰা (ৰিয়াজ) | ৩১ |
| ☞ কাৰ চিকুণ কি? | শ্ৰীকৃষ্ণ পাটোৱাৰী | ৩৪ |

## কবিতা—

| | | |
|---|---|---|
| ☞ ড০ ভূপেন হাজৰিকাৰ স্মৃতিত | শ্ৰীদীপক কুমাৰ | ৩৫ |
| ☞ পন | শ্ৰীঅনুপ ডেকা | ৩৫ |
| ☞ উৰুঙা বহাগ | শ্ৰীবাতুল ৰাজবংশী | ৩৫ |
| ☞ "কবিতা তোমালোক মোৰ বুকুতে থাকিবা" | শ্ৰীনমিতা শৰ্মা | ৩৬ |
| ☞ বিষাদ | শ্ৰীঅনামিকা দাস | ৩৭ |
| ☞ গণেশ বন্দনা | শ্ৰীসনাতন ডেকা | ৩৭ |
| ☞ জীৱন | শ্ৰীজ্যোতিৰূপা দাস | ৩৮ |
| ☞ অভিমানি বন্ধু | শ্ৰীৰুমী ৰাজবংশী | ৩৮ |

| | | |
|---|---|---|
| ☞ জোনাকত অপেক্ষাত | শ্ৰীভনিতা ডেকা | ৩৮ |
| ☞ ভাল পাওঁ বাবে কোৱা নাই মই তোমাক ভাল পাওঁ বুলি | শ্ৰীজিতেন ডেকা (জিতু) | ৩৯ |
| ☞ বন্ধুত্ব | শ্ৰীঅঞ্জু ডেকা | ৩৯ |
| ☞ অবুজ প্ৰেম | শ্ৰীজিতুমণি কলিতা | ৪০ |
| ☞ "তোমালৈ শেষ টেলিফোন" | শ্ৰীভনিতা পাটোৱাৰী | ৪০ |
| ☞ জ্ঞানৰ মন্দিৰ | শ্ৰীৰাতুল ৰাজবংশী | ৪১ |
| ☞ সুন্দৰ গোলাপ | শ্ৰীলতিকা ভৌমিক | ৪১ |
| ☞ হৃদয়ৰ উচুপনি | মিছ্ হেলেনা বেগম | ৪১ |
| ☞ স্মৃতি | শ্ৰীৰুমী পাঠক | ৪১ |
| ☞ সেন্দুৰ | শ্ৰীসৰযুমণি দাস | ৪২ |
| ☞ আই জন্মভূমি | শ্ৰীৰুমী পাঠক | ৪২ |
| ☞ মাতৃক সুঁৱৰি | শ্ৰীপদুমী ভৰালী | ৪২ |
| ☞ কোনে বুজিব | শ্ৰীজুনুমণি দাস | ৪২ |
| ☞ তোমাৰ গানে | শ্ৰীনয়নমণি বৰুৱা | ৪৩ |
| ☞ এনেকৈয়ে আহেনে ব'হাগ | শ্ৰীমমিতা ডেকা | ৪৩ |
| ☞ সুখ-দুখ | শ্ৰীৰুমী ডেকা | ৪৩ |
| ☞ কি যে নিষ্ঠুৰ হৃদয় তোমাৰ | শ্ৰীভাষ্যতি পাটোৱাৰী | ৪৪ |
| ☞ দুদিনীয়া জীৱন | শ্ৰীসান্তনা ডেকা | ৪৪ |
| ☞ সপোনৰ এই পাতিদৰং কলেজ | শ্ৰীপ্ৰমোদ বড়ো | ৪৫ |
| ☞ অতীতৰ স্মৃতি | শ্ৰীলতিকা ডেকা | ৪৫ |
| ☞ অনুভূতি | শ্ৰীনয়ণমণি দাস | ৪৬ |
| ☞ ধুমুহা | মিছ্ ফৰিদা বেগম | ৪৬ |
| ☞ বিভিন্ন বিভাগৰ সম্পাদকীয় প্ৰতিবেদন— | | |

# প্ৰবন্ধ গুচ্ছ

অভিজ্ঞতাসমূহৰ পাণ্ডিত্যপূৰ্ণ বিশ্লেষণতেই
প্ৰবন্ধৰ সৃষ্টি হয়।
সমাজ তথা জীৱনৰ দোষ ত্ৰুটিবোৰ
নিৰপেক্ষ আৰু নিৰ্ভীক
সমালোচনাই হ'ল
প্ৰবন্ধ।
প্ৰবন্ধত কল্পনাৰ কোনো প্ৰলেপ নাথাকে।





# সফলতাৰ মূল মন্ত্ৰ

*শ্ৰীমনিষা দাস*
স্নাতক প্ৰথম বৰ্ষ

এজন সফল ব্যক্তিৰূপে পৰিগণিত হোৱাৰ অৰ্থে আমি সকলোৱে শিক্ষা-দীক্ষা, ঐশ্বৰ্য-বিভূতি আৰু মান-সন্মানেৰে পুষ্ট হ'বলৈ বিচাৰো। সফলতাৰ স্বৰ্ণশিখৰত আৰোহণ কৰিবলৈ আমি জীৱনৰ সমস্ত ঘাত-প্ৰতিঘাতক নেওচি জীৱনৰ লক্ষ্যৰ অন্তহীন পথৰ পথিক হ'ব লাগিব। আমাৰ শাৰীৰিক, মানসিক শক্তিক কাৰ্যক্ষম কৰি আমি আমাৰ মনক নিজ নিজ লক্ষ্যৰ প্ৰতি অগ্ৰসৰ কৰি নিৰ্দেশ দিব লাগিব আৰু সকলো ঘাত-প্ৰতিঘাত হেলাৰঙে অতিক্ৰম কৰি সফলতা লাভৰ গৌৰৱ কঢ়িয়াব লাগিব।

কিন্তু সফলতা মানেনো কি? জীৱনৰ অন্তহীন যাত্ৰাৰ কাঁইটসদৃশ প্ৰত্যাহ্বান সমূহক অতিক্ৰমি উন্নতিৰ শিখৰত অচল-অটলভাবে আগবাঢ়ি নিজৰ লক্ষ্যত উপনীত হ'ব পৰাটোৱেই হ'ল সফলতা।

কিন্তু জীৱনত লক্ষ্যৰ উচ্চ শিখৰত উপনীত হ'বলৈ সৰুৰে পৰা স্বপ্নবোৰ বাস্তৱত ৰূপায়িত কৰিবলৈ যত্ন কৰা প্ৰয়োজন। নিজকে এজন সফল ব্যক্তিৰূপে মনতে জুকিয়াই চাব পৰাজনেই প্ৰকৃত লোক। কাৰণ মানুহ এজন দাপোনৰ নিচিনা তেওঁৰ অন্তৰ্গত মানুহজনেই তাত মাত্ৰ প্ৰতিফলিত হয়। জয়লাভৰ বহু পূৰ্বেই গভীৰ অন্তদৃষ্টিৰে নিজকে বিজয়ীৰ ৰূপত দৰ্শন কৰাজনৰ হাততেই সফলতাৰ মূলমন্ত্ৰ নিহিত হৈ থাকে আৰু তেওঁ সফলতাৰ প্ৰকৃত অৰ্থ অনুধাৱন কৰিব পাৰে। গভীৰ আত্মবিশ্বাস আৰু দক্ষতাৰে যিজনে সফলতাৰ কৌশল আহৰণ কৰে তেওঁ ৰত্নখচিত সফলতাৰ সিংহাসন অনায়াসে হস্তগত কৰে। স্বামী বিবেকানন্দই কৈছিল-- "দেহ মনৰ সমস্ত শক্তিৰে কাম কৰা, সফলতা লাভ কৰিবাই।" সেয়ে প্ৰতিটো সমস্যাক এটি অপূৰ্ব সুযোগৰূপে গ্ৰহণ কৰি আমি সুস্থ মানসিকতাৰে একাগ্ৰচিত্তে লাগিলে আমি নিশ্চয় সফল হ'ব পাৰিম। কিবা এটা লক্ষ্য সাধনৰ পূৰ্বে, কিবা এটা সফলতাৰ দিশে ধাৱমান হোৱাৰ আগেয়ে এটা শক্তিশালী ঘোষণা আমি কৰিব লাগে। কাৰণ আমাৰ লক্ষ্যৰ বিষয়ে ঘোষণা কৰিলে আমাৰ মনৰ ভিতৰত অদম্য শক্তিৰ উদ্ৰেক হয় আৰু নিতিবাচক চিন্তাবোৰ বাধাপ্ৰাপ্ত হয়। যিহেতু আকাংক্ষা থকাসকলৰ পৰাহে সফল ব্যক্তিৰ জন্ম হয়, সেয়ে আমাৰ আশা-আকাংক্ষাবোৰ উদাত্ত কণ্ঠে ব্যক্ত কৰা উচিত।

জীৱনত মনে বিচৰা লক্ষ্য সাধন কৰিবলৈ আমি আমাৰ অন্তৰাত্মাক সজাই পৰাই ল'ব লাগে, অৰ্থাৎ আমাৰ সৃজনীশীল প্ৰতিভাসমূহ বিকশিত হ'বলৈ আমি একাগ্ৰ সাধনাত ব্ৰতী হোৱা উচিত। কাৰণ একাগ্ৰ সাধনাৰ মানুহে অতি কঠিন কামো সহজে সমাধা কৰিব পাৰে। সফলতা লাভৰ বিষয়ে Christopher Marley য়ে কৈছিল-- "There is only one success to be able to spend your life in your own way."

কোনো কোনো ক্ষেত্ৰত পৰীক্ষাৰ ফলাফল ডিগ্ৰী কিম্বা প্ৰমাণ পত্ৰই জীৱনৰ সফলতা নিৰ্ধাৰিণ নকৰে। সফলতাৰ সঁচাৰ কাঠীডাল হ'ল বিশাল ব্যক্তিত্বৰ অধিকাৰী হৈ জীৱনৰ এক সবল উদ্দেশ্য গ্ৰহণ কৰিব পৰাটো। পৰীক্ষাৰ ফলাফলক আদৰি নল'বলৈ জ্ঞানীলোকে কোৱা নাই। কিন্তু মনত ৰখা উচিত যে পৰীক্ষাৰ ফলাফলৰ স'তে জীৱনৰ সফলতা সদায়েই নাহে। অসমীয়াত এতি প্ৰবাদ আছে-- "ব্যৰ্ততাই সফলতাৰ ঘাই খুটা।" যেনেকৈ প্ৰভাতৰ সুৰুযৰ কিৰণ উপভোগ কৰাৰ আগেয়ে ৰাতিৰ গভীৰ আন্ধাৰ পাৰ হ'ব লাগে, ঠিক তেনেদৰে সফলতা লাভৰ আগেয়েও ব্যৰ্থতাৰ কঠিন প্ৰাচীৰ ভেদ কৰিব লাগে। গতিকে কেতিয়াও হতাশ নহৈ নতুন আশা মনত বান্ধি আত্মবিশ্বাস, ধৈৰ্য, সাহস আৰু দৃঢ় প্ৰতিজ্ঞাৰ ভাৱ লৈ আগবাঢ়িলে নিশ্চয় সফল হ'ব পাৰি।

সুউচ্চ এভাৰেষ্ট বিজয়ী এডমাণ্ড হিলাৰীয়েও এবাৰতে এভাৰেষ্ট আৰোহণ কৰিবলৈ গৈ বিমুখ হোৱা হিলাৰীৰ অদম্য সাহসক সম্বৰ্দ্ধনা জনাবলৈ ইংলেণ্ডত পতা জনসভাত এভাৰেষ্টৰ বিশাল ছবিখন দেখি এভাৰেষ্টৰ দাম্ভিক উচ্চতাই বিজয়ৰ হাঁহিৰে মানুহক উপলুঙা কৰা যেনেহে তেওঁৰ ভাৱ হৈছিল। সৰ্বশেষত ছবিখনৰ ফালে ঘূৰি তেওঁ কৈছিল-- "এভাৰেষ্ট, তুমি আজি হাঁহিছা, হাঁহা। পিছে তুমি ইমানেইতো ওখ হৈ থাকিবা চিৰদিন। কিন্তু মই ? মই জানো যে মই আজিতকৈ আৰু বেছি শক্তিশালী হ'ব পাৰিম-- "যিটো তুমি কেতিয়াও নোৱাৰা।" ☆ ☆

# শংকৰদেৱৰ ধৰ্ম প্ৰচাৰৰ গুৰিকথা

*শ্ৰীৰাতুল ৰাজবংশী*
স্নাতক প্ৰথম বৰ্ষ

শংকৰ মাধৱ অভেদ ঈশ্বৰ
গুৰু নাহি দুইত পৰ
দুহান নামক কীৰ্ত্তন কৰিয়া
কৃত্য কৃত্য হোৱে নৰ।।

ভগৱান শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণৰ পাছত, পৃথিৱীত মহাপাপৰ তাণ্ডৱলীলা আৰম্ভ হ'ল। ধ্বজ, ব্ৰজ, ঘৰ, পংকজ, অংকুশ চিহ্নিত কৃষ্ণ পদ কমলৰ স্পৰ্শৰ পৰা বঞ্চিত হৈ বসুমতী বিধবা হ'ল। পৃথিৱীত কলিৰ অত্যাচাৰ বাঢ়িব ধৰিলে। তেতিয়া ভগৱন্ত পুৰুষে বৈকুণ্ঠ ধামত চিন্তা কৰিব ধৰিলে।

"পূৰ্ব্বকালে ইটো ৰাজ্যে নাছিল ভকতি।
নানাদেৱ পূজা মাত্ৰ আচৰে সম্প্ৰতি।।
নানাদেৱ পূজয় কৰয় বলিদান।
হংস ছাগ মহিষ কাটে অসংখ্য প্ৰমাণ।।
লোক তল গৈল কলি পাপ সাগৰত।
কৃপাময় কৃষ্ণে চিন্তা কৰি বৈকুণ্ঠত।।
ইটো লোক সমস্তকে কৰিতে উদ্ধাৰ
শংকৰ মাধৱৰূপে ভৈলা অৱতাৰ।।"

(গুৰু চৰিত)

যেতিয়া গোটেই পৃথিৱী পাপছন্ন হ'ল, মানুহে স্বাৰ্থৰ কাৰণে বিভিন্ন দেৱ-দেৱতাৰ ওচৰত পশু-পক্ষী বলিৰ বাদেও নৰ বলি কৰিবলৈ ধৰিলে। কেৱল ভোগ বিলাসত উন্মাত্ত হৈ ধনংদেহি, পুত্ৰংদেহি, ভাৰ্য্যাং মনোৰমাংদেহি, সুখংদেহি, স্বৰ্গংদেহি ইয়াতেই লোকসমাজ ব্যস্ত হৈ পৰিল এনেদৰে জীৱশ্ৰেষ্ঠ মানৱ পৰম সত্বাৰ লগত যোগসূত্ৰ হেৰুৱাই ঈশ্বৰ বিমুখী হৈ পৰিল। ধৰণী কম্পিত হ'ল, বসুমতীৰ দুখ মোচনৰ কাৰণে ভগৱন্ত নিজে বৈকুণ্ঠ এৰি নৰৰূপে মৰ্ত্যধামলৈ আহিব লগা হ'ল— সেয়াই শ্ৰীমন্ত শংকৰ অৱতাৰ। আজিৰ পৰা ৫৬৩ বছৰ আগতে বৰদোৱা ধামত ১৪৪৯ চনত কুসুম্বৰ ভূঞাৰ গৃহত সেই নৰৰূপী গুৰুৰ অৱতাৰ হৈছিল। তেৱাঁই এই দুখুনী অসমত নিৰক্ষতা আৰু বিভিন্ন দেৱ-দেৱী উপাসক সকলৰ বিৰুদ্ধে কঠোৰ সংগ্ৰাম কৰি এক শৰণ হৰিনাম ধৰ্ম প্ৰচাৰ কৰিছিল।

সনাতন ধৰ্ম মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অসম জুৰি প্ৰচাৰ কৰিলে। সেয়েহে শ্ৰীশ্ৰীমাধৱদেৱে গুৰুজনাই ভটিমাত প্ৰকাশ কৰিছে "একশৰণ হৰি নাম ধৰম কহো ৰাজা কৰু পৰকায়া"। অৰ্থাৎ সকলো ধৰ্মৰ ওপৰত ৰাজ ধৰ্ম, এক শৰণ হৰিনাম ধৰ্ম প্ৰচাৰ কৰিলে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰ গুৰুৱে কৃপা কৰি কলিযুগৰ জীৱসমূহক কেনেদৰে পৰিত্ৰাণ পায় পৰম ব্ৰহ্মাৰ লগত মিল হৈ যাব তাৰ তৰণৰ উপায় দিছে।

"শুনা সভাসদ পদ মহাভাগৱত।
দেখা দেখা কেনে দুষ্ট কলিৰ মহত্ব।।
হেনজানি সত্বৰে হুয়োক সাৱধান।
কৃষ্ণবিনে কলিত তাৰন্তা নাহি আন।।
সংসাৰ গৰ্ত্তত পৰি আছা সমুদায়।
শ্ৰুতি জ্ঞান নষ্ট ভৈলে বিষয় চিন্তাই।।
কালসৰ্পে দংশি তথাত লৱে প্ৰাণ।
কৃষ্ণ বিনে আন কোনে কৰিবেক ত্ৰাণ।।"

(ভাগৱত)

যিসকল লোকে ভাৰত ভূমিত জন্ম লাভ কৰি হৰিৰ চৰণ ভজনা নকৰে, সি জ্ঞান শূণ্য পশুতকৈ অধম। তেওঁ জন্ম লাভ কৰাৰ কোনো লাভ নহ'ল। সেয়ে মাধৱ গুৰুৱে ঘোষাত উল্লেখ কৰিছে যে–

"ভাৰত ভূমিত জনম লভিয়া
নভজে হৰি চৰণে।
সিটো জ্ঞানশূণ্য পশুতো অধম
জনম লভিল কেনে।।

(ঘোষা)

এই ঘোষাই ভাৰত ভূমিত নৰ জন্ম লাভ কৰি হৰি ভক্তি কৰাৰ সৌভাগ্যৰ মহিমা প্ৰকাশ কৰিছে। পৃথিৱীৰ সকলো দেশতকৈ ভাৰতবৰ্ষত মনুষ্য জন্ম লাভ কৰাটো পৰম সৌভাগ্য আৰু তাৎপৰ্য্যপূৰ্ণ। কোটি কোটি পাপ এই সংসাৰতে নানা জন্ম ভ্ৰমণ কৰি জীৱই কাল কটাইছে। অনেক জন্মৰ পূণ্য সঞ্চয় হলেহে ভাৰত ভূমিত জীৱই মনুষ্য দেহ লাভ কৰে।

"কোটি কোটি জন্ম অন্তৰে যাহাৰ
আছে মহা পুণ্যৰাশি।
সি সে কদাচিত মনুষ্য হোৱয়
ভাৰত বৰিষে আসি।।"

(কীৰ্ত্তন)

এই কলিযুগত ভাৰতবৰ্ষত নৰতনু লাভ কৰাটো বৰ সৌভাগ্যৰ কথা। তাতোকৈ সৌভাগ্য ৰাম নাম কীৰ্ত্তন কৰিবলৈ পোৱাটো কিন্তু যিসকল লোকে এই ঘোষা কলিযুগত ভাৰতবৰ্ষত মনুষ্য জন্ম লাভ কৰি পৰম মংগলময় হৰি নাম হাততে পায়ো শ্ৰৱণ কীৰ্ত্তন নকৰিলে সেইজন পৰম দুৰ্ভগীয়া, তাৰ জন্ম পশুৰ জন্মতকৈও অসাৰ হ'ল। সেয়েহে এই কলি কালৰ মায়াময় সংসাৰত ভ্ৰমি ফুৰা লোক সকলে যদি অবিৰাম ৰাম নাম জপ কৰি কোটি কোটি নাম অৰ্জন কৰি নামৰ মহাজন হ'ব পাৰে। পূৰ্ব্বে বাৰজন বৈষ্ণৱহে মহাজন আছিল। কিন্তু ঘোৰ কলিযুগৰ যুগধৰ্ম, কৰুণাময় পৰমেশ্বৰে নিজে আহি ধৰ্ম প্ৰচাৰ কৰিলেহি। কলিযুগত, পুনৰ কৃপালু হৰিয়ে শ্ৰীমন্ত শংকৰ গুৰু ৰূপে অৱতাৰ হৈ বৈকুণ্ঠৰ চাৰিনাম বস্তু পৃথিৱীত প্ৰচাৰ কৰিলেহি আৰু একশৰণৰ লগতেই বিভিন্ন উপায়েৰে নাম ধৰ্ম অৰ্জন কৰাৰ কৌশল দি থৈ গ'ল। মনুষ্য জনমত যি কেৱল বিষয় ভোগৰ আশাতে আয়ু ক্ষয় কৰে, তেনে লোকসকলে যমৰ দুৰ্ঘোৰ শাস্তি ভোগ কৰি কোটি জনমলৈ কেৱল পাপহে অৰ্জন কৰে, সেয়ে কথনে-মথনে কেৱল হৰিগুণ নাম কীৰ্ত্তন কৰি থকাই নামৰ সাধনা। এনেদৰে ভক্ত সংগত নাম কীৰ্ত্তন, পৰমাৰ্থিক আলাপন যিমান বৃদ্ধি হয় সিমানেই জগতৰ কল্যাণ সাধন হয়। সেয়ে মহাপুৰুষ জনাই বিষয়ৰ আশা সমূহ ত্যাগ কৰি ভক্তৰ সংগত অবিৰাম হৰিগুণ যশ কীৰ্ত্তন কৰি থাকিবলৈ বিষয়াসক্ত জীৱসমূহক উপদেশ প্ৰদান কৰিছে।

জয় জগত গুৰু শ্ৰীমন্ত শংকৰদেৱে হৰি নাম ধৰ্ম প্ৰকাশ কৰি ছমাহ কম ছকুৰি বছৰ, তেৰাই মৰ্ত্যলোকত উজনি, মধ্যম আৰু নামনি অসম, সৰ্বশেষত গৈ বেহাৰ ৰাজ্যত ইহলীলা সম্বৰণ কৰে।

শ্ৰীমন্ত শংকৰ হৰি ভকতৰ
জানায়ে কল্পতৰু
তাহন্ত বিনাই নাই নাই নাই
আমাৰ পৰম গুৰু।। ☆☆

(সংগ্ৰহ পুথি সমূহ হ'ল— ভাগৱত, কীৰ্ত্তন, নামঘোষা, গুৰুচৰিত আৰু ৰসামৃত।)

## মহৎ লোকৰ বাণী

- বাসনা যোগ কৰিলেই ভগৱান মানুহ হয় আৰু বাসনা ত্যাগ কৰিলেই মানুহ ভগৱান হয়। *—মহৰ্ষি ৰমণক*
- সংসাৰত ধনেৰে বা গাৰ বলেৰে সংগ্ৰহ কৰিব নোৱাৰা বস্তু হ'ল জ্ঞান। জ্ঞান আৰ্জিবলৈ হ'লৈ কৰিব লাগে অধ্যায়ন। *—জনছন*
- যিয়ে আনক জানে তেওঁ বিদ্বান, যিয়ে নিজক জানে তেওঁ জ্ঞানী। *—লাওচি*
- ঈশ্বৰ মন্দিৰত না, অৰণ্যত নাই, গুহাত নাই। ঈশ্বৰ আছে মানুহৰ অন্তৰত, বিচাৰিব জানিলেই হ'ল। *—কবি তুলসী দাস*
- কাৰ কি জাতি ভগৱানে খবৰ নকৰে, কোনে কি কৰে তাকেহে ভগৱানে খবৰ কৰে। *—গুৰু নানক*

সংগ্ৰহ
*শ্ৰীডলি কলিতা*
স্নতক প্ৰথম বৰ্ষ



# মাজুলী

*মহঃ আফজাল আলী খণ্ডকৰ*
প্ৰাক্তন ছাত্ৰ

সুদূৰ কামৰূপ (মুক্তাপু)ৰ পৰা,
বাটকুৰি বাই আহিছো তোমাৰ ওচৰলৈ
মাজুলী...! তুমি বিশ্ববন্দিত
তুমি বিশ্বৰ ডাঙৰ জীয়ৰী।
তুমি সুন্দৰৰ অপেশ্বৰী।
তোমাৰ তুলনা নাই বাবে
তোমাক সকলোৱে ভাল পায়
তোমাৰ বুকুত সকলোৰে মিলন ভূমি
তোমাৰ বুকু জাতি-ধৰ্ম নিৰ্বিশেষে সকলোৰে বিচৰণ থলি
তুমি আমাৰ আপুৰুগীয়া সম্পদ
তোমাৰ প্ৰেমত মই মুগ্ধ
তুমি দুৰন্ত প্ৰেমিক
তুমি মহাবাহুৰ বুকুত চিৰ বহ্নিমান
তুমি অসমত সদায় গাভৰু হৈ প্ৰবাহমান।
তুমি সদায় জাকত জিলিকা হৈ থাকা
মাজুলী...! তুমি সকলোতে জাতিস্কাৰ
তুমি নাই ক'ত?
কাৰোবাৰ গীতত, কাৰোবাৰ সুৰৰ লহৰত
কাৰোবাৰ গল্পত আৰু কোনো কবিৰ কবিতাত
মানসে কৈছে তুমি মোৰ পিনে ৰ' লাগি
চাই নাথাকিবা মৰম লাগে
জুবিনে কৈছে দুখ পাবা
লক্ষ্মীয়ে কৈছে তোমাক সকলোৱে বিচাৰে
দিপালী মুদৈয়ে অৰ্থ ভাঙিছে লক্ষ্মীৰ ভবাল
মাজুলি... । সেইবাবেই তুমি সকলোতে জাতিস্কাৰ।
বিশ্ববাসীৰ মনে এবাৰ হলেও বিচাৰে
তোমাৰ আলহী হ'বলৈ
মামাৰ ঘৰৰ আলহী আহিলে মৰম কৰিবা
বেয়া নাপাবা তুমি সূৰ্যমুখী হোৱা।।

মাজুলী ! নাম শুনাৰ পৰা মাজুলীৰ বিষয়ে ভালদৰে জানিব বুজিব স্ব-চক্ষে চাব বৰ মন আছিল। সমগ্ৰ বিশ্বৰ পৰিচিত ঠাইডোখৰ চাবলৈ সৌভাগ্য ঘটিল যোৱা ২৬/০১/২০১২ ইং তাৰিখে। অসমৰ এটা আগশাৰীৰ প্ৰকাশন গোষ্ঠী "সপ্ত সিন্ধু" ই মোৰ চতুৰ্থখন গ্ৰন্থ "কাৰাগাৰৰ সুৰুৰি" নামৰ গ্ৰন্থখনি প্ৰকাশৰ দায়িত্ব লোৱাই নহয় মোকো বিভিন্ন দিশত সহায় সহযোগ কৰি ভৱিষ্যতৰ প্ৰেৰণা যোগাই মাজুলীত "মেঘমল্ল" নামৰ ব-হৎ অনুষ্ঠানটিৰ জৰিয়তে উন্মোচন কৰি পাঠকৰ হাতত তুলি দিয়াৰ ব্যৱস্থা কৰা হয়।

২৫/০১/২০১২ ইং তাৰিখে পুৱা মাজুলীত গ্ৰন্থ উন্মোচনী সভাত অংশ গ্ৰহণ কৰাৰ উদ্দেশ্যে ঘৰৰ পৰা ওলাই গৈ ২৬/০১/২০১২ (দ্বিতীয় দিনা) তাৰিখে মাজুলীলৈ যোৱা ব্ৰহ্মপুত্ৰৰ ইপাৰৰ মুল ঘাট নিমাটিঘাট পাও দিনৰ ২-১৫ বজাত। লগত আছে "সপ্ত সিন্ধু" প্ৰকাশন গোষ্ঠীৰ স্বত্বাধিকাৰী শ্ৰীযুত অলকানন্দা কাকতি, মৰিগাঁও সাহিত্য সভাৰ সাংগঠনিক সম্পাদক শ্ৰীযুত ললিত চন্দ্ৰ বৰদলৈ, মৰিগাঁও হায়াৰ চেকেণ্ডাৰীৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা গল্পকাৰ শ্ৰীযুত জয়ন্ত বৰা, উদিয়মান কবি শ্ৰীযুতা ৰশ্মিৰেখা কাশ্যপ, শ্ৰীযুত বিপুল টংলো আৰু বন্ধু শ্ৰীযুত বিপুল ৰাভা। ঘাট পোৱাৰ লগে লগে জানিব পাৰিলো সিপাৰলৈ যোৱা ফেৰী যোৱাৰ সময় ২-৩০ মিনিট। সময়তো শুনাৰ লগে লগে আমাৰ দৌৰা দৌৰী লাগিল। ফেৰী চলিবলৈ আৰু ১৫ মিনিট আছে। দুৰৰ ঘাটলৈ চকু দিয়াত দেখিলো কেইবাখনো ফেৰী ৰৈ আছে। ইয়াৰে এখন ফেৰীত মানুহ বয়বস্তু, দুচকীয়া চাৰিচকীয়া সকলো ধৰণৰ বাহন উটাই থকা হৈছে। মোৰ সৈতে যোৱা আটায়ে চকুৱে চকুৱে চাই নিজৰ মনৰ ভাব প্ৰকাশ কৰিছে এইখনেই হ'ব নিশ্চয় আমি যাত্ৰা কৰিব লগা ফেৰী। মই দৌৰী গৈ কাউণ্টাৰত সুধিলো। তৎমুহূৰ্ততে মোক জনালে হয় এইখনে দক্ষিণ ঘাটলৈ যোৱা ফেৰী। পুনৰ দৌৰী আহি মই মোৰ সহযাত্ৰী কেইজনক জনালো এইখনতে আমিও উঠিব লাগিব। লগে লগে আমাৰ মাজতো খৰধৰ লাগি পৰিল। অতি তাৎক্ষনিকভাবে আমি যোৱা বাহনখনৰ পৰা টালি-টোপোলা নমাই ফেৰীখনত উঠিলো। টালি-টোপোলাবোৰ ঠিক-ঠাক কৰিবলৈ লওতে ফেৰীখনত হঠাৎ ঘেৰ-ঘেৰ শব্দ কৰি এক জোকাৰ তোলে। ফেৰীখনত দুই-চাৰিচকীয়া বাহন তথা বয়বস্তু বাদে ওপৰে তলে প্ৰায় দুশ মানুহ। সকলোৱে বুজি উঠিছে ফেৰী চলিব ধৰিছে। আমাৰ

আটাই কেইজনৰ মাজত আলোচনা চলিল কোনোমতেহে আহি পালো। কাৰণ এইখনৰ পিচত আজি আৰু ফেৰী নচলে। এইখনে শেষ। অহাকালি পুৱা ৯ বজাতহে আন একন চলিব। জীৱনৰ প্ৰথমবাৰৰ অভিজ্ঞতা ফেৰীত উঠা। আমাৰ আলোচনা চলি থাকোতে এজন খকত-আবত মানুহে প্ৰতিজন যাত্ৰীকে একোটিকৈ টিকত দিয়াৰ দৰে আমাকো দি গ'ল। টিকত হাতত লৈ গম পালো যে প্ৰতিজন যাত্ৰীৰেভাৰা ২০ টকা। ফেৰীখন ব্ৰহ্মপুত্ৰৰ গভীৰ বুকুত চলি কিছু দুৰ পোৱাত আন এজন মানুহে প্ৰতিজন যাত্ৰীৰ পৰা টিকত বিচাৰি বিশ টকাকৈ উঠাব ধৰিছে। আমি বুজিবলৈ বাকী নাথাকিল। এইজন ফেৰীৰ কণ্ডাক্টৰ হয়। নিজৰ ভাড়াবোৰ আদায় দি মোৰ লগতে বন্ধু এজনেও আনন্দতে ভিতৰৰ পৰা ওপৰলৈ যাও বুলি ওলাই গলো। বেলি লহিয়াই ৰঙামুৱা হ'ব ধৰিছে। ফেৰীৰ ওপৰত ফিৰ ফিৰীয়া বতাহে কেতিয়াবা কেতিয়াবা গোটেই শৰীৰতোকে শিহৰাই তোলে। ব্ৰহ্মপুত্ৰৰ বুকুত দুৰ দুৰনিলৈ চকু ফুৰালে কেৱল ধুৱলি-কুৱলিহে দেখা রায়। ফেৰীৰ ওপৰত যোৱা মানুহ বোৰৰ মাজত বহুত হাহি ধেমালি চলে। তাতে আকৌ যিবোৰ মানুহে নিতৌ অহা-যোৱা কৰে সেইবোৰে দল দল হৈ বহি তাছপাট উলিয়াই লৈ 'টাইম পাছ'ৰ বাবে বিভিন্ন খেল খেলিব ধৰে। ফেৰীত উঠা আৰু দীঘলীয়া জলপথ যাত্ৰাৰ প্ৰথম অভিজ্ঞতা, তাতে আকৌ সন্মুখত "মাজুলী"। মনত কি বুজাব নোৱাৰা আনন্দ। এক মনোৰম পৰিবেশে বিৰাজ কৰিছে আমাৰ আটাইকেইজনকে। ব্ৰহ্মপুত্ৰৰ গভীৰ বুকুত যেতিয়া সোমাজ পথেৰে ফেৰীখন উজাবলৈ ধৰিছিল আগে-পিছে সোৰে-বাৰে যি দৃশ্য উপভোগ কৰিছিলো সেয়া কেতিয়াও পাহৰিব নোৱাৰা। বিভিন্ন ধৰণৰ মনোৰম দৃশ্য কেমেৰাত বন্দী কৰি আনন্দত মতলীয়া হৈ থকাৰ সময়তে দুজন ব্যক্তি আহি হঠাতে আমাক কয়— চালামিতো দিয়ক। মানুহজনৰ কথা বুজি নাপায় আমি গুৰুত্ব দিয়া নাছিলো। পুনৰ আনজনে হাতত থকা লাঠিদালেৰে ওচৰতে থকা টিঙৰ বাকছুতোত খুন্দিয়াই কলে— জল্দি কৰক, চালামিটো দে'। আমি হতবাক। কি চালামি? আমাৰ এজনে প্ৰশ্ন কৰিলে— কি চালামি লাগেহে আপোনাক? মানুহজনে উত্তৰ দিলে বয় বস্তুবোৰ যে আমাৰ ঘাটত থৈছে। লগে লগে মই প্ৰশ্ন কৰিলো ঘাটত বস্তু থোৱা আকৌ কিহৰ ভাড়া? এবাৰ দেখোন বিশ টকাকৈ দিয়ে দিলো। আমাৰ চাৰজনৰ মাজত কথাৰ কটা-কটি চলি থাকোতে আমাক নেতৃত্ব দিয়া অলকা বাই নিজৰ বেগৰ পৰা ৫০ টকা দি দিলে। সিহঁতে আৰু বেছি কথা নকৈ ৫০ টকা লৈ আতৰি গ'ল। এইখিনিৰ বাহিৰে দুঘণ্টীয়া জলপথচোৱা আনন্দ উলাহৰ মাজেৰে অতিক্ৰম কৰি মাজুলীত যোৱা ঘাট (দক্ষিণ পাৰ ঘাট) পাই গ'লো। ঘাট পোৱাৰ কিছুদুৰ থাকোতে ফেৰীৰ গোটেইবোৰ মানুহ নিজ নিজ আসনৰ পৰা উঠি টালি-টোপোলা কান্ধত লৈ একেবাৰে বৰলৰ বাহত যেনেদৰে বৰলে ভোবোকা দি থাকে তেনেদৰে থাকিব লৈছে। কি কাৰণ? আমি একো বুজি পোৱা নাছিলোঁ। ঘাটত তিনিখন বাছ ৰৈ আছে। পাছত বুজিলো বাছৰ চিত দখলৰ বাবে মানুহবোৰ এনেখন লগাইছে। আমিও চিত দখল কৰিববলৈ তৎপৰ হলো। এনেতে মাজুলীৰ গন্তব্যস্থানৰ পৰা মোৰ চেলত এটা ক'ল আহিল। আপোনালোকলৈ বগা ৰঙৰ বলেৰ' গাড়ী একন পঠাইছো তাত ৰৈ আছে সেইখনত আপোনালোকে গুছি আহক। লগে লগে মই আটাইকেইজনকে কথাতো জনাই ঘাটৰ পাৰত দেখিলো হয় এখন বলেৰ' গাড়ী পাৰত ৰৈ আছে। ঠিক সময়ত ফেৰীখন কাষ চপোৱাৰ লগে লগে মানুহবোৰে যেনি-তেনি জপিয়াই নামি বাছ কেইখনৰ চিত দখল কৰিব লৈছে। আমি লাহে ধিৰে নামি বলেৰ' গাড়ীখনৰ পিনে আগবঢ়াত এজন সুন্দৰ ডেকাই আমাৰ পিনে আগুৱাই আহি নমস্কাৰ জনাই সুধিলে আপোনালোকে গুৱাহাটীৰ পৰা আহিছে নেকি বাৰু? আমাৰ আটাইকেইজনৰে মুখত হাঁহি বিৰিঙিলে! আমিও জনালো হয় আমি গুৱাহাটীৰ পৰা আহিছো? লৰাজনে কলে— এইখনে আপোনালোকে যাব লগা গাড়ী ইয়াত তুলি দিয়ক বেডিং পত্ৰবোৰ। আমি গাড়ীখনত টালি-টোপোলাবোৰ তুলি দি নদীৰ নিৰ্মল পানীত মুখহাত ধুই লওবুলি ঘাটলৈ গৈ মুখ হাত ধুই ললো। ঘাটৰ কাণে কাণে থকা অস্থায়ী চাহ দোকানবোৰত একাপ একাপ চাহখাই ললো। চাহ খাই গন্তব্যস্থানলৈ বুলি যাবলৈ গাড়ীত উঠি ললো। আমাক আগুৱাই নিবলৈ বুলি ড্ৰাইভাৰজনৰ লগতে দুজন বন্ধু বিজিত শইকীয়া আৰু নিলিম সজাতি আহিছিল। গাড়ীখনৰ আটাইকেইজনে নিজৰ নিজৰ পৰিচয় দাঙি ধৰি চা-চিনাকী হৈ হাহি ধেমালিৰ মাজৰে প্ৰায় ৩০/৩৫ কিঃ মিঃ ৰাস্তা গৈ আমাৰ গন্তব্য স্থান বনগাঁও পালো। সেইদিনা আছিল সৰস্বতী পূজা। বনগাঁও শংকৰদেৱ শিশু নিকেতনত ৬/৭ খন স্কুলৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা অভিভাৱক একে লগ হৈ সৰস্বতী পূজা পালন কৰি আমালৈ বাট চাই আছে।

অৱশেষত আমি গৈ পালো। গাড়ীৰ পৰা নমাৰ লগে লগে নিকেতনখনৰ আচাৰ্য শ্ৰীযুত সুৰ্য্য ভুএগদেৱে নমস্কাৰ জনায় আমাক আগুৱাই লৈ গ'ল। অভিভাৱক শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে অসংখ্যক ছাত্ৰ-ছাত্ৰীৰ মাজেৰে আগুৱাই যোৱাত কোনোৱাই

নমস্কাৰ জনাই কোনোৱাই ফুল চতিয়াই সম্ভাষণ জনাই আগুৱাই নি সুন্দৰ পৰিবেশেত সজাই ৰখা কোঠা এটাত বহিবলৈ দিলে। হাত-মুখ ধুবলৈ দি মাজুলীৰ পৰম্পৰা খাদ্যৰে প্ৰথমে আপ্যায়ন কৰিলে। আমাক বহিবলৈ দিয়া কোঠাটোৰ ওচৰত সৰস্বতী পূজাৰ মণ্ডপটোৰ পিনে চকু দিয়াত দেখিলো ভিতৰত এখন সুন্দৰকৈ বন্ধোৱা ফটো। আচাৰ্য সূৰ্য্য ভুএগ্ৰাক মই কথাটো সুধিলো, ভুএগ্ৰাই উত্তৰ দিলে আমাৰ ইয়াত মূৰ্ত্তি পূজা নচলে।

সন্ধিয়া খোৱা-লোৱা কৰাৰ পিছত আমালৈ সাজু কৰি ৰখা চৰকাৰী অতিথি খালাত ৰাতি থকাৰ ব্যৱস্থা কৰি দিয়ে। দ্বিতীয়দিনা ১১ বজাত মেঘ'মল্লৰ উদ্যোগত বনগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাঙ্গণত গ্ৰন্থ উন্মোচনী সভা। আমাৰ সাতজনীয়া দলটিৰ ভিতৰত জ্যেষ্ঠ হ'ল জয়ন্ত বৰা আৰু কনিষ্ঠজন মই। কনিষ্ঠ হিচাপে সকলোৱে মোৰ লগত বিভিন্ন ৰং ধেমালিৰ কথাবোৰ কয়। হাহি ধেমালিৰ মাজেৰে ৰাতি শুই পৰিলো। ৰাতি পুৱাল। মুখ হাত গা ধুই ললো। অতিথিখালাৰ চকীদাৰজনে সুন্দৰকৈ চাহ আৰু লঘু আহাৰৰ ব্যৱস্থা কৰিলে, ১০ বজাত আকৌ ৰৌ মাছৰ আঞ্জাৰে ভাতৰ ব্যৱস্থা কৰিলে। খোৱ-লোৱা কৰি আমি ১০-৪৫ বজাত ওলাই গ'লো গ্ৰন্থ উন্মোচনী সভালৈ। গৈ দেখিলো অজস্ৰ মানুহ। এজন দুজনকৈ আমন্ত্ৰিত অতিথিবোৰো আহিব লৈছে। এপল-দুপলকৈ সময় আগুৱাইছে। আমাক মাতি নি মঞ্চত বহুৱালে। ১১-৩০ বজাত বনগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক শ্ৰীযুত ৰবীন শইকীয়াদেৱৰ সভাপতিত্বত আৰম্ভ হয় গ্ৰন্থ উন্মোচনী সভা। মঞ্চত, মঞ্চৰ সন্মুখত কেইবাজনো নামজ্বলা সাহিত্যিক। মোৰ "কাৰাগাৰৰ সুহৃৰি" উন্মোচন কৰে ড০ লীলা বৰাদেৱে। লিখক হিচাপে সভাত মোক দু-আষাৰ ভাষণৰ লগতে এটি কবিতাও আবৃত্তি কৰাৰ বাবে আহ্বান জনাই। লগে লগে মঞ্চত আসন গ্ৰহণ কৰি থকা সমলব্যক্তি শ্ৰীশ্ৰীজনাৰ্দ্দনদেৱ গোস্বামীয়ে ঠিয় হৈ মাজুলীৰ বিষয়ে ঠিতাতে এটি কবিতা ৰচনা কৰি আবৃত্তি কৰাৰ বাবেহে আহ্বান জনায়। দক্ষিণপাৰ সত্ৰৰ সত্ৰাধীকাৰজনৰ আহ্বানত মাত্ৰ ৪/৫ মিঃত 'মাজুলী" শীৰ্ষক কবিতাটো লিখি সভাত আবৃত্তি কৰাত কবিতাটি বিশেষ সমাদৰ লাভ কৰাত তেওঁলোকে কবিতাটো ৰাখি দিয়ে কবিতাৰ এক প্ৰতিযোগিতাৰ বাবে। প্ৰায় ১৮ দিনমান পিছত খবৰ পালো কবিতাটো প্ৰতিযোগিতাত প্ৰথম স্থান পাইছে। খবৰটো পায় বৰ ভাল লাগিল। সভাৰ অন্তত খোৱা-লোৱা কৰি আমি চৰকাৰী অতিথিশালালৈ গুছি আহিলো। আবেলি ৩-৩০ বজাত এখন মিচিং গাঁও চাবলৈ বুলি ওলাই গলো। আমাৰ বাবে আগৰে পৰা সাজু কৰি ৰখা বলেৰ' খনেৰে। লগত আছে স্থানীয় ডেকা বিজিত শইকীয়া, নিলিম সজাতি, ৰণোজ পেগু আৰু সূৰ্য্য কুমাৰ ভুএগ্ৰা। সন্ধিয়া গৈ গাঁওখনৰ এঘৰত (বন্ধু কেইজনৰ চিনাকী) সোমাই গলো। আমাৰ লগত চা-চিনাকী হোৱাত ঘৰৰ ভিতৰলৈ নি বহিবলৈ দিলে। মূলতঃ চাংঘৰ। জখলাৰে উঠি গৈ ঘৰৰ ভিতৰত বহি ললো। মিচিং সংস্কৃতিত অতিথি গৈ পালে প্ৰথমে আপ্যায়িত কৰে আপঙে (নিচাজাতীয় মদৰ দৰে এবিধ পানীয়)। আমি গৈ পোৱাৰ লগে লগে দৌৰা-দৌৰি কৈ আলু পুৰি এখন প্লেটত সাজু কৰি প্ৰত্যেককে এগিলাচকৈ আপং খাব দিলে। মিচিং জনগোষ্ঠীয় সেই পানীয় জুতি লৈ তাৰ পৰা ওলালো। আপং খাই গাড়ীৰ ভিতৰতে আমাৰ দুই এখনে বেচিকৈ বকিবলৈ লোৱাত ড্ৰাই ভাৱে বুজি পায় অতি সোনকালে পোনে পোনে অতিথিশালালৈ লৈ আহিল। অতিথিশালাত আহি পোৱাত ১০-৩০ বাজিছে। চকীদাৰজনে সুন্দৰকৈ ভাত পানী বনাই আমাৰ অপেক্ষাত ৰৈ আছে। আহি পোৱাৰ লগে লগে ভাত পানী সাজু কৰি দিয়ে। খোৱা-লোৱা হোৱাৰ পিছত হাহি-ধেমালিৰ মাজেৰে ৰাতি শুই থাকিলো। পুৱা আকৌ ব্ৰেকফাষ্ট কৰি মাজুলীৰ মুল সত্ৰবোৰ চোৱাৰ লগতে মাজুলীৰ ইতিহাস প্ৰসিদ্ধ ঠাইবোৰ চোৱা উদ্দেশ্যে পুনৰ ৯-০০ বজাত গাড়ীত বহিললো। এনেকৈ মাজুলীৰ প্ৰায়বোৰ ঠাই চালো সম্পূৰ্ণ চাৰিদিন ভ্ৰমণ কৰি। এই ভ্ৰমণ সূচীত মাজুলীৰ বিষয়ে থূল-মূল সমীক্ষা দিব বিচৰা হৈছে।

সমগ্ৰ মাজুলীখনে অসমীয়া কৃষ্টি-সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ, ঐতিহাসিক সম্পদৰে বিশ্ব বন্দিত। বিশ্বৰ বৃহত্তম নদী-দ্বীপ বিস্ময়ক মাজুলী, যাৰ বাবে মাজুলীৰ সুবাসিত পুষ্পৰ সুঘ্ৰাণত পৰি সকলো সময়তে দেশী-বিদেশীৰ পৰ্যতকৰ আগমন ঘটে।

এটা মন কৰিবলগীয়া কথা যে—ইমুখে সিমুখে শুনিছিলো মাজুলীবাসী অতিথি পৰায়ণ বুলি। সচাকৈ মাজুলীৰ জনসাধাৰণ অতিথিৰ বাবে আতুৰ নাদুৰ।

মাজুলী নামৰ জন্ম আৰু অৰ্থ বিচাৰ কৰোতে বুৰঞ্জী আৰু জনবিশ্বাসৰ ওপৰত নিৰ্ভৰ কৰিব লগা হয়। আহোম ৰাজত্বৰ সময়ত অষ্টাদশ শতিকাত ড০ জে. পি. ৱেডে পোনতে 'মাজুলী' শব্দটো ব্যৱহাৰ কৰে আৰু মাজুলী'ৰ অৰ্থ হ'ল 'মা'— মানে = লক্ষ্মী, জুলী = মানে— ভড়াল। মাজুলী = লক্ষ্মী ভড়াল।

২৬°৪৫ অক্ষাংশৰ পৰা ২৭°১২ উত্তৰ অক্ষাংশ আৰু ৯৩°৩৯ ৰ পৰা ৯৪°৩৫ পূব দ্ৰাঘিমাংশৰ ভিতত অৱস্থিত। প্ৰতি পলে পলে ব্ৰহ্মপুত্ৰৰ খহনীয়াই গ্ৰাস কৰি থকাত বৰ্তমান মাজুলীৰ মাটিকালি ১২৫৬ বৰ্গ কিঃ মিঃ এইখন মাজুলীক ছয়খন জিলাই

আগুৰি আছে। লক্ষীমপুৰ, ধেমাজি, যোৰহাট, শিৱসাগৰ, গোলাঘাট আৰু শোণিতপুৰ জিলাৰে আগুৰি আছে। মুলতঃ মাজুলী যোৰহাট জিলাত অৱস্থিত। মাজুলী যোৰহাট জিলাৰ দ্বিতীয় মহকুমা। ইয়াৰ সদৰ গড়মুৰ। মাজুলীৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় মুল চহৰ কমলাবাৰীত। গাঁৱৰ উন্নতিৰ বাবে পঞ্চায়ত ব্যৱস্থা মাজুলীতো আছে। ২০ খন গাঁও পঞ্চায়ত আৰু ২ খন আঞ্চলিক পঞ্চায়ত আছে। ৬ খন সমবায় সমিতি আছে। খণ্ড উন্নয়ন কাৰ্যালয় দুটা— মাজুলী উন্নয়ন খণ্ড কমলাবাৰী আৰু উজনি মাজুলী উন্নয়ন খণ্ড, জেংৰাইমুখ। মাজুলী আৰক্ষী সেৱাৰ বাবে সৰু সুৰাকৈ সাতখন থানা আছে। (১) মাজুলী থানা, (২) জেংৰাইমুখ (৩) গড়মুৰ (৪) বনগাঁও (আউটপোষ্ট) (৫) আহতগুৰি (পেৰল পোষ্ট) (৬) নয়াবজাৰ (পেৰল পোষ্ট)।

ইয়াৰ লগতে অসম চৰকাৰৰ বিভিন্ন বিভাগৰ চৰকাৰী কাৰ্যালয় ৰাজ্যৰ বিভিন্ন প্ৰান্তত থকাৰ দৰে মাজুলীটো— জনসংযোগ, যোগান, কোষাগাৰ, কাৰ্যবাহী অভিযন্তা, সমবায় পঞ্জীয়ক, জনজাতি উন্নয়ন, পশু চিকিৎসা, চৰ-উন্নয়ন প্ৰকল্প উদ্যোগ. বিদ্যালয় পৰিদৰ্শন, নিৰ্বাচনী বিষয়া, শ্ৰম, আবকাৰী, জনস্বাস্থ্য, মীন, জলসিঞ্চন, হস্ততাত বস্ত্ৰশিল্প, ষ্টেটফেড, বীজ, বজাৰ, চক্ৰ বিষয়া, আদালত, নিয়োগ বিনিময়, শিশু উন্নয়ন, বনানিকৰণ, পুথিভড়াল আদি বহুতো উন্নয়নী কাৰ্যালয় আছে।

২০০১ চনৰ জৰীপমতে বৰ্তমান মাজুলীৰ জনসংখ্যা ১,৫৩,৩৬২। চন আৰু জৰীপ হোৱা নোহোৱা গাঁৱৰ সংখ্যা ২৪৪ খন। ইয়াৰ লগতে প্ৰায় ৩৩ টা মান চৰ-চাপৰি আছে। প্ৰত্যেক গাঁওবোৰতে ধৰ্মীয় নুষ্ঠান থকাৰ লগতে গণতান্ত্ৰীক ভাৱধাৰা সকলোৰে মাজত আছে। গাঁওবোৰত গাঁওৰক্ষী বাহিনী আৰু গাঁওবুঢ়াৰ দ্বাৰা পৰিচালিত হয়। ব্যৱসায়ীক ঠাই হিচাপে কমলাবাৰী, গড়মুৰ, জেংৰাই, নয়াবজাৰ, ফুলনি, ৰাৱণপাৰ, বালিচাপৰি, ৰঙাচাহী, বনগাঁও, বেঙেনাআটী আদিয়ে প্ৰধান। মাজুলীৰ সত্ৰ সমুহ ঐতিহাসিক সম্পদৰে ঠাহখাই আছে। সত্ৰীয়া নৃত্য, গীত ভাৰতীয় শাস্ত্ৰীয় সংগীত, মুখাশিল্প, বাহ-বেতৰ লগতে বহুতো শিল্প তথা ভাস্কৰ্য সত্ৰৰ বাবে এক আকৰ্ষণ। আহোম ৰজাদিনীয়া গড়ৰ মগুংশ ৰাৱণা পুখুৰী, মাজৰী দেউৰী, গোসানী থান, ফুলেশ্বৰী থান, বেলগুৰি থান আদি বিভিন্ন চিহ্নই আকৰ্ষণ বৃদ্ধি কৰাৰ লগতে মিচিং সকলৰ চাংঘৰ, মিচিং গাভৰুৰ তাতশালৰ খিত খিতনি, চৌদিশ সিঁচৰিত হৈ থকা বালিচাপৰিৰ কহুঁৱা ফুলৰ সৌন্দৰ্য, আলহী পখীৰ কলৰব, নৈ, বিল, জলাশয়, পুখুৰীৰে পূৰ্ণ প্ৰদূষণ মুক্ত প্ৰাকৃতিক পৰিবেশ, নদীৰ বুকুৰ সূৰ্যাস্তয়ো অনুভৱীমানুহক মাজুলীলৈ আকৰ্ষণ কৰে।

মাজুলীৰ জন গাথনিৰ ক্ষেত্ৰত কেইবাটাও নৃ-গোষ্ঠীৰ সংমিশ্ৰণ ঘটিয়ে বৃহৎ মাজুলীৰ সৃষ্টি. এইবোৰ জাতি-জনগোষ্ঠী হল— মঙ্গোলীয়, দ্ৰাবিড় আৰু আলপাইনে প্ৰধান। ইয়াৰ আকৌ নৃ-গোষ্ঠীৰ অন্তৰ্গত মিচিং, দেউৰী, মুছলমান, কছাৰী, কৈৱৰ্ত, কেওট, নাথ, মটক, ব্ৰাহ্মণ, গোসাই, কলিতা, চুতীয়া, আহোম, কোচ, বঙালী, নেপালী আৰু মাৰোৱাৰী আদি সম্প্ৰদায়ৰ লোকো মাজুলীৰ জনশ্ৰোতত বিলীন হৈ আছে।

মাজুলীত থকা শিক্ষানুষ্ঠানৰ সংখ্যা হ'ল এনে ধৰণৰ—

(ক) প্ৰাথমিক বিদ্যালয় ৫০২ খন।

(খ) মধ্য ইংৰাজী আৰু অসমীয়া বিদ্যালয় ১০৮ খন।

(গ) উচ্চ মাধ্যমিক বিদ্যালয় ৮৭ খন।

(ঘ) মহাবিদ্যালয় ৫ খন।

ইয়াৰ লগতে এখন শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰ থকাৰ লগতে এখন কাৰীকৰি প্ৰসিক্ষণ কেন্দ্ৰ ব্যক্তিগত শিক্ষানুষ্ঠান আৰু অংগনবাড়ী কেন্দ্ৰ সমূহেও শিক্ষাৰ গতি উৰ্ধমুখী কৰিছে। বৰ্তমান মাজুলীৰ মুঠ শিক্ষিতৰ সংখ্যা ১,২১,১৪০ জন। পুৰুষ শিক্ষিত-- ৬৮,২০১ জন। মহিলাৰ শিক্ষিত— ৫৩,৯৭১ জন। বৰ্তমান সাহিত্য চৰ্চাৰ ক্ষেত্ৰতো মাজুলীবাসী পিছপৰি ৰোৱা নাই। অসমীয়া সাহিত্য জগতলৈ ভাল ভাল উদীয়মান লিখাৰুৰ আগমন ঘটিছে।

মাজুলীৰ মুল আকৰ্ষণ বিন্দু হৈছে মুলতঃ সত্ৰবোৰ। বৰ্তমান মাজুলীত চাৰি সংহতিৰ প্ৰায় ৩৬ খন সত্ৰ আছে। ইয়াৰ কিছুমান সত্ৰ ৰজাঘৰীয়া পৃষ্ঠপোষকতাত আৰু কিছুমান গুৰুঘৰীয়া পৃষ্ঠপোষকতাত গঢ়ি উঠা। ইয়াৰে আকৌ মুল সত্ৰ বুলি পৰিচিত বা যি কেইখন সত্ৰ চাবলৈ পৰ্যতকৰে ভৰি পৰে সেইকেইখন সত্ৰ হৈছে— আউনীআটি, দক্ষিণপাট, বেঙেনাআটি, নতুন কমলাবাৰী, উত্তৰ কমলাবাৰী, ভোগপুৰ, চামগুৰি আৰু গড়মুৰ আদি কেইখন হ'ল মুল সত্ৰ।

১) আউনীআটি সত্ৰ ঃ ১৬৫৪ চনত আহোম ৰজা জয়ধ্বজ সিংহই প্ৰতিষ্ঠা কৰে। প্ৰতিষ্ঠাপক সত্ৰাধিকাৰ হ'ল কুৰুৱাবাহীৰ পৰা অহা নিৰঞ্জন দেৱ গোস্বামী।

২) দক্ষিণপাট সত্ৰ ঃ ১৫৮৪ চনত মাজুলীৰ দক্ষিণ পুৱত জয়ধ্বজ হিংহ স্বৰ্গদেৱে পৰিতিষ্ঠা কৰে। প্ৰতিষ্ঠাপক সত্ৰাধিকাৰ হ'ল বনমালী দেৱ।

৩) বেঙেনাআটি সত্ৰ ঃ পুৰুষোত্তম ঠাকুৰৰ আজ্ঞামতে মুৰাৰীদেৱে এই সত্ৰ স্থাপন কৰে।

৪) কমলাবাৰী সত্ৰ ঃ এই সত্ৰৰ প্ৰতিষ্ঠাপক বদলা আতা

বা পদ্ম আতা। মুল কমলাবাৰী সত্ৰৰ উত্তৰ কমলাবাৰী সত্ৰ আৰু নতুন কমলাবাৰী সত্ৰ শাখাত বিভক্ত হৈছে।

৫) চামগুৰি সত্ৰ ঃ ১৬৬৩ চনত চক্ৰধ্বজ সিংহই এই সত্ৰ প্ৰতিষ্ঠা কৰে। প্ৰতিষ্ঠাপক সত্ৰাধিকাৰ হ'ল চক্ৰপাণি দেৱ।

৬) গড়মুৰ সত্ৰ ঃ জগন্নাথৰ পৰা বংশীগোপাল মুৰ্ত্তি আনি জয়ধ্বজ সিংহই এতিয়াৰ কমলাবাৰীৰ পৰা চাৰি কিলোমিটাৰ উত্তৰত প্ৰতিষ্ঠা কৰে। গ-হী সত্ৰখনত প্ৰথম সত্ৰাধিকাৰ জয়হৰি দেৱ (১৬৬০ খ্ৰীঃ)।

৭) ভোগপুৰ সত্ৰ ঃ ধুৱাহাট বেলগুৰি সত্ৰৰ পাছতেই শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাই ইং ১৫২৮ চনত (১৪৫০ শক) প্ৰতিষ্ঠা কৰে। সত্ৰখনৰ প্ৰথমজনা সত্ৰাধিকাৰ শ্ৰীশ্ৰীবুঢ়া দামোদৰ আতাই আছিল।

মাজুলীলৈ যাবলৈ হ'লে মুলতঃ এটি ঘাটেৰে যাব লগা হয়। কিন্তু মাজুলীত গৈ উঠিব পৰা প্ৰায় ছয়টা ঘাট আছে। মাজুলীত যাবলগা হ'লে নিমাতীঘাটলৈ যাবই লাগিব। নিমাতীঘাটত গৈ কলৈ যাব কোন ঘাটলৈ যাব জানি বুজি বৈ থকা ফেৰীত উঠিব লাগিব। সিপাৰৰ ঘট কেইটা হ'ল-- (ক) কমলাবাৰী ঘাট (খ) চুমৈমাৰী ঘাট (গ) শালমৰা ঘাট (ঘ) দক্ষিণপাটৰ ঘাট (ঙ) ফুলনি ঘাট (চ) অফলামুখ ঘাট।

মাজুলী চাবলৈ যোৱা পৰ্যটকৰ বাবে থকা-মিলাৰ বাবে আটাইতকৈ সুবিধাজনক ঠাই হৈছে-- মাজুলীৰ বিভিন্ন প্ৰান্তত থকা অতিথিশালাবোৰ। এইবোৰৰ সুবিধা ল'ব লাগিলে পৰ্যটক সকলে বিচাৰিব লাগিব এই কেইখন অতিথিশালা-- (ক) নতুন কমলাবাৰী সত্ৰ অতিথিশালা (খ) উত্তৰ কমলাবাৰী সত্ৰ অতিথিশালা (গ) আউনীআটি সত্ৰ (ঘ) দক্ষিণপাট সত্ৰ অতিথিশালা (ঙ) কমলাবাৰী, গড়মুৰ, বনগাঁও আৰু জেংৰাইত থকা চৰকাৰী অতিথিশালা।

ইয়াৰ উপৰিও পৰ্যতকৰ বাবে আকৰ্ষণীয় ঠাইসমূহ আৰু এইবোৰো একো একোখন সৰু বৰ সত্ৰ.. (১) আউনীআটি (২) দক্ষিণপাট (৩) বেঙেনাআটি (৪) গড়মুৰ বৰসত্ৰ (৫) গড়মুৰ সৰু সত্ৰ (৬) উত্তৰ কমলাবাৰী সত্ৰ (৭) নতুন কমলাবাৰী সত্ৰ (৮) পুৰণা চামগুৰি (৯) নতুন চামগুৰি (১০) দলনি চামগুৰি (১১) ভোগপুৰ (১২) টকৌবাৰী (১৩) মলুবান (১৪) আঁহতগুৰি (১৫) সাকোপাৰা (১৬) বাঁহজেঙনি (১৭) মদাৰগুৰি (১৮) বিহিমপুৰ (১৯) বেলেসিদ্ধিয়া (২০) কৰতিপাৰা (২১) নৰসিংহ (২২) আদি এলেঙি (২৩) বৰ এলেঙি (২৪) কামজনীয়া (২৫) পোহাৰদিয়া (২৬) ঔৰা সত্ৰ (২৭) দিমৌমুখীয়া (২৮) কালশিলা (২৯) দীঘলী সত্ৰ (৩০) ৰাজগুৰুবাৰী (৩১) বনগএগা (৩২) পুনিয়া সত্ৰ (৩৩) চকলা সত্ৰ (৩৪) চাৰিভিয়া (৩৫) আধাৰ সত্ৰ (৩৬) নতুন কমলাবাৰী শাখা সত্ৰ আদি।

মাজুলীৰ ঐতিহাসিক ঠাই সমূহ হ'ল-- (ক) ফুলেশ্বৰী থান (খ) গোসানী থান (গ) আতৈচুক (ঘ) গড়মুৰ (ঙ) ধোৱাচালা গড় (চ) বাপুৰাম বৰুৱা গড় (ছ) গোঁসাইবাৰী গড় (জ) ন-গোঁসাই বাৰী গড় (ঝ) ৰাৱণী পুখুৰী (ঞ) ৰতনপুৰ (ট) চিনাতলী (ঠ) শালমৰা (ড) নাওশালী (ধ) যোগীগাঁও (ণ) সোণাৰী আটী (ত) সোণোৱাল কচাৰী আতি--। ☆ ☆☆ ☆

## আচৰিত কিন্তু সঁচা

- বৰফ বা আইচক্ৰীম খালে যদি গৰম লাগে আৰু গৰম গাখীৰ বা চাহ খালে যদি ঠাণ্ডা লাগে, তেন্তে ই আচৰিত নহয়নে? কিন্তু "চিগুৱেটেৰা" নামৰ এবিধ ৰোগ হ'লে মানুহৰ এনে অনুভুতিয়েই হয়।
- পৃথিৱীত বহু কোটি মানুহ আছে যদিও পৃথিৱীৰ কোনো এজন মানুহৰেই আঙুলিৰ ছাপ আন এজনৰ সৈতে একে নহয়। আনকি যমজ সন্তানবো আঙুলিৰ চাপ ইজনৰ লগত সিজনৰ নিমিলে।
- শুনিলে আচৰিত যেন লাগলেও এই কথা সঁচা যে বৰফ পৰিবেষ্টিত অঞ্চলত বসবাস কৰা এস্কিমো সকলেও ৰিফ্ৰিজাৰেটৰ ব্যৱহাৰ কৰে। খোৱা বস্তু যাতে গোট মাৰি বৰফ হৈ নাযায়, তাৰ বাবে ফ্ৰিজৰ সহায়ত সেইবোৰ ঠিক কৰি ৰাখিবলৈকে আধুনীক এস্কিমোসকলৰ মাজত ফ্ৰিজৰ বহুল ব্যৱহাৰ।

সংগ্ৰহ-- শ্ৰীছয়ানিকা ডেকা
স্নাতক প্ৰথম বৰ্ষ



# পৃথিৱীৰ অখুস

শ্ৰীজ্যোতিষ ডেকা
স্নাতক দ্বিতীয় বৰ্ষ

এনেদৰেই হয়তো শেষ হৈ যাব একৈশ শতিকাৰ এই বিনন্দীয়া পৃথিৱীখন। হয়তো পৃথিৱীলৈ কেতিয়াও নাহিব বাইশ শতিকা। আহিলেও হয়তো আগৰ এই চিৰসেউজ ৰূপত নাহে। এনেকুৱা হব বুলি হয়তো মায়া কেলেণ্ডাৰৰ শ্ৰষ্টাসকলে আগতেই ভাবিছিল। সচাঁকৈয়ে এই ধৰাখন শেষ হৈ যাব নেকি? বাইবেলৰ মোৱা মাছমৰীয়াৰ কাহিনী এইখন পৃথিৱীতে হবনে? এইবোৰ কথা সচাঁ প্ৰমাণ হবলৈ হয়তো পৃথিৱীখন লাহে লাহে অশান্ত হৈ গৈছে। আৰু হয়তো এটা দুটা বছৰ প্ৰতীক্ষাৰ অন্তত আমি বুজিব পাৰিম মায়া কেলেণ্ডাৰৰ সচাঁ মিছা।

মায়া কেলেণ্ডাৰত উল্লেখ থকা শেষ দিনটো ২০১২ চনৰ ২১ ডিচেম্বৰ। সেই দিনটো সচাঁ নহলেও হয়তো পৃথিৱীবাসীৰ শেষ দিনটো ওচৰ চাপি আহি আছে। সকলোৱে অদৃশ্য ভগৱানৰ সৃষ্টিয়েই হওক বা জীৱৰ ক্ৰমবিকাশৰ ফলতেই পৃথিৱীত মানুহৰ সৃষ্টি হৈছিল। জীৱশ্ৰেষ্ঠ মানুহে সৃষ্টিৰ পৰাই অন্য জীৱ-জন্তুৰ ওপৰত অত্যাচাৰ কৰি ক্ষান্ত নাথাকি জন্মদাত্ৰী পৃথিৱীখনৰ ওপৰতো অত্যাচাৰ আৰম্ভ কৰিবলৈ ধৰিলে। সেয়েহে অত্যাচাৰৰ মাত্ৰা বাঢ়ি যোৱাৰ ফলত পৃথিৱীয়েও হয়তো প্ৰতিক্ৰিয়াস্বৰূপে অস্বাভাবিক আচৰণ কৰিবলৈ লৈছে।

একৈশ শতিকাৰ আৰম্ভণিৰ পৰাই পৃথিৱীৰ অস্বাভাবিক আচৰণ আৰম্ভ হৈছিল আৰু দ্বিতীয়তো দশকৰ আৰম্ভণিতইয়াৰ পৰিমাণ আৰু বৃদ্ধি হৈছে। দ্বিতীয় দশকৰ আৰম্ভণি বছৰ ২০১১ চনতে অধিক সংখ্যক ভূমিকম্প, প্ৰায়কৈইটা মাহতে দুটা তিনিটাকৈ সূৰ্যগ্ৰহণ চন্দ্ৰ গ্ৰহণ হৈছে। ইয়াৰে কোনোৱাতো গ্ৰহণ বহুত বছৰৰ মূৰত হৈছে। হয়তো পৃথিৱী জন্মৰ পৰা আজিলৈ এইটোয়ে প্ৰথম বছৰ য'ত ইমান গ্ৰহণ হৈছে। পৃথিৱীৰ এনেকুৱা অস্বাভাবিক আচৰণৰ ফলতে গোটেইকেইখন মহাদেশতে একেলগে ভিন ভিন পৰিবেশৰ সৃষ্টি হৈছে। এছিয়া মহাদেশৰ অন্যতম দেশ থাইলেণ্ডত তিনিমাহ বৰষুণ দিয়াৰ ফলত দেশখনৰ ১/৩ অংশ পানীৰ তলত আনফালে দক্ষিণ আফ্ৰিকাত পানীৰ অভাৱত ৫ বছৰ বৰষুণ নোহোৱাৰ ফলত তাত মানুহ জীয়াই থকাৰ অসম্ভৱ হৈ পৰিছে। আমেৰিকা, ইউৰোপ মহাদেশৰ একাংশত প্ৰচণ্ড বৰফ পৰিছে নিৰ্দিষ্ট সময়তকৈ দুমাহ আগতে আনফালে আমেৰিকাৰ দক্ষিণ অংশত বনজুইয়ে বিস্তৰ ক্ষতি কৰিছে। ইটালীত প্ৰচণ্ড বৰষুণৰ ফলত সৃষ্টি হোৱা বোকাই চহৰসমূহৰ জীৱন ব্যাহত কৰি তুলিছে। এনেকুৱা অস্বাভাবিক পৰিবেশ কিহৰ কাৰণে হৈছে? মানুহে পৃথিৱীৰ ভু-গৰ্ভৰ পৰা জীৱাশ্ম ইন্ধন উলিয়াই ব্যৱহাৰ কৰাৰ ফলত পৃথিৱীৰ বায়ুমণ্ডল প্ৰদুষিত হৈ অত্যাধিক গৰম হৈ গৈছে। বায়ুমণ্ডল গৰম হ'লে মেৰু অঞ্চলৰ বৰফ গলি সাগৰপৃষ্ঠৰ উচ্চতা বৃদ্ধি হৈ উপকুলীয় অঞ্চললৈ ভাবুকি কঢ়িয়াই আনিছে।

পৃথিৱীৰ বায়ুমণ্ডল অত্যাধিক প্ৰদুষণৰ পৰা ৰক্ষা কৰিবলৈ একমাত্ৰ শক্তিহ'ল গছ-গছনি। মানুহে যিমানে পৰিবেশ প্ৰদুষণ কৰিছে তেনেদৰে গছ-গছনিও ধংস কৰিছে। জীৱাশ্ম ইন্ধন অবিহনে আধুনিক জীৱন অচল। গতিকে গছ-গছনিৰ সংখ্যা বৃদ্ধি কৰিহে পৃথিৱীক ৰক্ষা কৰিব পৰা যাব। এনেকুৱা পৰিবেশৰ পৰা অলপ হ'লেও সকাহ পাবলৈ আমাৰ দেশৰ প্ৰায় প্ৰতিখন শিক্ষানুষ্ঠানতে বৃক্ষৰোপন কৰা হয়, কিছুমান স্বেচ্ছাসেৱী অনুষ্ঠানেও এনেকুৱা কাৰ্যসূচী মাজে মাজে পালন কৰে। কিন্তু বৃক্ষৰোপন কাৰ্যসূচী সমাপ্ত হলে ৰোপন কৰা গছডালৰ কথা পাহৰি যায় ফলত তৃণভোজী প্ৰাণীৰ খাদ্য হয় নতুবা পতিপালনৰ অভাৱত মৃত্যু হয়। এনেকুৱা বৃক্ষৰোপনৰ ৫০% বৃক্ষ জীয়াই থাকিলেও হয়তো অলপ সহায় হলহেতেন জীৱকুল বা পৃথিৱীখনৰ কাৰণে। আমাৰ মহাবিদ্যালয় দুখনে ইমান বছৰ বৃক্ষৰোপন কৰিলে। কেইডাল গছ ডাঙৰ হৈছে এতিয়ালৈ? সেয়ে আমি বৃক্ষৰোপন কৰাৰ লগতে প্ৰতিপালন কৰি বৃক্ষৰোপন কাৰ্যসূচী সাৰ্থক কৰিব লাগিব। নহলে বৃক্ষৰোপন কাৰ্যসূচী পালন নকৰাই ভাল।

যদি আমি এনেকৈয়ে প্ৰকৃতি ধ্বংস কৰি গৈ থাকো তেন্তে হয়তো পৃথিৱীখন প্লুটো গ্ৰহৰ দৰে শীতল হৈ পৰিব বা শুক্ৰ গ্ৰহৰ সমান উত্তপ্ত হ'ব। তেতিয়া হয়তো মায়া কেলেণ্ডাৰ সত্য প্ৰমাণিত হব বা বাইবেলৰ মোৱা সত্য হব। হয়তো তেতিয়া আৰম্ভ হব হিন্দুধৰ্মৰ কলিযুগ। আহক আমি বৃক্ষৰোপনৰ জৰিয়তে নিজৰ লগতে পৃথিৱীখনকো ৰক্ষা কৰো। ☆ ☆



# এটি অনুভৱ

শ্ৰীজোনোমা ডেকা
স্নাতক প্ৰথম বৰ্ষ

"লাউ সদায় পাতৰ তল" এই যোজনাটি মই নিচেই সৰু হৈ থাকোঁতেই মোৰ মনটোক জোকাৰি গৈছিল। মা আৰু আমাৰ গাঁৱৰ বৰমা, আইতাহঁতে প্ৰায় মুখত প্ৰত্যেক কথা প্ৰসঙ্গতে 'লাউ সদায় পাতৰ তল'ৰ ৰিজনি আনিছিল। ইয়াৰ অৰ্থও তেওঁলোকে অতি সুন্দৰভাৱে বুজাই দিছিল যে তিৰোতা যিমানে ডাঙৰ নহওক কিয় বা যিমানে উচ্চ শিক্ষিতা নহওক কিয়, তিৰোতা সদায় পুৰুষৰ তল। তথাপি বুজা নাছিলোঁ ইয়াৰ অৰ্থ।

কোৱাটাৰ নাৰী (Qurter nary) মহাযুগৰ প্লিষ্টছিন যুগত প্ৰথম মানৱৰ আবিৰ্ভাৱৰ পৰা এতিয়ালৈ নাৰীৰ স্থিতিক লৈ সমাজৰ লোকসকলৰ মাজত নানা মত পোৱা যায়। বিশেষজ্ঞ F. Boas (Ancient cultrue) ৰ মতে মানৱ সভ্যতাৰ প্ৰথম স্তৰতেই নাৰীয়ে তিনিটা বিশেষ ক্ষেত্ৰত ভূমিকা লৈছিল। (১) উৎপাদন, (২) বিতৰণ (৩) সংৰক্ষণ। প্ৰথমতে জনা যায় যে (Neolinthic revolution by V. Gordon child) ১ম কৃষিকাৰ্যৰ শুভাৰম্ভ নাৰীৰ দ্বাৰাই হৈছিল। সেয়ে সভ্যতা বিকাশৰ প্ৰাৰম্ভিক স্তৰৰপৰাই নাৰীয়ে নিঃসন্দেহে প্ৰবল ভূমিকা লৈ আহিছে। সেয়ে নাৰী 'সৃজনী শক্তিৰ অধিকাৰিণী।

'সৃজনী' শক্তিৰ লগত উক্ত যোজনাটিৰ সম্পৰ্ক আছে। 'লাউ সদায় পাতৰ তল' উক্তিটো সদাসত্য? (Universal truth) বুলিব পাৰি কিন্তু ইয়াৰ অৰ্থ তাহানিতে আইতাই বিশ্লে,ণ কৰাৰ দৰে নিশ্চয় নহয়। ইয়াৰ কিছু বৈজ্ঞানিক ভিত্তি আৰু সৃষ্টিৰ ৰহস্য আছে। লাউক নিঃসন্দেহে নাৰীৰ লগত আৰু পাতক পুৰুষৰ লগত ৰিজোৱা হৈছে। তেন্তে সেই একে সমীকৰণতে অংকটো কৰি ল'ব পাৰি। যেনে লাউ- নাৰী, পাত- পুৰুষ, লাউটো পাতৰ তলত থকাৰ প্ৰধান কাৰণ হৈছে লাউটোৰ ওজন পাততকৈ বহুত বেছি (গধুৰ বস্তু সদায় তলত থাকে) কাৰণ ই পাততকৈ বহুত বেছি গধুৰ।

দ্বিতীয়তে, আন এটা বিশ্লেষণ এনেদৰে দিব পাৰি যে লাউটোৰ শৰীৰত ভৱিষ্যতে বংশ বৃদ্ধি কৰিব পৰা বীজ সংৰক্ষিত হৈ থাকে। লাউটো পুৰঠ হ'লে গুটিবোৰ পুৰঠ হ'ব আৰু পুৰঠ গুটিৰপৰা নতুন লাউগছৰ অংকুৰণ হ'ব. ঠিক মাতৃগৰ্ভত এটি সন্তান সম্পূৰ্ণ সুস্থ অৱস্থাত পৈণত হোৱাৰ দৰে। লাউগছৰ পাতৰ প্ৰধান কাৰ্য হৈছে লাউটো যাতে লহপহকৈ বাঢ়িবলৈ সুবিধা পায়, যাতে ৰ'দ-বৰষুণৰ লগতে বাহিৰা মাধ্যম, যেনে— পোক-পৰুৱা আদিয়ে অকালতে লাউটো পচাই পেলাব নোৱাৰে তাৰ ৰক্ষণাবেক্ষণ দিয়া। সেইবাবে পাতে আলফুলকৈ লাউটোক ঢাকি ৰাখে। তেনে ক্ষেত্ৰত লাউটো পাতৰতল বোলাৰ যুক্তি নাই। গছজোপাই সৃষ্টিৰ তাগিদা মানি নিজৰ তিৰোতা গৰাকীক সকলো ফালৰ পৰা ৰক্ষণা-বেক্ষণ দিয়ে।

উক্ত বৈজ্ঞানিক আৰু দৰ্শনৰ দৃষ্টিভঙ্গীৰে চালে দেখা যায় যে 'লাউ পাতৰ তল যোজনাটিৰ অৰ্থ সম্পূৰ্ণ সংগী সুলভ। কিয়নো পৃথিৱীৰ সৃষ্টিৰ কোনো বস্তুৱে অমূলক নহয়। প্ৰত্যেক সৃষ্টিৰ এটি এটি ৰহস্য আছে।

অধ্যয়নৰপৰা জানিব পাৰি কোনো পিতৃয়ে নিজৰ কোমল মনৰ ছোৱালীজনীক এনে গধুৰ ভাবৰ ভাৰ নিদিয়ে বা দিব নিবিচাৰে কিন্তু প্ৰায়ে জন্মদাত্ৰী মাতৃয়েহে এনে নিৰৰ্থক ভিত্তিহীন ভাৱ নিজৰ ছোৱালীৰ মনত সৰুতে ৰোপন কৰা পৰিলক্ষিত হয়। আজিৰ নাৰীয়ে সমাজৰ উত্তৰণৰ বাবে আপোচহীন মনোভাৱেৰে বৰ্তমান পৰিস্থিতিত সৃষ্টিৰ গহুৰ খান্দিব পাৰিব লাগিব। তাৰ বাবে লাগিব দৃঢ় মনোবল, সু-চৰিত্ৰ আৰু সাধনা। ভৱিষ্যত প্ৰজন্মক উন্নতিৰ জখলাত দেখিবলৈ হ'লে মাতৃগৰাকী সু-চিন্তাশীল, সমমাজৰ প্ৰতি, জাতিৰ প্ৰতি লগতে নিজ সন্তানৰ দায়বদ্ধ হ'ব লাগিব। পুত্ৰ বা কন্য সন্তানৰ মাজত ভিন্নভাব থাকিব নালাগিব।

Prof Morganৰ মতে 'Savagery' Barbarism ৰ পিছতহে Civilzation আহিছে, যাক cultural cvalution (সংস্কৃতিৰ বিৱৰ্তন) বুলি কোৱা হয়। V. Gordon child য়ে তেওঁৰ যুগান্তকাৰী কিতাপ 'Man Makes Himself' (London, 1936)ত সন্নিবিষ্ট কৰি থৈ গৈছে নাৰী হৈছে সংস্কৃতিৰ বিৱৰ্তন আৰু উন্নতিৰ মূল। তেনে ক্ষেত্ৰত

সমাজৰ দোহাই দি, দেশৰ দোহাই দি, দহৰ দোহাই দি কোনো কামতে পিছপৰি থকাৰ দিন আজিৰ নাৰীৰ নাই। আজিৰ নাৰীক ডাইনী সজাই হত্যা কৰাত, অৰিহণা যোগাইছে নাৰীয়েই। ৰাজপথত বিবস্ত্ৰ নাৰীক লজ্জা-নিবাৰণৰ বাবে পুৰুষেহে আগবাঢ়ি আহিছে, নাৰী নহয়।

তথ্যমতে ভাৰতত প্ৰতিদিনে প্ৰায় ৫১ গৰাকী গৃহিণীয়ে আত্মহত্যা কৰে। প্ৰতি ঘণ্টাত দুটাকৈ ধৰ্ষণৰ ঘটনা সংঘটিত হয়, প্ৰতি ঘণ্টাত এটাকৈ যৌতুকজনিত কাৰণত হত্যাৰ ঘটনা ঘটে। এই সকলোবোৰৰ গুৰিতে থকা বহুত কাৰণৰ মাজত এটা কাৰণ হ'ল নাৰীৰ মনত সৰুতে সোমাই দিয়া তেনে ভাববোৰ, যেনে— নাৰী অসহায়, নাৰী দুৰ্বলা, নাৰী অবলা আৰু নাৰী পুৰুষৰ তল।

'Man is the highest creature'-- মানুহক জীৱশ্ৰেষ্ঠ বুলি কোৱা হয় কিয়? বৈজ্ঞানিক ভিত্তিত মাত্ৰ তিনিটা আৱয়বিক লক্ষণৰ বাবে-- (১) দুখন ভৰিৰ ওপৰৰ ওপৰত খোজ কঢ়া (২) কথা ক'ব পৰা শক্তি (৩) চিন্তাশক্তি থকা। কিন্তু এই তিনিটা বিশেষ লক্ষণৰ বাবেই আজি মানুহে বিভিন্ন বিপদৰ সন্মুখীন হৈছে।

(১) দুখন ভৰিৰ ওপৰত ভৰ দি যেনি-তেনি যোৱা (সু-স্থান, কু-স্থান)। (২) স্থান, কাল, পাত্ৰ নোচোৱাকৈ যি-তি কথা কৈ বিপদত পৰা (অশালিন, অবাঞ্চিত কটু অশ্লীল ইত্যাদি)। (৩) ভাল চিন্তাৰ ঠাইত কু-চিন্তা, কু-অভিসন্ধি কৰা (ব্যভিচাৰ, দুৰাচাৰ, বীভৎস চিন্তা)।

আমি সৃষ্টিকৰ্তাৰ তথা ভগৱানৰ সৃষ্টিক অৱমাননা নকৰি পুৰুষ-মহিলা ভেদাভেদ নানি এখন সুন্দৰ পৃথিৱীৰ কল্পনা কৰাৰ সময় সমাগত বুলি ভাবিবৰ নিশ্চয় থল আছে। ★ ★

# ৰেগিং

*মহঃ হাটিকান ৰহমান*
স্নাতক প্ৰথম বৰ্ষ

*যুৱ সমাজৰ এক ভয়ানক সমস্যা ঃ-*

বৰ্তমান সমাজৰ ভয়াবহ ব্যাধিবোৰৰ ভিতৰত ৰগিং অন্যতম। প্ৰতিবৰ্ষতে উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলে একোখন নতুন শিক্ষানুষ্ঠানত ভৰি দিয়ে। নামভৰ্ত্তি হোৱাৰ পাছৰ পৰাই শ্ৰেণীসমূহ আৰম্ভ হয়, লগে লগে নতুন ছাত্ৰ-ছাত্ৰী সকলৰ আগত দেখা দিয়ে এক ভয়ংকৰ দুৰ্যোগ। সেয়াই হ'ল ৰেগিং। বুকুত অলেখ আশা, চকুত হেজাৰ সপোনৰ জোৱাৰ লৈ ভৱিষ্যৎ সোণালী কৰাৰ পথেৰে ছাত্ৰ-ছাত্ৰীসকল আগবাঢ়ি যাব খোজে। প্ৰতিজন শিক্ষাৰ্থীৰে ইচ্ছা থাকে, সপোন থাকে এজন ব্যক্তিৰূপে নিজক গঢ় দিয়াৰ। কিন্তু বৰ্তমান যুৱ সমাজত প্ৰচলিত ৰেগিং নামৰ শব্দটিয়ে অধিক সংখ্যক ছাত্ৰ-ছাত্ৰীৰ আশাৰ আঁচুফুলবোৰ মোহাৰি পেলায়। যৌৱনৰ প্ৰথম খোজতে খোপনি হেৰুৱাই পেলায় তেওঁলোকে। ধ্বংস হৈ যায় বহু সোণালী ভৱিষ্যৎ।

প্ৰকৃতাৰ্থত ৰেগিং কি বুলি প্ৰশ্ন কৰিলে বৰ্তমান সময়ত দিব পৰা সহজ উত্তৰটো হ'ল-- কুৰুচিপূৰ্ণ, আপত্তিকৰ, শাৰীৰিক তথা মানসিক যন্ত্ৰণা। অনুজ তথা নৱাগত সকলক শাৰীৰিক তথা মানসিক ভাবে বিব্ৰত কৰাটোৱেই যেন ৰেগিং কৰোতাসকলৰ প্ৰধান লক্ষ্য। ৰেগিংৰ নামত অত্যাচাৰ, উৎপীড়ন কৰাৰ এই মানসিকতা কেতিয়াৰ পৰা আহিল জনা নাযায়। মাথো দেখা যায় বছৰৰ পাছত বছৰ নতুন ছাত্ৰ-ছাত্ৰী শিক্ষানুষ্ঠান সমূহলৈ আহে আৰু ৰেগিংৰ নামত যন্ত্ৰণাৰ বলি হৈ আহিছে। ৰেগিং কৰাসকলে নাজানে তেওঁলোকে কিয় ৰেগিং কৰি আছে, মাথোঁ জানে তেওঁলোককো ৰেগিং কৰা হৈছিল আৰু এতিয়া তেওঁলোকেও ৰেগিং কৰিব। ৰেগিংৰ নামত কৰি থকা এই অস্বস্তিকৰ আচৰণবোৰক অভিহিত কৰা হয় 'কৌতুক' বুলি। চিন্তনীয় বিষয় এয়ে যে শাৰীৰিক আৰু মানসিক ভাৱে অপদস্থ কৰা তথা উপহাস কৰাক জানো ধেমালি বা কৌতুক বুলিব পাৰি? ৰেগিংৰ নামত অত্যাধিক উৎপীড়নৰ বলী হৈ মৃত্যু হোৱা ছাত্ৰ-ছাত্ৰীৰ পিতৃ-মাতৃয়ে জানো মানি ল'ব পাৰিব যে তেওঁলোকৰ সন্তানৰ মৃত্যুৰ কাৰণ মাত্ৰ এটা 'কৌতুক'। এয়া কেতিয়াও মানি ল'ব পৰা বিষয় নহয়। ৰেগিংযে যদি বহু মেধাৱী ছাত্ৰ-ছাত্ৰীৰ মৃত্যু কঢ়িয়াই আনে তেন্তে ৰেগিং পৰিহাৰ কৰাত আপত্তিকৰ থল ক'ত? আমাক অগ্ৰজসকলে ৰেগিং কৰিলে বুলিয়েই আমিও অনুজসকলক ৰেগিং কৰা উচিতনে? এয়া নিশ্চয় বিচাৰ্যৰ বিষয়। ★ ★

# बर'फोरनि बैसागो रंजानाय

*कल्पना बसुमतारी*
प्रवक्ता, बर' विभाग

बैसागोआ जाबाय बर'हारिनि बेगें, बिगुर आरो मोदोमजों नांथाबना थानाय बयनिखुइबो देरसिन रंजानाय फोर्बो। बैसागोआ जाबाय उदां बोथोरनि springtime रंजानाय। बे बैसागो रंजानाया माब्लानिफ्राय बर'फोरनि गेजेराव जोनोम जाफैखो बेखौ रावबो बुंनो हाया। बैसागो रंजानायखौ बैसागो बोथोरावनो रंजानाय जायो। बैसागो दाननिफ्रायनो गोदान बोथोरा जागायजेनो। बेखायनो बोसोरनि आगोल (आगु) बैसागो जादों होन्नानै बुंनाय जायो। बे बैसागो बोथोरा अराय गोदान, अराय सिख्ला। मानोना बे बोथोरावनो रानस्रलांनाय बिफांलाइफाड.व गोदान बिलाय खिलिनानै मिथिंगाया सोमखोर समायना जायो। बारदैसिख्लायाबो बिखा फुवारनानै सारन्थाय, अखा, बारहुंखा लुफावनानै रानखावलांनाय बहुमबिखाखौ थाजिम खालामो। मिथिंगानि बेबादि समापना महरखौ नुनानै बुहुमबिखानि दावमा दावसा, मि-जुनात, ना-मै, मानसि-दुमसि गासैबोनि गोसोया रंजाखाड.ो। बैसागो रंजानायखौ खायसे खायसे पण्डितफ्रा बायदि बिथिंनिफ्राय नोजोर होनानै बिजिरनो नाजादों। खायसेनि बादिब्ला, बैसागोआ जाबाय, बेसादखान्थियारि हाबिलास फोरमायनाय, खाइसेनि बादिब्ला आबाद दिखांनायनि फोर्बो आरो खाइसेनि बादिब्ला जोलै सोरजिनायनि फोर्बो। बेफोर जायखियानो जायामानो, बे बैसागो बोथोराव बर' हारिनि सेंग्रा सिख्ला, बोराय बुरै, गथ-गथाय, गासैबो हानजा खायै खायै खाम-जथा, सेरजा-सिफुं, थूरखा बायदिसिना दामनानै गोसो होसार होसार रंजायो-बाजायो गावसोरनि संसार जानायाव मोन्नाय दुखु-दाहाखौ दान्दिसेनिथाखै बावगारथ'नानैब्लाबो।

गोदो गोदाय बैसागो रंजानाय फोर्बोखौ दानफामानि फालियोमोन होन्नानै जों मोनथिनो मोनो। नाथाय, आथिखालाव दानसेनि सोलाय हाफथा मोनसे खुनाय जाबाय। बे बैसागो फोर्बोखौ चैत्र दाननि जोबथा साननिफ्राय जागायजेन्नानै सानस्निसिमहालागै फालिनाय जायो। चैत्रो दाननि जोबथा सानखौ मोसौनि बैसागो एबा मोखौनि सान होन्नानै बुंनाय जायो। बै दिनाव मोसौनि देहानि जौगानाय आरो मोसौनि अनजिमा बांनायखौ हास्थायनानै मोसौखौ सिबिनाय जायो। बै दिनखालि बर' हिन्जावफोरा फुड.ावनो सिखारनानै हाग्रानिफ्राय दिंखिया, गोखा-गोखै बायदि मैगं-मैला नायगिरना लायो। बेनि उनाव न-बां साखोन-सिखोन खालामखांना, सुवा-सुथि गारख्राड.ो आरो दुगैख्रां-लोबस्रां खालामनानै ओंखामओंखि संनो लाहार-फाहार खालामो। हौवाफोराबो गवबा-गाव नखरनि थाखै हाग्राबारि एबा बारिबागाननिफ्राय दिगोलथि दंफांफोरखौ बथुमना दोनफैयो। बेनि उनाव लाव-फान्थाव, हालथि बायदिसिनानि माला सुयो। मोसौनिगं आरो मोदोमफोराव इसिं न'नि गारमा दिन्दांखौ जाति थावजों लागायनानै बे गोसोम गाबखौ बिजुलि औवानि हेफाजाबै फोथा फोन्नानै होयो। मोसौनि गं आरो आथिंनि आसिगुरफोराव बेसरनि थाव एबा जाति थाव फोन्नानै हूयो। बेनि उनाव सुनानै लानाय मालाखौ आखायाव लानानै मोसौफोरखौ गलिनिफ्राय होहरनानै दिगोलथि लावथिजों बुयै बुयै रवाथिनि दैमा-दैसा एबा दैखर जामफैफोरसिम थुरवैनो लाड.ो। मोसौखौ थुरवैनो लांनायाव लामा लामा लाव-फान्थावनि मालानिफ्राय मोनसे मीन्नै लाव-फान्थावनि दखर बख'यै बख'यै मोसौनि मोदोमाव खुबैहरो आरो मेथाय खनो--

लाव जा फानथाव जा
बोसोर बोसोर एर हानजा हानजा
बिमानि खिथेर फिफानि खिथेर
नोंसोर जागोन हालुवा गिदिर
बिमा गाइदे बादि दाजा
फिफा बलद बादि जा
बारि ख'नानि एम्बु बंगला
बिबादि जा गिदिर जांगिला

(भबेन नार्जि)

मोसौखौ थुखैखांनायनि उनाव फोथाराव हगारसारनानै होनाय जायो। बै सानखालि मोसौ गलिफोरखौ साखोन सिखोन खालामखांनानै उखुन्दै होनाय जायो। मोसौफोरनो गोदान फागा गानहोनाय जायो। बै दिनखालिनो हाग्रानिफ्राय बथुमना लाबीनाय दिंखिया, खुंखा बायदि गोखा-गोखै मैगंफीरजों दावदै होफानानै एवनानै जायो। ब'रफोरा बै दिनाव गोखा-गोखै-संनानै जायोब्ला सानाय-सुनाया खारो होन्नानै फोथायो। दाव बेदर, अमा बेदरनिबो खाजि संनानै जायो आरो एफा-एनै जौबो लोड.ो।

मोसौनि बैसागोनि नैथि साना मानसिनि बैसागो। बै साना गोदान बोसोरनि गिबि सान। बै दिनाव नखरनि मानसिफोरा फुड.ावनो सिखारनानै न-बां, साखोन-सिखोन खालामस्रांना दुगैस्रां-लोबख्रां खालामो। नखरनि गाहाय बिगोमाया बाथौ बोरायनि सेराव आरज गाबो आरो नखरनि थैना थांनाय सोद्रोमाफोरखौ गोसोखांहरनानै फिथा, बुद-प्रसाद, फिथाय-सामथाय बायदिसिनाखौ बाबहरो। सेंग्रा-सिस्ला, गथ'-गथाय, बोराय-बुरैफोरा हानजा खायै नखर-नखर, गामि, गामि खाम ज'था, सिफुं, थरखा बायदिसिना दामनानै बैसागो मेथाय खनै खनै मोसानो-रंजानो थाड.ो। बै दिननिफ्रायनो मोसानाय-रंजानाया सोलियो। गोसोनि रंजाखांनायजों बैसागो मेथाय खनो--

गोदान बोथोराव,
बैसागो बोथोराव
फै रंजानि, फै मोसानि
बयबो हायला-हुयला
सैंग्रा-सिस्ला खौसे जाना
बोराय-बुरै खौसे जाना
गथ'- गथाय खौसे जाना
फै मोसानि, फै रंजानि
बयबो हायला-हुयला।

बैसागो मेथायफोरनि गेजेरजों जोंनि सुबु जिवनि जिव खुंनाय, मोजां मोन्नाय, आबाद मावनाय, मोसानाय-मुसुरनाय, हांमा-हांसा, रांखान्थियारि जेंनाफोरा रोखायै बेरखांदों। बैसागो मेथाय। गुबैयै मौजां मोन्नाय आरो जौमोन बैसोनि दुंग्लाबनायजों आबुं। बैसागो बोथोराव सुबुंजों लोगोसे दावसिन-दावला, मिथिंगायाबो रंजाफायो। बेखायनो रोजाबो--

बैसागो आयै बैसागो
बैसागो, बैसागो
बोथोर गोजामा थांलायबाय
बोथोर गोदाना फैलायबाय
बैसागो आयै बैसागो
बोथोर गोदाननि बार मोन्नानै
बंफां-लाइफाड.ा दावमा-दावसाया
रंजाखांबाय हनै
फैदो दिनै फैदो बयबो
बोराय बुरै सेंग्रा सिख्ला
गथ' गथाय रंजादिनि।

( महिनीमहन ब्रह्म )

बैसागो बोथोराव गोसो होसार होसार रंजानाय-बाजानाय समाव खायसे खायसे सेंग्रा-सिस्लाफोरा मोजां मोनज्लायो, हाबा लायो, खायसेबा गारज्लायनो गोनां जानायाव हांमा-हांसाल' लानो गोनां जायो। बेखायनो रोजाबो--

हांमा थाबाय, हांमा थाबाय आदा
जामफै गुरिनि सायाराम मान्दार बिबार
आदा, सायाराम मान्दार बिबार।
बर' मुजों मुसे हांमा थाबाय आदा
हासा मुजों मुहे हांमा थाबाय आदा
बिखायाव दावदाब थाबाय
आदा, जामफै गुरिनि सायाराम मान्दार बिबार
आदा, सायाराम मान्दार बिबार।

( भबेन नार्जि )

बर' समाजाव बिजामादैआ बिखुनजोखौ बिमाबादि सन्मान खालामो आरो बिखुनजोयाबो बिजामादैखौ फिसाज्लाबादि अनो। बोखायनो बिसोरनि गेजेराव सारासानख्रायै जंखायलायनाया जाया। नाथाय बेखायनो बिखुनजोआ बिजामादै सोमोन्दो जानायखौ जंखायना रोजाबो--

मेगन लुन लुन आयै
जोंहा जावैसोआ
गन्थं थफसा-सा आयै
जोंहा जावैसोआ।

( भबेन नार्जि )

बिजामादैआबो बिखुनजोनि जंखायनायाव जेनाबालासिनो फिन्नाय होयो--

आदै थिला-ला आयै नोंजामादैया
गन्थं जंजिर-जिर आयै नोंजामादैया
जानजि सेरथे-थे आयै नोंजामादैया
नायनोबोला नायफै आयै जुमाय लानानै
नायनोबोला नायफै आयै नोंजामादैखौ

( महिनी महन ब्रह्म )

बैसागो रंजानायाव सेंग्रा-सिस्लाफोराबो बिखौ बि जंखायलायो। बेखायनो सेंग्राफोरा सिस्लाफोरखौ जंखायनानै रोजाबो--

खानथाल बिलाय स्रब स्रब
थाइजौ बिलाय स्रब
गोमो गोजा गान्नाय सिश्लाया
आंनि न'वाव थोब
आंनि न'वाव थोब।

( भबेन नार्जि )

सिश्लाफोराबो जेन्नानै थाया। बेनि फिन्नायखौ औरै होयो--

खुसिया लानजाय लुरो लुरो
मा बिलो हाय बि
मा बिलो ?
बिखुनजोखौ गोसो थोनाया
सोर जोहोलाव बि
सोर जोहोलाव ?

( भबेन नार्जि )

गोदो बर' समाजाव, जाय नखरा सासेबो फिसाज्ला गैजारोङा बिसोरहा फिसाजोनि थाखै बिजामादैखौ गोरजिया लाखिनाय हुदा दंमोन। बैसागो मेथायाव बेखौनो मोनथिनो मोनो--

गोसो थोयो बोला खुसि जायो बोला
गोरजिया थाफै आदा, गोरजिया थाफै
नों सैयोबोला गोरजिया थाफै।
आइ आफायाबो नागिर रोंला
आंहाबो खाफालाव मोन्नो गैला
आंबो आगर रोङा आदा, नोंबो लेखा रोङा
गोरजिया थाफै आदा, गोरजिया थाफै
खोलाफारानि आमोखा आदा।

( महिनी महन ब्रह्म )

बिदिनो, बर'फोरा बैसागो मेथाय खनै खनै रंजा-बाजा खालामखांनायनि उनाव मागिना मोन्नाय मायरं, रांफोरजों ना-बेदर, मैगं-थायगं बायनानै ज' ज'यै संनानै जाज्लायो, जौ-सेरेप लोङो। रंजा-बाजा, मिनि-खुसिनि गेजेरजोंनो स्नि साना ब्रौं बारग'लाङो गुमुरखौनो मोना जायो। आथिखालाव बर'फोरनि बैसागो रंजानाया गोदोनिबादि नंद्राया। समजों लोगोसे गासिबो सोलायलाङो होन्नायबादि जोंनि बैसागो रंजायावबो एफा-एनै सोलायहांबाय। गोदोनि खाम, ज'था, सिफुं थरखा, दल, हारमनियाम दामनानै, बैसागो मेथाय रोजाबनानै मोसानायनि सोलाय, खायसे खायसेखौ टेफ, देक बायदिसिना लानानै रेदिमेद मेथायनि हेफाजाबाजों मोसानाय नुनो मोनो। मेथायफोराबो बैसागो मेथाय नङाब्लाबो जासै। बिदिनो ष्टेज बानायनानै बैसागो बरायनाय, बैसागो बिदायहोनाय बायदि function खुंनानै मोसानाय, मेथाय खन्नायबो नुनो मोनो। नाथाय, बेफोर जायखियानो जायामानो, रंजानाया जेब्लाबो रंजानायखा। जोंनि गोसो-गोर्बोया खुसिब्लानो गासैबो खुसि। ★ ★

## মহৎ লোকৰ বাণী

- তুমি নিজকে দৰিদ্ৰ বুলি দুখ নকৰিবা, কাৰণ ধন মানেই পৰাক্ৰম নহয়। সাধুতা আৰু পবিত্ৰতাহে প্ৰকৃত পৰাক্ৰম।
—স্বামী বিবেকানন্দ
- মই সংগ্ৰামহীন জীৱন কল্পনাকে কৰিব নোৱাৰো। সংগ্ৰাম আৰু সংঘাট মোৰ জীৱনৰ শ্বাস-প্ৰশ্বাস।
—কলম্বাচ

সংগ্ৰহ— শ্ৰীঅনামিকা দাস
স্নাতক প্ৰথম বৰ্ষ

# Development of ICT and its impact towards reading bit of library users/students

*Rekha Rani* ঃ ·ka
Librarian, Patidarrang College

1. **Introduction :** The growth and development of Information Communication Technology (ICT) has brought a revolutionary change to the society. In the 21st century, most of the students (from child-hood) are using computer technologies, internet, facebook, twitter, toutube for entertainment. Due to the advancement of Information Technology, the reading habit of present generation is decreasing day by day.

2. **Reading habit as a measure of knowledge development :** Reading habit is considered one of the best habit that our can inculcate in him / her. It helps to exercisep our mind. It plays the pivotal role to the socity to knowledge development.

One of the most important suggestions for promotion of uarning is to develop reading gabits among children. Habits are more uss routinenways of acting they are considered as second nature. Our hapiness depends on developing good habits. Habits also motivate our behavious. However, at the it initial stage we gave to learn them. Habits of reutine requirements of daily readings. They help the child in mastering the content of uarhing. To acquire the habit of reading is to constsuct for yoursef a refuge from almost all the misseries of life.

3. **Impact of ICT Towards reading habit :**

There is no confusion that on-line resources helps to get the right information at the right time to the right users. Information communication technology library users. But, 2000 a days basically students are interestet on easy going psocess. They depend on online resources (non psint naterials, online journal etc.) They dont like to search any information by using psinted materials Instead of that they go through internet by which they can get a sle to get the required information by entering only the website or specified subject.

As a consequence of greater development internet facility, treading habit of the studentsof present generation is decreasing 2n rapid rate. Be cause of that they cannot able to get the benefits of great literate. Due to the availability of any information in internet, the unmatured children cannot guess which are useable or which are not for them. As a result they are engaged in cyber crime, which badly affect the sociely.

4. **Suggestions for developing reading habits :**

i) The child should stort reading easy books first and difficult later on.

ii) The child should stat regular practice everyday for short period.

iii) The child should rapidly and the con tent material.

iv) Fix up the target of time and context and then start reading try to grasp the sense and donot stick to difficult words

v) The eyes of the child should movs more quickly on the times of the content material.

vi) A record of progress should be main tained. This will enable the child to as sess his achievements and plan for the future as well.

5. **Conclusion :** The library service plays on im portant ro;e develop the reading habit to cope up with the coming situation (i.e to save the children from cyber crime), perents, teachers should given the importance on reading habit of children for their overall development guide to Gurdain shoceld given proper guide to better use of Information communi-cation technology (ICT).

***

# কলেজীয়া জীৱনৰ মাধুৰ্য


শ্ৰীকৈলাশ শৰ্মা
স্নাতক তৃতীয় বৰ্ষ

ছাত্ৰ জীৱনৰ আটাইতকৈ মনোমোহা ৰঙে ৰসে উপচি পৰা মধুৰ স্বপ্নৰ আবেগেৰে ভৰ-পূৰ বৈচিত্ৰময় সময়ছোৱাই হৈছে কলেজীয়া জীৱন। কলেজীয়া জীৱন আনন্দোচ্ছল, মাধুৰ্যপূৰ্ণ আশা আকাংক্ষাৰ সোণালী ৰসৰ ৰঙেৰে ৰঙীণ ৰামধেনুৰ বিচিত্ৰতাৰে বৰ্ণালীময়। এই বিচিত্ৰ সময় ছোৱাই ডেকাক নতুন কৈ গঢ়াৰ নতুন নতুন সপোন ৰচনা কৰাৰ সময়। এনে এছোৱা সময়ৰ মধুৰ অবিস্মৰণীয় স্মৃতি মানৱ জীৱনৰ সমগ্ৰ কালছোৱাত হৈ ৰয় চিৰসেউজীয়া, ৰামধেনুৰ সাতোৰঙৰ দৰেই সৌন্দৰ্যময়। মুক্ত আকাশৰ তলত মুক্ত মন আৰু মুক্ত চিন্তা লৈ জীৱনৰ বাট পোহৰাই তোলাৰ প্ৰচেষ্টাত আগবঢ়াৰ সুন্দৰ পৰিবেশ কলেজত বিৰাজমান। নিজৰ প্ৰতিভা মুক্তভাৱে প্ৰকাশ কৰিবলৈ আৰু সেই প্ৰতিভাৰ বিকাশৰ বাবে সুন্দৰ সুযোগ পোৱা যায় কলেজত। স্কুলীয়া জীৱনৰ বাধ্য বাধকতা, কঠোৰ শাসনৰ বাঘজড়ী ৰঙা চকুৰ ভীতিগ্ৰস্ততা আদিৰ পৰা কলেজৰ পৰিৱেশ মুক্ত। কলেজীয়া জীৱনত ভৱিষ্যতৰ আশা আকাংক্ষা, কামনাৰ সোণালী পথ সন্মুখত থকাত আৰু সাধনাই জীৱনৰ লক্ষ্য হোৱাৰ বাবে স্বাভাৱিকতেই দায়িত্বশীলতা আহি পৰে। ভৱিষ্যতৰ কৃতকাৰ্য্যতাপূৰ্ণ, সুন্দৰ জীৱন গঢ়াৰ কৰ্মশালা কলেজসমূহৰ বিদ্যাৰ্থী সকলৰ সাধনাৰ একোখন মহান আশ্ৰম। এই মহান আশ্ৰমৰ বাকৰিত গঢ়ি উঠে ভৱিষ্যতৰ সম্ভৱনা ময় একোটা মহান জীৱন। এই পৱিত্ৰ মহান অনুষ্ঠানটিত প্ৰবেশ কৰিয়ে কেতিয়াবা বহুত বিদ্যাৰ্থীয়ে বিপৰ্যয়ৰ সন্মুখীন হয় ৰেগিং নামৰ মহামাৰীটোৰ কবলত পৰি। প্ৰকৃতপক্ষে ৰেগিং এটা ধেমালিহে। এজনে আনজনৰ লগত হোৱা চিনাকি পৰ্বই হৈছে ৰেগিং। আগতে ৰেগিংৰ নামত দুই এটা বিক্ষিপ্ত ঘটনা ঘটিছিল যদিও আজিকালি ৰেগিং নামৰ মহামাৰীটোৰ পৰা নৱাগত ছাত্ৰ-ছাত্ৰীসকলে আগৰ দৰে অসুবিধা নাপায়।

কলেজসমূহ হ'ল উচ্চ জ্ঞানৰ মন্দিৰ। উচ্চ শিক্ষাৰে শিক্ষিত উচ্চ অৰ্হতা সম্পন্ন অধ্যাপক সকলৰ উচ্চমানৰ শিক্ষাদান কাৰ্যই জ্ঞানৰ ভঁৰাল জ্যোতিৰ্ময় কৰি তোলে। সেই জ্যোতিৰ আলোকে বিদ্যাৰ্থীসকলক বিমোহিত কৰি তোলে। তেখেতসকলৰ উচ্চ জ্ঞানৰ পোহৰত আলোকিত হয় বিদ্যাৰ্থীসকলৰ জীৱনত। কলেজীয়া জীৱনৰ অভিজ্ঞতা বুলি ক'লে আৰু কেইটামান কথা মনলৈ আহে। কলেজৰ পুৰণি বিদ্যাৰ্থীসকলে নৱাগত সকলক আবেগ আৰু অনুভূতিৰে আগবঢ়াই নি আদৰণি জনোৱা অনুষ্ঠানটি মহামানৱৰ মহাসাগৰত মহামিলনৰ মনোৰম নিদৰ্শন। ভাৱৰ বিনিময়, মৰম, স্নেহৰ যোগেদি অচিনাকীৰ লগত চিনাকী হৈ আপোনজন বুলি চেনেহেৰে বুকুত সাৱটি লৈ পোহৰৰ বাটত প্ৰথম খোজ পেলোৱাৰ বীজমন্ত্ৰত নৱাগত সকলক দীক্ষিত কৰা এই অনুষ্ঠানটিক কলেজীয়া জীৱনৰ অন্যতম আকৰ্ষন বুলি অভিহিত কৰিব পাৰো। ইয়াৰ উপৰি আজৰি সময়ত বন্ধুবৰ্গৰ সৈতে পুথিভঁড়ালত বাতৰি কাকত চোৱা, দুই এখন আলোচনী পঢ়া কথা মনলৈ আহে। তাৰোপৰি কলেজৰ ভিতৰত থকা পুখুৰীটোৰ কথা মনলৈ আহে। এই পুখুৰীটোৰ পাৰত আজৰি সময়ত বন্ধু-বান্ধৱীৰ সৈতে সময় কটোৱা, প্ৰখৰ ৰ'দত গছৰ তলত বহি সময় কটোৱা কথাবোৰ মনলৈ আহে।

কলেজীয়া জীৱনৰ অভিজ্ঞাতা বুলি কলে দলেজৰ এক অংশৰ কথা মনলৈ আহে। কাৰণ কলেজৰ সৌন্দৰ্য্য আকৰ্ষণ আৰু অধিক মোহনীয়। বিভিন্ন অঞ্চলৰ বিভিন্ন জাতি ধৰ্ম সম্প্ৰদায়ৰ বিদ্যাৰ্থীৰ মিলনৰ ই এক মনোৰম ক্ষেত্ৰ। ভাতৃত্বৰ এনাজৰীৰে বান্ধখাই আৰু বিদ্যাৰ্থীসকলে গঢ়ি তোলে এখন সুন্দৰ সমাজ। ইয়াত ধনী-দুখীয়া, উচ্চ-নীচ, ধৰ্ম-সম্প্ৰদায়ৰ সংকীৰ্ণ বিচাৰ বিবেচনাৰ ঠাই নাই। ইয়াত ঠাই পায় উচ্চ ভাৱ, উচ্চ চিন্তা, উচ্চ আদৰ্শ আৰু মহান মানৱতাই। কলেজৰ প্ৰতিটো কোঠা, প্ৰতিটো চুক কোনৰ লগত বিদ্যাথৰ্ঈসকল জড়িত হৈ পৰে, অতি নিবিড়ভাৱে, পৰিণত হয় এখন সুন্দৰ মৰমৰ সৰ্বস্ব ঘৰলৈ। শিক্ষা জীৱনৰ আটাইতকৈ মনোৰম আৰু কল্পনাৰ সময়ছোৱাৰ সদব্যৱহাৰ আৰু জীৱনটোক সঠিক আৰু সত্য পথত পৰিচালনাৰ ওপৰতে আমাৰ সুন্দৰ ভৱিষ্যত জীৱন নিৰ্ভৰশীল। ☆

# গল্প কৰণি



"বিন্দুৰ মাজত সিন্ধুৰ প্ৰকাশেই চুটি গল্প।"

চুটি গল্প সম্পূৰ্ণ আধুনিক যুগৰ সৃষ্টি।

সাধুকথা আৰু আখ্যানৰ লগত ইয়াৰ কোনো সম্পৰ্ক নাই।

চুটি গল্প মানুহ আৰু সমাজক কেন্দ্ৰ কৰি গঢ়ি উঠে।

মানুহক এৰি গল্প কল্পনাৰ অতীত।

মেক্সিম গৰ্কীৰ মতে—

"মোৰ বাবে মানুহক চেৰাই কোনো কল্পনা নাই। মোৰ বাবে সকলো বস্তু আৰু ভাৱৰ স্ৰষ্ঠা হৈছে মানুহ।"

অসমীয়া গল্প সাহিত্যৰ জনক বুলি— সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাক কোৱা হয়।



# জোনাকত এন্ধাৰ

*শ্ৰীতিলক শৰ্মা*
স্নাতক দ্বিতীয় বৰ্ষ

ডেউকা ভগা পখীৰ কান্দোন কেতিয়াবা শুনিছানে? হয়তো শুনিছা, অনুভৱো কৰিছা তাৰ তীব্ৰ বেদনা। কিন্তু কাৰোবাৰ অন্তৰৰ মধুৰতম সপোনটি ভাঙি থান-বান হৈ যোৱাৰ পিছত হৃদয়ত থুপখাই থকা বেদনাক কেনেদৰে আতৰ কৰিবা।

হৰিপুৰ গাঁওৰ এটি সাধাৰণ পৰিয়ালত অমৰৰ জন্ম হৈছিল। সিহঁতৰ ঘৰখনত পৰিয়াল বুলিবলৈ তিনিটাই অমৰৰ একমাত্ৰ ভনীয়েক পাপৰি আৰু দেউতাক। অমৰ আৰু পাপৰিক মাকে দহ বছৰ আগতেই এৰি গৈছে। ঘৰুৱা কষ্ট আৰু আৰ্থিক অনাতন স্বত্বেও সি স্নাতক বৰ্ষত নামভৰ্ত্তী কৰিছিল। ঘৰৰ পৰা পোন্ধৰ কিলোমিটাৰ আঁতৰৰ সৰু চহৰখনৰ একমাত্ৰ কলেজখনতে সি পঢ়িছিল।

কলেজত সদায়ে অমৰৰ কিবা এটা উৎকণ্ঠাই লাগি ধৰিছিল। ছোৱালীৰ প্ৰতি অমৰৰ সদায়েই দুৰ্বলতা বেছি। সি কোনো ছোৱালীক আগতে মাতিব নোৱাৰিছিল আৰু এয়ে তাৰ ছোৱালীৰ প্ৰতি থকা দুৰ্বলতাৰ প্ৰধান কাৰণ।

কলেজত যাওঁতে হঠাৎ এদিন অনামিকাৰ লগত অমৰৰ চিনাকি হৈছিল। অনামিকা অতি ধুনীয়া ছোৱালী। তাইৰ মুখৰ উজ্বলতাই অধিক, তাতে আকৌ নাকৰ কাষেৰে থকা তিলটোৱে মুখখন পূৰ্ণিমাৰ জোনটোৰ নিচিনা কৰি পেলাই। সেইজনী অনামিকাক পাবলৈ কিমান যে ল'ৰাবিলাকৰ আশা। বহুতো ল'ৰাই কেৱল তাইকে পোৱাৰ আশা কৰিছিল। অমৰৰ বন্ধুমহলৰো অৰুপ, বিকাশহঁতৰ মুখত কেৱল তাইৰে নাম। পিছে তাই কাকো গুৰুত্ব নিদিয়ে। কিন্তু এদিন সকলোকে আচৰিত কৰি আগবাঢ়ি আহিছিল অমৰক ভাল পাবলৈ। তাই তাৰ বুকুৰ মৰম বিচাৰি ব্যাকুল হৈছিল। কিন্তু অমৰে প্ৰথমতে অনামিকাৰ প্ৰস্তাৱত সহাঁৰি দিয়া নাছিল। কাৰণ অমৰৰ আছে কি? অনামিকাক সুখত ৰাখিব পৰা সামৰ্থ তাৰ নাই। অনামিকাৰ দৰে এজনী ধনী ঘৰৰ ছোৱালীৰ সৈতে সমাজত ফেৰ মাৰিবলৈ তাৰ শকতি নাই। কিন্তু অনামিকাই বাৰে বাৰে তাৰ হৃদয়ত সোমাবলৈ কৰা চেষ্টাত প্ৰথমে সি আঁতৰি ফুৰিছিল যদিও তাইৰ সেমেকা চকুৰ চাৱনীয়ে সেই দুৰত্ব নিচেই কমাই আনিছিল। লাহে লাহে দুটি মন এটি বিন্দুত মিলিত হ'ল। অনামিকাৰ সান্নিধ্য নহলে এখন্তেকো থাকিব নোৱাৰা হ'ল অমৰ। দুয়োটাই পৰস্পৰৰ ওপৰত মান অভিমান কৰা হ'ল। এদিন মন্দিৰত প্ৰতিশ্ৰুতিবদ্ধ হ'ল কোনোৱে কাৰো পৰা আঁতৰি নোযোৱাৰ। এনেকৈয়ে অমৰ আৰু অনামিকাই স্বপ্ন আৰু প্ৰেমৰ কাৰেং নিৰ্মাণত ব্যস্ত হৈ পৰিল। কিন্তু সময় বৰ নিষ্ঠুৰ, ই কাৰো বাবে ৰৈ নাথাকে। এনেকৈয়ে বি. এ পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত অমৰৰ অধ্যয়নৰ গতি সিমানতে প্ৰায় ইতি পৰিল। এটি মটৰ দুৰ্ঘটনাত দেউতাকৰ সোঁহাত কাটি পেলাব লগা হোৱাত ঘৰখনৰ সকলো দায়িত্ব মুৰ পাতি লব লগা হ'ল অমৰে। চহৰৰ সৰু কোম্পানী এটাত সি সাধাৰণ কাম এটা পালে। কঠোৰ সংগ্ৰাম কৰিব লগা হৈছিল সি জীয়াই থকাৰ তাৰণাতে। তথাপিও কিন্তু অমৰে হৃদয়ৰ একোণত আলফুলে সযতনে আঁকি থৈছিল তাৰ মৰমৰ অনামিকাৰ ছবিখন। অনামিকাই তাৰ জীয়াই থকাৰ প্ৰেৰণা। প্ৰেৰণাৰো উৎস তায়েই। প্ৰায়ে সিহঁত লগ হয়, পাতে সুখ-দুখৰ কথা। তথাপিও যেন শেষ হোৱা নাই সিহঁতৰ মনৰ কথাৰ।

আজি বহু দিন অমৰে অনামিকাক লগ পোৱা নাই। অনামিকাই অমৰক লগ দিব নোৱাৰাৰ কোনো অজুহাত নহয়তো?? নানা প্ৰশ্ন দোলা দি গ'ল অমৰৰ মনত। নাই নাই অনামিকাক অমৰে ভালদৰে জানে। তাইৰ ওপৰত তাৰ সম্পূৰ্ণ বিশ্বাস আছে। কিন্তু অমৰৰ ভুল ভাঙিবলৈ বেছি সময় নালাগিল। যেতিয়াই বিকাশ আহি অমৰৰ হাতত এখন বহুমূলীয়া কাৰ্ড দিছিল, তেতিয়াই অমৰে ভাবিছিল যে এইখন নিশ্চয় অনামিকাৰ বিয়াৰ কাৰ্ড। কাৰ্ডৰ মাজৰ অকণমান বগা কাগজত অনামিকাই লিখিছিল—

"মৰমৰ অমৰ,

আশাকৰো তোমাৰ ভাল। এটি বিশেষ কাৰণত চিঠিখন লিখিলো। অহা মাহৰ ১২ তাৰিখে মোৰ বিয়া। অমৰ, আমাৰ মাজত যিহ'ল সেয়া ভয়ানক সপোন বুলি পাহৰি যোৱা। তোমাৰ সদায়ে ভাল হোৱাতো মই বিচাৰো। অমৰ মোক আশিৰ্বাদ কৰা যাতে মোৰ যুগ্ম জীৱন সুখী হয়। পাৰিলে মোক ক্ষমা কৰি দিবা, আৰু বিয়ালৈ আহিবা।

ইতি— অনামিকা

চিঠিখন পঢ়ি অমৰে চিঞৰি উঠিল। সি হিয়া উজাৰি কান্দিলে। অনামিকা আঁতৰি গ'ল অমৰৰ ওচৰৰ পৰা বৈ গ'ল বহুত স্মৃতি। অমৰৰ প্ৰেম সদায় অমৰ হৈয়ে ৰ'ল। কালধুমুহাই তাৰ প্ৰেমৰ কাৰেং ভাঙি থান-বান কৰিলে। তাৰ চাৰিওফালে দেখিলে কেৱল শূণ্য। মাথো তাৰ সন্মুখত পৰি থকা স্মৃতিৰ নিৰ্মম আঘাতৰ পৰা বাচি থাকিবলৈ আশ্ৰয় ল'লে মদৰ। মদ, মাথো মদ। দিনৰ পিছত দিন ধৰি মদ খাই যাব ধৰিলে। সি যেন আজি মৰা মানুহৰ জীয়া কংকাল। নিয়তিৰ কি নিষ্ঠুৰ পৰিহাস। চহৰৰ মাজ মজিয়াত শুনা গ'ল বিয়াৰ উৰুলি। আজি গজেন বৰুৱাৰ ছোৱালী অনামিকাৰ বিয়া আৰু একেখনি চহৰৰ পৰা কিছু নিলগত অৱস্থিত এখনি গাঁওত শুনা গৈছে ক্ৰন্দনৰ ৰোল। বগা বস্ত্ৰেৰে আবৰি ৰাখিছে অমৰৰ মৃত দেহ। তৃণ শয্যাত আজি অমৰৰ আশাবোৰ আছে নীৰৱে শুই, অনামিকালৈ জনাইছে অন্তৰ উজাৰি অন্তিম আশীৰ্বাদ। ★★

# এখন ভগ্ন হৃদয়

**শ্ৰদ্ধাৰ দেৱকান্ত বৰুৱাৰ পুৰ্ণস্মৃতিত—**

***শ্ৰীপ্ৰণৱজ্যোতি ডেকা***
স্নাতক দ্বিতীয় বৰ্ষ

মৰমৰ...........

এয়া বহু দিনৰ মূৰত লিখিবলৈ লৈছো। তোমালৈ।

সিদিনা মই তোমাৰ বিয়াৰ নিমন্ত্ৰণী পত্ৰ পালো। মই থমকি ৰৈছো আৰু ভাবিছো, এ গিতিশীল পৃথিৱীত ময়ে মাথো নিঠৰুৱা।

জানা, বিয়াৰ ৰাতি তোমাক কইনাৰ সাজত দেখিবলৈ বৰ ইচ্ছা আছিল, কিন্তু তুমিটো অইনৰ হ'লা। মই বাৰু কেনেকৈ সহ্য কৰিম যেতিয়া তুমি মালা পিন্ধাবা তোমাৰ জীৱন লগৰীক।

তোমাৰ লগৰীজন নিশ্চয় মোতকৈ বেছি ধুনীয়া নহয় জানো? সেই বাবে তুমি মোক এৰি গ'লা।

এহ! ময়ো যে কি বোৰ লিখিলো, বেয়া নাপাবা দেই।

হে মোৰ প্ৰেমৰ ৰাণী, তোমাৰ বাৰু আগৰ কথাবোৰ মনত আছেনে? দুয়ো যে সন্ধিয়া আইতজোপাৰ আৰত বহি ভৱিষ্যতৰ সপোন ৰচিছিলোঁ। তুমি চাগে পাহৰিলা, মই কিন্তু পাহৰা নাই দেই।

জানা, আজিৰ পৰা দুই তিনিদিন মোৰ বাৰু তোমাৰ মুখৰ ছবিটিয়ে কিয় বাৰে বাৰে ভুমুকি মাৰিছে? তেতিয়া মোৰ বৰ বেয়া লাগে। তেতিয়া মই কি কৰো জানা দুচকুৰে দুটোপাল চকুলোকে টুকো।

এক মিনিট ৰবা দেই? আজি কিন্তু বেছিকৈ চকুলো সৰিছে, ৰুমালখন তিতি গ'ল। তুমি দিয়া গামোছাখন বিচাৰো ৰবা।

হে মোৰ প্ৰেমৰ ৰাণী, তুমি বাৰু বিয়াৰ ৰাতি কাৰ কথা ভাবিছিলা, মোৰ নে তেওঁৰ?? আছলতে তেওঁ হেনো ডাহৰ চাকৰি কৰে আৰু মই? মই কোম্পানীতহে কাম কৰো। মোৰ আৰু তেওঁৰ কিমান যে প্ৰভেদ— কি কৰিবা, বি. এ. এম. এ পাচ কৰি কিমান যে ইন্টাৰভিউ দিলো। ইন্টাৰভিউ দি সঁচাই আমনি লাগিছে। তুমি বাৰু তোমাৰ জীৱন লগৰীক কবাছো মোৰ বিষয়ে।

আৰু নো কি লিখিম। বিশেষ নাই। পুনঃ তুমি যিদিনা ঘৰলৈ আহিবা মোক আগতিয়াকৈ জনাবাদেই। মই আইতজোপাৰ আঁৰতে তোমালৈ বৈ থাকিম।

ইতি—
তোমাৰ মৰমৰ
সোণ।।

# সৃষ্টিৰ পাতনি

শ্ৰীদীপক কুমাৰ
স্নাতক তৃতীয় বৰ্ষ

অস্তযোৱা বেলিটোলৈ চাই মণ্টুৰ কান্দিবৰ মন গৈছিল। পোৱা-নোপোৱাৰ বেদনাক লৈয়েই জীৱন। কিন্তু যেতিয়া কিবা এটা পায়ো নোপোৱাৰ বেদনাত ভুগিবৰগীয়া হয় তেতিয়াই মানুহৰ জীৱনৰ প্ৰতি মোহ নাইকীয়া হয়। মনটো বিদ্ৰোহী হৈ উঠে। ভিতৰৰ পৰা দৰ্জাখনৰ খিলিটো লগাই গোটেই দিনটো আজি সি ৰুমৰ ভিতৰতে সোমাই আছে। আজিও কলেজলৈ নগ'ল সি। আজি কেইবাদিনো ধৰি মণ্টুৱে কলেজলৈ যোৱা নাই। সি সিদ্ধান্ত ল'ব পৰা নাই কোনটো গ্ৰহণ কৰিব। সৃষ্টিয়ে তাক মিছা কোৱা নাইতো। নাই নাই সৃষ্টিয়ে তাক মিছা কথা কব নোৱাৰে। তাৰ সম্পূৰ্ণ বিশ্বাস আছে সৃষ্টিৰপ্ৰতি। বিশাল সাগৰৰ মাজত ঠিকনা বিহীন নাৱৰীয়াৰ দৰে হৈ পৰিছিল তাৰ জীৱন। তাৰ অলপ অলপ মনত পৰিছে সৃষ্টিয়ে কোৱা কথাবাৰ 'মুকলিমূৰীয়াকৈ জীৱনটোক এটা বেষ্টনীৰ মাজত আবদ্ধ কৰি জীৱনটো শেষ কৰি দিব নোৱাৰি মণ্টু। জীৱন মানেইটো কেৱল অহা-যোৱা এটা বাট নহয়।' সেইদিনাই যেন সৃষ্টিয়ে তাক ভিতৰি ভিতৰি কিবা সোমাই দিলে। সি এইবোৰ ভাবি থাকোতেই হঠাতে তাৰ মুখৰ পৰা ওলাই গৈছিল--শুনা সৃষ্টি, ময়ো মোৰ জীৱনৰ মূল্য দিব বিচাৰোঁ, জীয়াই থকাৰ আশা কৰোঁ। মই নিজে পংগু হ'বলৈ বিচৰা নাই সৃষ্টি, মোক পংগু কৰালে। জানা সৃষ্টি নৈখন সাঁতুৰি পাৰ হ'ব পৰা হ'লে নাও বৈঠাৰ প্ৰয়োজন নাছিল। সি টোপনিতে প্ৰলাপ বকি আছিল। সিফালৰ ৰুমটোৰ পৰা দেউতাকে মাতলগালে। মন ঐ মন (মণ্টুক দেউতাকে মন বুলি মাতিছিল)। মণ্টুৱে চকু মুখ মোহাৰি বিছনাৰ ওপৰতে বহি ল'লে। সি আচলতে সপোনতে কি বকি আছিল গমেই নাপালে। মানুহৰ মনটোতকৈ যৈন বেগী বস্তু আন একোৱেই নাই। দিনতে বাৰু কোনোৱাই সপোন দেখেনে? সি নিজে নিজে প্ৰশ্ন কৰিলে।

দৰ্জাখন খুলি বাহিৰলৈ ওলাই আহিল। পশ্চিম দিশত সূৰ্যটো ডুব যাও যাও। দেউতাকে তাক ওচৰলৈ মাতি নি ক'লে--মন তোৰ কি হৈছিল ঐ। আজিকালি যে তই মন মাৰি, ওৰে দিনটো শুই থাক। তই টোপনিত কোন সৃষ্টিৰ কথা কৈ আছিলি। মণ্টুৰ মনটো সুদূৰ আকাশলৈ উৰি গ'ল। সি বজ্ৰপাত পৰা মানুহটোৰদৰে ৰ লাগি দেউতাকৰ ফালে চাই থাকিল। ভিতৰি ভিতৰি ওৰে গাটো কঁপি উঠিল। দেউতাই মোৰ সকলোবোৰ কথা গম পালে নেকি? সি মুখুজা ভাও জুৰি কৈ উঠিল। নাই নাই একো হোৱা নাই। শুই শুই কিতাপ এখন পঢ়ি আছিলো। নীলয় ক'ত গ'ল দেউতা। সি কলেজৰ পৰা অহাই নাই নেকি? (নীলয় মজুমদাৰৰ সৰু পুতেক) আহিছে। এই বুলি দেউতাকে তাক ক'লে। দেউতা মই গাটো নদীত ধুই আহোঁগে দে । বৰ গৰম লাগিছে। চাবোনৰ কেচটো দিয়াচোন। হো, ল, এই বুলি দেউতাকে মণ্টুক গা-ধুবলৈ পঠালে।

সৃষ্টিৰ মাক নিৰলা বৰুৱা, এটা সম্ভ্ৰান্ত পৰিয়ালৰ কন্যা আছিল। পঢ়া-শুনাই নিৰলা সৰুৰেপৰা পটু আছিল। ৰূপে-লাৱণ্য বাগৰি যায়। তাইৰ ৰূপটোৱে যে চকুৰ কুটা দাতৰ শুল হিচাপে পৰি ৰ'ল। ৰাজীৱ গোস্বামীৰ একমাত্ৰ কন্যা। ঘৰখনত তাই অতিমৰমৰ ছোৱালী আছিল। তাইৰ প্ৰতিটো কথাই দেউতাকে সহজতে মান্তি হৈছিল। হাইস্কুলীয়া কালতে তাই ৰমেনক ভাল পাই গৈছিল। ৰাজীৱ গোস্বামীৰ পত্নী তথা নিৰলাৰ মাকো এগৰাকী শিক্ষয়িত্ৰী আছিল। মুঠতে ঘৰখন শিক্ষিত আছিল। তাইৰ হাইস্কুলীয়া শিক্ষান্ত পৰীক্ষা আহি পাইছিল। সেয়ে তাই অলপ পঢ়াত জোৰ দিছে। মাক-দেউতাকেও বহু আশা কৰিছিল তাইৰ পৰা। সেইমতে পৰীক্ষাৰ ফলাফলো ওলাল। সকলোৰে আশা পূৰণ কৰাৰ বাবে তাইৰ অপাৰ আনন্দ, লগতে মাক-দেউতাককো।

নিৰলাৰ দেউতাকে তাইক গাঁৱৰ ওচৰৰ কলেজত নাম ভৰ্তি কৰি নিদি গুৱাহাটীৰ কটন কলেজতে বিজ্ঞান শাখাত নাম লগাই দিলে। ঘৰৰ আত্মীয় সকলৰ পৰা আতঁৰত থাকি তাইৰ সঁচাকৈয়ে বৰ বেয়া লাগিছিল। তাই ওৰেদিনটো ৰুমত সোমাই কান্দি আছিল। পিছদিনাৰ পৰা তাই কলেজলৈ যাবলৈ আৰম্ভ কৰিলে। প্ৰথম দিনা তাইক ৰেগিংৰ সময়ত এজন ল'ৰাই তাইক বচাই আনিছিল। সেই জন ল'ৰাই দুজনীমান বান্ধৱীৰ সৈতে পিছদিনা তাইক লগ কৰিছিল। ল'ৰাজন দেখাত ৰামন্ত্ৰ দৰে আছিল যদিও ভিতৰখন লংকাপতিৰ দৰেহে। ল'ৰাজনৰ নাম আছিল হৰেন্দ্ৰ বৈশ্য। হৰেনে প্ৰথম দেখাৰেপৰা নিৰলাৰ প্ৰেমত বলীয়া

হৈ পৰিছিল। নিৰলাও তাৰ প্ৰেমক সমৰ্থন দিছিল। দুয়ো-দুয়োকে বস্তুত ভাল পাই। অতি কম দিনৰ ভিতৰতে দুয়ো-দুয়োকে প্ৰতিশ্ৰুতি দিব পৰা হ'ল। শিক্ষান্ত পৰীক্ষাত ৪ টা বিষয়ত লেটাৰ মাৰ্ক সহ ১ ম বিভাগত উত্তীৰ্ণ হোৱা নিৰলা উচ্চতৰ মাধ্যমিক পৰীক্ষাত ফেল মাৰিলে। ইয়াৰ অন্তৰালত থকা কাৰণটো হ'ল ক্লাছৰ সময়ত প্ৰেমৰ আদান-প্ৰাদন কৰাটো। তাই হৰেণক এটি মুহূৰ্তও নেদেখাকৈ থাকিব নোৱাৰে। হৰেণে সেইখন কলেজৰে স্নাতক ৩ য় বৰ্ষৰ ছাত্ৰ। পঢ়াত সিমান চোকা নহ'লেও এতিয়ালৈ ক'তো ব্ৰেক মৰা নাই।

এদিন নিৰলাৰ মাকে দেউতাকক কৈ থকা কথাবোৰ নিৰলাই শুনি আছিল। আমাৰতো মাজনীক বিয়া দিবই লাগিব। গ'তিকে উপযুক্ত ল'ৰা এজন চাই বিয়া দিয়াহে উচিত হ'ব। নিৰলাই খিড়িকীৰ ফাকেৰে কথাবোৰ শুনি পিছদিনা তাই হৰেনক ফোন কৰি কলে যে— মাক দেউতাকে তাইৰ কাৰণে ল'ৰা চোৱাৰ দিহা কৰিছে। গতিকে চুকৰ ভেকুলী হৈ থাকি লাভ নহ'ব। কিবা এটা কৰাহে ভাল হ'ব।

পিছদিনা তাই কোনোৱে শোৱা পাটি ত্যাগ নকৰোতেই ঘৰৰ পৰা ওলাই, হৰেণৰ ঘৰ অভিমুখে যাত্ৰা কৰিলে, হৰেনেও তাই অহালৈ অপেক্ষা কৰি আছিল। দুয়ো গুৱাহাটী অভিমুখে ৰাওনা হ'ল। কোনোমতে কম এটা ভাড়া লৈ সিহঁত দুয়ো সাংসাৰিক জীৱন আৰম্ভ কৰিলে। মাষ্টৰ-মাষ্টৰণীৰ জীয়েক আজি মৌজাদাৰৰ ল'ৰাৰ লগত সংসাৰত আবদ্ধ হ'ল। এবছৰ পিছত ল'ৰা সন্তান এটাৰ জন্ম হ'ল। নাম থলে ময়ুখ। ময়ুখ লাহে লাহে ডাঙৰ হৈ আহিল। পুনৰবাৰ নিৰলা গৰ্ভৱতী হ'ল। এনে এক সময়তে হৰেণৰ ডাঙৰ অসুখ হ'ল। সি দিনে দিনে শুকাই ক্ষীণাই যাবলৈ ধৰিলে। ডাক্টৰে পৰীক্ষা কৰি গম পালে যে.. তাৰ AIDS ৰ প্ৰভাৱ পৰিছে। হৰেণৰ এই ভাইৰাছ আচলতে নিৰলাৰ পৰাহে বিয়পিছে। তাই অলপ হাত ল'ৰ স্বভাৱৰ আছিল। AIDS ৰ নাম শুনিয়েই তাই এদিন অতি মনে মনে ময়ুখক দেউতাকৰ লগত টোপনিত এৰি গুচি গ'ল। তাইৰ অন্য এজন প্ৰেমীক আছিল ৰমেন। ৰমেনৰ লগত দ্বিতীয় সংখাৰ আগবঢ়ালে। ডালিমগুটিয়া দাতৰে, পাভ মাছৰ দৰে ওঠ দুটিয়ে তাইৰ মুখখন বৰ শুৱনি কৰি তুলিছিল। তাই হৰেণৰ ঘৰত থাকোঁতেই গৰ্ভৱতী আছিল। ৰমেনৰ ঘৰত ৭ মাহ সময় থাকোঁয়েই তাই এদিন কন্যা সন্তান এটিৰ জন্ম দিলে। নাম ৰাখিলে সৃষ্টি। এনেদৰে সিহঁতৰ সংখাৰ আগবাঢ়িল।

হৰেণৰ অসুখ দিনকদিনে বেছি হৈ গ'ল। গাঁৱৰ মানুহে তাক পুতেকৰ (ময়ুখ) সৈতে ওচৰৰে হস্পিতালত থৈ আহিল। হস্পিতালত দুদিন থাকিয়েই হৰেণ বৈকুণ্ঠ পুৰীলৈ গুচি গ'ল। কান্দি কান্দি বেচেৰা কণমানি ল'ৰাটোৱে চিঞৰি থাকিল। কণমানি ল'ৰাটোৰ কান্দোন দিলীপ মজুমদাৰ নামৰ মানুহজনৰ কাণত পৰিল। সি ধুনীয়া চেহেৰাৰে সৈতে ল'ৰাটোক দেখি আগবাঢ়ি গ'ল। আজি ৫ বছৰে সন্তানৰ মুখ নেদেখা মজুমদাৰে ল'ৰাজনক সুধিলে। ময়ুখে সকলো কথা ভাঙি পাতি ক'লে। কণমানি ল'ৰাজনৰ কথা শুনি মজুমদাৰৰ অন্তৰখন গলি গৈছিল। তেখেতে ময়ুখক ঘৰলৈ লৈ গৈছিল। মজুমদাৰৰ ঘৰ দৰঙৰ বুঢ়া নগৰ পুখুৰীৰ ওচৰতে। ঘৰত নি তাক ঘৈণীয়েকক গা-পা ধুই দিবলৈ ক'লে। গা-পা ধুই দুয়ো একেলগে ভাত খালে। ইমানদিনে পুত্ৰৰ আশাত বিয়াকুল হৈ থকা হৃদয়খনে কোনোমতে জীপাই উঠিল। অতি মৰমেৰে সিহঁতে তাক ডাঙৰ-দীঘল কৰিলে। সিহঁতে তাৰ নামটো ময়ুখৰ পৰিবৰ্তে মণ্টু মজুমদাৰ কৰি স্কুলত নাম লগাই দিলে। মণ্টু অতি কম দিনৰ ভিতৰতে পঢ়া-শুনাত আগবাঢ়ি গ'ল। মণ্টু অহাৰ ৪ বছৰমান পিছত সাবিত্ৰীৰ এটা পুত্ৰ সন্তান জন্ম হ'ল। দুটি পুত্ৰ সন্তানেৰে সৈতে ঘৰখন বৰ শুৱনি কৰি তুলিলে। এদিন-দুদিন কৰি ৰূপমো ডাঙৰ হৈ আহিল। ৰূপমেও মণ্টুৰ প্ৰতিটো কথাই মানি চলে। দুয়ো বন্ধুৰ দৰে একেলগে ঘুৰা-ফুৰা কৰে। মাক-দেউতাকেও দুয়োকে সমানে মৰম কৰে। কোনো মুহূৰ্ততে মণ্টুক সিহঁতে দুঃখ অনুভৱ কৰিবলৈ দিয়া নাছিল। সময় পাখি লগা কাঁড়ৰ দৰে। সময়ৰ লগে লগে সিহঁত খোজত-খোজ মিলাই চলিব জনা হ'ল। মণ্টুৱে বৰ মনোযোগেৰে অধ্যয়ণ কৰিবলৈ ধৰিলে। কিয়নো প্ৰৱেশিকা পৰীক্ষাত ইমান ভাল ৰিজাল্ট কৰা ল'ৰাজনে আগন্তুক ইঞ্জিনীয়াৰিং পৰীক্ষাত আৰু ভাল ফল দেখুৱাব লাগিব। ইতিমধ্যে মণ্টুৱে প্ৰৱেশিকা পৰীক্ষা পাছকৰি, ইঞ্জিনিয়াৰিং কোৰ্চত নাম ভৰ্তি কৰিছে। ৰূপমো পিচে পিচে আগবাঢ়ি গৈছে। সি এইবাৰ দশম শ্ৰেণীৰ ছাত্ৰ। পঢ়া-শুনাত সিও মণ্টুৰ সমানেই বুলি ক'ব পাৰি। মণ্টুৰ লগতে মাক দেউতাকেও তাৰ পৰা বহু আশা কৰিছে। ৰূপমৰ প্ৰতিটো অভাৱ মণ্টুৱে পূৰণ কৰি আহিছে। মুঠতে ঘৰখনত এটি সুখৰ পৰিৱেশ দেখা যায়।

ইফালে নিৰলাৰ জীয়ৰী সৃষ্টি এতিয়া সৰু হৈ থকা নাই। তাই খোজত-খোজ মিলাই চলিব পৰা হৈছে। দেখাত তাই নিৰলাৰ ৰূপতকৈ দুগুন। গাল দুখনৰ উজ্বলতা আছে যদিও প্ৰসাধন সামগ্ৰিকৰ অভাৱত দেখিলেই গম পাই। অতি মোহনীয় চেহেৰা, ককালখন খামুচীয়া, ওঁঠত মিচিকীয়া হাঁহি । চাল-চলনত গুৰু গম্ভীৰ। উন্নত মানৰ বস্ত্ৰ পৰিধান কৰিব নোৱাৰে যদিও অতি কম দামৰ বস্ত্ৰই তাইক শুৱনি কৰি তুলিছিল। তাই প্ৰৱেশিকা পৰীক্ষা পাছ কৰিছিল যদিও, ঘৰখনৰ অভাৱৰ বাবে উচ্চ শিক্ষা ল'ব

নোৱাৰিলে। তাইৰ বহুত আশা আছিল, নিজকলৈ। কিন্তু বিধিৰ বিধান কেতিয়াও নহয় খণ্ডন। তাইৰ মনটো বেয়া লাগিলে কেতিয়াবা ওচৰৰে পুখুৰীটোৰ পাৰলৈ যায়। পুখুৰীটোৰ চাৰিওটা পাৰ প্ৰায় ২০ ফুট ওখ। চাৰিওটা পাৰতে কেইবাটাও মন্দিৰ আছে মহাদেৱৰ। পুখুৰীটোৰ পানীত পদুম ফুলেৰে ভৰি আছিল। বিভিন্ন প্ৰজাতিৰ চৰাইবোৰৰ তাত মিলন হয়। হৃদয়ত সাচি ৰখা সপোনবোৰ সেই পুখুৰীতে প্ৰকাশ কৰে চৰাইবোৰে। তাই সেইবোৰ অনুভৱ কৰিবলৈয়ে সদায় সন্ধিয়া পুখুৰীটোৰ পাৰতে বহিবলৈ আহে। নিৰ্জন পৰিবেশত থাকি তাইৰ ভাল লাগে। ঘৰত যিহে মাকৰ স্বভাৱ। দিনত যে কিমান ল'ৰা সিহঁতৰ ঘৰলৈ আহে। যেন মাক সিহঁতৰ Employment officer হে। তাইৰ সহ্য হোৱা নাছিল। দেউতাকেও ইতিমধ্যে অলপ 'মদ' খাব পালে সকলো পাহৰি যায়। তাইৰ এই বঠাবিহীন নাওঁৰদৰে জীৱনটোৰ কথা ভাবি ভাবি কেতিয়াবা অকলশৰীয়া অনুভৱ কৰে। যেন তাইৰ হৃদয়ত কোনো এঠাইত খালী ঠাই আছে। তাই এনেদৰে জীৱন অতিবাহিত কৰা কাৰ্য্যটো এজন ল'ৰাই বহুদিনৰ পৰাই অনুভৱ কৰি আহিছে। সেই ল'ৰাজন হ'ল জ্ঞানী-গুণী মণ্টু মজুমদাৰ। সি হাইস্কুলীয়া কালৰে পৰা সৃষ্টিৰ হৃদয়ৰ কথাবোৰ জানিবলৈ আগ্ৰহী হৈ আছিল। কিন্তু সময়ৰ অভাৱত নাইবা সুধিবলৈ সুযোগ পোৱা নাছিল। সৃষ্টিয়েও তাক গোপনেই ভাল পাই আহিছিল। তাই প্ৰকাশ কৰিব পৰা নাছিল তাইৰ মনৰ কথা। কিয়নো তাই অতি দুখীয়া ঘৰৰ ছোৱালী। মাক-দেউতাকৰ কথাটো সকলোৱে জানে। গতিকে তায়ো অপেক্ষা কৰি আছিল মণ্টুৰ প্ৰেমক। হঠাতে এদিন মণ্টুৱে সৃষ্টিক সুধিছিল— তাইৰ জীৱন ফুলনিত ফুলৰ মৌ চুহিবলৈ কোনোবা ভোমোৰাৰ আগমন হৈছিল নে নাই। তাই বহু সময় নীৰৱে থাকি, তাৰ কাষৰ পৰা আঁতৰি গৈছিল। তাই উঠি যাওঁতে দেখিছিল সৃষ্টিৰ চকু চকুলোৰে উপচি পৰিছিল। পিছদিনা ৰবিবাৰ সদায় যোৱাৰ দৰে মণ্টুৱে পুখুৰীটোলৈ গৈছিল। দিনৰ দিনটো কোলাহলৰ মাজত থাকি অকণমান সময় নিৰলে কটাবলৈ পালে ভাল লাগে। সদায় যোৱাৰ দৰে সৃষ্টিয়েও তালৈ গৈছিল। মণ্টুক দেখা পায়ো নেদেখাৰ ভাও জুৰিছিল তাই।

"মোক দেখিয়ো নেদেখাৰ ভাও ধৰিছিলকিয়?

"আমনি পোৱা বুলি। হয়তো কাৰোবাৰ অপেক্ষাত থাকিব পৰা।"

"আপুনি কিন্তু বৰ অহংকাৰী।"

'নিজে কিন্তু বৰ জেদী।'

'বুজিছোঁ। অৱশ্যে তুমিও কম জেদী নহয় দেই।'

'আকাশৰ, বিশেষকৈ শৰত ঋতুত নিৰ্মল পোহৰ দিয়া গাভৰু জোনটোৰ দৰে।'

'আপুনি কবি মানুহ। আপোনাৰ কথাৰ অৰ্থ ধৰা বৰ টান।' (মণ্টুৱে মাজে মাজে কবিতাও লিখিছিল) 'অতি সহজ কথা। নীল আকাশৰ জোনটোক কবিয়ে প্ৰেয়সী ৰূপে কল্পনা কৰি কবিতা লিখে। 'গৰুৰ খোজৰ পানীখিনিকো সাগৰ হিচাপে হৈ কবিতা লিখে। জোনৰ দেশলৈ যোৱাৰ কল্পনা কৰে, কিন্তু কোনোদিনেই যোৱাৰ কথা নাভাবে। কিন্তু এটা কথা ঠিক যে মই আপোনাক শৰতৰ নীলা আকাশৰ জোনতকৈয়ো বেছি ভাল পাওঁ। সঁচা কথাটো কৈ দিয়াৰ বাবে বেয়া নাপাব।

মণ্টুৱে তলমূৰ কৰি কথা কৈ আছিল। মূৰতুলি দেখে যে তাৰ আগত সৃষ্টি নাই। তাই কোন পলকত বহাৰ পৰা উঠি গ'ল, মণ্টুৱে ক'বই নোৱাৰিলে। তাৰ নিজৰে হাঁহি উঠিল।

তাৰ পিছত বহুত দিনলৈ সৃষ্টিয়ে তাৰ ওচৰলৈ অহা নাছিল। মণ্টুৱে ভাবিও পাৰ পোৱা নাছিল। নাই নাই, সৃষ্টি, তুমি হেৰাই যাব নোৱাৰা। মই তোমাক কেতিয়াও কাৰো মাজলৈ যাবলৈ নিদিও। তুমি নাভাবিলেও মই সদায় তোমাৰেই হৈ থাকিম। বুজিছা সৃষ্টি মই প্ৰকৃততে তোমাক বহুত ভাল পাও। এইবোৰ ভাবি ভাবি সি ঘৰলৈ ৰাওণা হ'ল।

সিহঁত দুয়োৰে প্ৰেমৰ কথা মাক-দেউতাকৰ কাণত পৰিছিল। আনকি মণ্টুৰ দেউতাকৰো। সৃষ্টিৰ মাকে এদিন সৃষ্টিক সকলো কথা বুজাই কৈছিল আৰু মণ্টু তাইৰ প্ৰকৃত স্বামী হব নে নহয় সেইটোও কৈছিল। মাকৰ কথাবোৰ শুনি তাই চিঞৰি চিঞৰি কান্দিছিল। তাই মনটোক স্থিৰ কৰি ৰাখিবপৰা নাছিল। তাই নিজকে ধিক্কাৰ দিছিল। তাই কি কৰিব ভাবি পোৱা নাই। গুজৰি উঠা সিংহৰ দৰে তাই ডাঙৰকৈ চিঞৰি উঠিল মণ্টু। মাকে এই সকলোবোৰ সহ্য কৰি আছিল। তাই অনুভৱ কৰিছিল। হয়, তাইৰে ভুল। মানুহ আচলতে জীৱশ্ৰেষ্ঠ নহয়। ওৰে ৰাতি নিৰলাই সৃষ্টিৰ কথাকে ভাবি আছিল।

পিচদিনা ৰাতিপুৱা সৃষ্টি বিচনাৰ পৰা উঠা নাই। আনদিনাখন তাই কোনো শোৱাপাটি ত্যাগ নকৰোঁতেই এপাক ফুৰি আহে পুখুৰীৰ পাৰৰ পৰা। কিন্তু আজি কিয় ? মাকে তাইক বহুত মাতিলে। নাই তাইৰ মুখৰ মাত নাই। সঁচাকে কি হ'ল সৃষ্টিৰ। মাকে দেখে সৃষ্টিৰ ওৰে গা তেজেৰে বিয়পি পৰিছে। কিন্তু কেনেকৈ তাই চিঞৰি উঠিল। গাঁৱৰ সকলো মানুহ সিহঁতৰ ঘৰত সমাবেশ ঘটিল। সকলোৱে দেখিলে সৃষ্টি আৰু এই পৃথিৱীত নাই। তাইৰ মাকে তাইৰ ওপৰত মূৰ পেলাই চিঞৰি চিঞৰি কান্দি

আছিল। সিহঁতৰ চিঞৰৰ বাখৰ শুনি মণ্টু শীঘ্ৰে দৌৰি আহিল। সকলোৰে মুখত মাত বোল নাই কেৱল চকুলো। সি পোনে পোনে ঘৰৰ ভিতৰলৈ গ'ল। মাজ মজিয়াতে সৃষ্টিৰ মৃত দেহটো দেখি বজ্ৰপাত পৰা মানুহৰ দৰে একেথৰে থাকিল। হঠাৎ সৃষ্টিৰ কাষত সি এটুকুৰা কাগজ লক্ষ্য কৰিলে। সি কাগজ টুকুৰা বুটলি ল'লে। সি পঢ়ি গ'ল—

মৰমৰ মণ্টু দা...

মই মোৰ মনৰ, তথা জীৱনৰ কাহিনী আপোনাৰ আগত ক'বলৈ সময় নাপালো। আশা থাকিল আপুনি যেন মোক বেয়া নাপায়। আপোনাৰ হয়তো বিশ্বাস হয়নে নহয় মই নাজানো, কিন্তু এই সকলোবোৰ সঁচা ঘটনা। মোৰ মাৰ বিয়া হৈছিল হৰেন্দ্ৰ নামৰ ল'ৰা এজনৰ লগত। সিহঁতৰ অৱশ্যে প্ৰেম-বিবাহ আছিল। সিহঁতৰ সাংসাৰিক জীৱনৰ প্ৰথম চিন এটা ল'ৰা, নাম আছিল ময়ুখ। মা দ্বিতীয়বাৰ গৰ্ভৱতীৰ সময়ত মোৰ দেউতাৰ AIDS ৰোগ হোৱাত মা পলাই আহিছিল বৰ্তমান ঘৰখনলৈ। ইতিমধ্যে দেউতাৰ মৃত্যু হ'ল। মাঁ অতি সুখেৰে দ্বিতীয় বিবাহত আবদ্ধ হ'ল। সেই ময়ুখ নামৰ ল'ৰাটোৰ কি হ'ল পিচত গ'ম পাবা। দ্বিতীয় সংসাৰত মোৰ জন্ম হ'ল। মোৰ দেউতা দুজন হোৱা যেন লাগিল। ময়ুখক ওচৰৰে মজুমদাৰ নামৰ মানুহ এজনে লালন-পালন কৰি ডাঙৰ দীঘল কৰিলে। মজুমদাৰে তাৰ নামটো সলাই দিছিল। মণ্টু মজুমদাৰ তাৰ নাম ৰাখিছিল। সেইজন ল'ৰাই তুমি। এতিয়া তুমিয়েই কোৱাচোন দাদয়েকে ভনীয়েকক কেনেকৈ বিয়া কৰাব। মোক ভুল নুবুজিবা মণ্টু দা। পিছৰ জনমত পুনৰ আমি দেখা-দেখি হম। তুমি মোৰ কথা ভাবি ভৱিষ্যৎটো ধ্বংসৰ মুখলৈ নিনিবা। বাই...

ইতি—

তোমাৰ

সৃষ্টি।

চিঠিখন পঢ়ি পোনে পোনেই সি দেউতাকৰ ওচৰলৈ আহিছিল। আহিয়েই সি তাৰ জন্মৰ পৰিচয় সুধিছিল। দেউতাকে ক'ব খুজিও থমকি ৰৈ গৈছিল। দেউতা আপুনি ক'বই লাগিব মোৰ জন্মৰ কাহিনী।

শুন মণ্টু। আচলতে মই তোৰ পালনীয়া পিতৃ। তোৰ পিতৃ ইতিমধ্যে স্বৰ্গগামী হৈছে। তোৰ মা হ'ল সৃষ্টিৰ মাক নিৰলা। তই মোক ভুল নুবুজিবি। আচলতে তোক ক'ব খুজিও, তই দুখ পাবি বুলি মই গোপন কথা অৰ্থাৎ সৃষ্টিৰ পাতনি দিয়া নাছিলো। আচলতে হুলেৰেহে হুল উলিয়াব পাৰি। তই বুজিলিনে? মই তোৰ পৰা বহুত আশা কৰিছিলো মণ্টু। আৰু শুন ময়েই তোৰ নামটো ময়ুখৰ পৰিবৰ্তে মণ্টু কৰি দিছিলো।

দেউতা, আৰু নকব। এই বুলি মণ্টু চিঞৰি উঠিল। চিঞৰি উঠিয়ে তাৰ মাতবোল নাই। মাটিত বাগৰি পৰিল সি। মাক-দেউতাকে চকু-মুখে পানী মাৰিলে। মণ্টু কি হ'ল এবাৰ মাত তই দেউতা বুলি। মই কৈছো মণ্টু, তোৰ দেউতাৰাই কৈছে। নাই তাৰ মাতবোল নাই। মাত্ৰ সি ক'লে— দেউতা মই আপোনালোকক সুখ দিব নোৱাৰিলো। সি চকুদুটা মুদি শুই থাকিল। ★★★

## কৌতুক

শিক্ষক : ঐ মধু গৰুৱে কি খায়?

মধু : ছাৰ গৰুৱে গাখীৰ খায়।

শিক্ষক : ঐ গৰু, গৰুৱে গাখীৰ খোৱা ক'ত দেখিলি?

মধু : ছাৰ আজি মই স্কুললৈ আহোতে দেখিলো, আমাৰ গোহালিত পোৱালিটোৱে মাকৰ গাখীৰ খাই আছে।

পতি : তুমি আজি কালি গান গাব এৰিলা কিয়?

পত্নী : ডিঙিটোৰ কাৰণে।

পতি : কিয় ডিঙিত কিবা হৈছে নেকি?

পত্নী : নহয়হে, ওচৰৰ মানুহে গান গালে ডিঙি চেপি মাৰিম বুলি কৈছে।

শ্ৰীকৃষামণি ডেকা
স্নাতক তৃতীয় বৰ্ষ

# প্ৰতিধ্বনি

*শ্ৰীসৰোজ কুমাৰ ভট্টাচাৰ্য্য*
স্নাতক তৃতীয় বৰ্ষ

কি হ'ল অ' হৰেন, মুখখন দেখোন নেওঁটাৰ পাঁচটোৰ দৰে কৰি থৈছ? আগত সেইখন কি, লজিক?

—'বুজিছ বিমল, সকলো সকময়তে ধেমালি নহয়। বহ এয়া চা লজিকৰ ভিতৰত এইবিলাক কি?

—'কি আৰু হ'ব, অংক, মেথামেথিক্স।'

'তেনেহলে এইখন তালুকি-ভালুকিৰ কি প্ৰয়োজন আছিল—

ওপৰত চেনি আৰু তলত কুইনাইন?'

'চেনি মিঠা পাবৰ কাৰণে আৰু কুইনাইন তিতা পাবৰ কাৰণে।'

—বিমসে কৈয়ে বহি পৰিল।

'কোনো নতুন কথা নহল।'

'পৃথিৱীত কোনেও নতুন একো কোৱা নাই, নতুন একো কৰা নাই।'...

'..বুজিছ অন্তৰখন তিতাৰে চপচপীয়া হৈ গৈছে।' হৰেনে যেন কুইনাইনহে চোবালে!! 'আই এ ফেল কৰিম যেন লাগিছে' —'সীতাই কি বিছাৰিছিল জান? জন্মে জন্মে ৰামৰ স্বামীত্ব, কিন্তু বিবাহ বাদ দি। আমিও কলেজীয়া জীৱন বিচাৰো জন্মে জন্মে কিন্তু পৰীক্ষাটো বাদ দি।'

'তই হঁহুৱালি, বিমল, পৰীক্ষা নহলে 'পাছ' হবি কেনেকৈ?

'অলপ ভুল হৈ গ'ল— ক ফেল হবি কেনেকৈ!! পৰীক্ষা আছে দেখিহে 'ফেল' বোলা বস্তু এটা আছে!'

'ইহ, 'পাছ' বিলাক ওপৰৰ পৰা আহি পৰে!'

'নহয় চুৰি কৰিব পাৰিলেই 'পাছ' হয়।'

'তই ভাল লৰাবিলাকক অপমান কৰিছ।'

'অন্ততঃ তোক কৰা নাই। বাৰু তয়ে কচোন, পঢ়ি চকুত টেংকৰ সৃষ্টি কৰিছ, গালৰ হনুৰে 'পিৰামিড' সাজিছ— অথচ 'ফেলৰ স্বপ্ন দেখিছ। তেনেহলে পৰীক্ষাই ইয়াৰ কাৰণ নহলনে...?

'বাৰু তোৰ যুক্তি তৰ্ক থ, পৰীক্ষাৰ বাবে সাজু হৈছ নে নাই?

'পৰীক্ষা'— বিমলে মিচিকিয়াই হাঁহিলে— 'বাৰু কচোন পঢ়া, শিক্ষা, পৰীক্ষা এইবোৰৰ অৰ্থ কি? 'জ্ঞান লাভ, নিজৰ উন্নতি, দেশৰ উন্নতি, মানৱৰ উন্নতি।'

'কৰ পৰা মুখস্থ মাতিলি?'

'মুখস্থ নহয় আচল কথাই।'

'বাৰু তোৰ কথাই বাহাল। তেনেহলে তোৰ জ্ঞানৰ পৰিধি নিৰ্ণয় হ'ব' 'পেপাৰৰ ওপৰৰ নম্বৰকিটাত? এই হ'ল প্ৰথম। দ্বিতীয়তে নিজৰ উন্নতি অৰ্থাৎ সহজ ভাষাত ভাল চাকৰি, 'বিল্ডিং', 'ৰোলছ ৰইছ'! তৃতীয়তে হ'ল দেশৰ উন্নতি! তাৰ পিচত আটাইতকৈ শেষত হ'ল কি— 'মানৱৰ উন্নতি— অৰ্থাৎ 'এটম বোমা? —বিমলে হাঁহিলে।

'এটম বোমাটোও মানুহৰে দান। মানুহৰ শক্তিৰ চৰম নিদৰ্শন।'

'চূড়ান্ত শক্তিৰ নিদৰ্শন। যেনে— নাগাছাকি, হিৰোছিমা?

'আমাৰ জীৱন সংগ্ৰাম আছেই— পৃথিৱীত প্ৰত্যেক প্ৰাণীয়ে জীৱন সংগ্ৰামত লিপ্ত।'

'আন প্ৰাণীৰ সংগ্ৰাম ক্ষমতাৰ কাৰণে existence (অস্তিত্ব)ৰ কাৰণে? বাৰু তয়ে অথনি কলি নহয় মই একো নতুন কথা কোৱা নাই বুলি। তেন্তে তোৰ এটম বোমাটোনো কি নতুন কথা হ'ল? মানুহ মৰেই— পুৰণা সত্য এটম বোমায়ো তাকেহে কৰে তেও।

'হ'লেও মানুহ শ্ৰেষ্ঠ জীৱ।'

'শ্ৰেষ্ঠ জীৱই ইতৰ প্ৰাণীৰ জীৱন সংগ্ৰামৰ তুলনা দিয়ে কিয়? অৰ্থাৎ মানুহে কব পাৰিছে যে 'শ্ৰেষ্ঠ জীৱ'। ইতৰ প্ৰাণীয়ে কব— লিখিব জনাহলে মানুহৰ কিছুমান কামক— যাক পাশৱিক আখ্যা দিয়া হয় বা দিওঁ— 'মানুহক আখ্যা দিলে হয়।'

'মানুহৰ জন্মৰ দিন ধৰি যুঁজ-বাগৰ চলি আহিছে।

'তয়ে কব দেখোন, মানুহ দিনে দিনে সভ্যতাৰ জখলাত উঠি আহিছে। তইঁতৰ কুৰি শতিকাৰ মানুহ বোলে সভ্যতাৰ চূড়ান্ত শিখৰত।'

'মানে— মানে... ইয়ে'

'বাৰু এই যে আমি পঢ়িছো আগৰ অসভ্য যুগৰ মানুহেই লিখি যোৱা বিজ্ঞান, দৰ্শন, কাব্যবোৰহে! তাকে পঢ়িছো, অৰ্থ কৰিছো— টোকা লিখিছো, ৰিছাৰ্চ কৰিছো— থেছিছ লিখিছো— উপাধি লৈছো...'

'বুজিছ বিমল, তোৰ কথা শুনিলে মৰিব লাগিব। তই খালি লোকক সমালোচনা কৰাত, কাটিং মৰাতে থাক।'

'হয় নেকি? বিমলে হাঁহিলে।'

'তই ভাল লৰাবিলাকক গালি পাৰ আৰু ভিতৰে ভিতৰে ভাল ল'ৰা হ'বলৈ চেষ্টাও কৰা।'

'কেনেকুৱা ভাল লৰা— প্ৰথম মানৱৰ শিশু সাহিত্যৰ যি ল'ৰাই শুনে সদা শিক্ষকৰ বাণী, যাৰ বাক্যে সন্তোষিত জনক জননীৰ দৰে নেকি'?

'তই মুখেৰে কৰ এটা কামত কৰ এটা। তোক চিনিব নোৱাৰি বহুৰূপী।'

'বাৰু কচোন তোৰ সভ্য মানুহকনো কেনেকৈ চিনিব পাৰি? যি এটা মানুহৰ বুকুত সংগীক সুমুৱাই আহি ঘৰত আন এটাক সাবটি ধৰেহি? যত মানুহক মাৰিলে ফাঁচী হয় অথচ এটম বোমাৰে লাখ লাখ মাৰি সন্মান আৰু পুৰস্কাৰ হে পায়।'

'তই মানুহটো কিবা হৈ গৈছ অ' দিনে দিনে। তোৰ কথাবোৰ কিবা আওপকীয়া।' 'এতিয়া খেল মাৰিয়ে থাকিবিনে? ফুৰিবলৈ নাযাব?

'ও নিশ্চয়, ৰ মই ছার্টটো পিন্ধো। কোনোবা এডোখৰ নির্জন ঠাইলৈ যাব লাগিব।'

'দুৰ পাগল। পৃথিৱীৰ জনতাৰ মাজত নির্জনতাৰ ঠাই নাই। য'ত ব্যস্ততা আছে সংগ্রাম আছে তালৈ ব'ল। হৰেনেই প্ৰথমেই নিস্তব্ধতা ভংগ কৰিলে। 'বুজিছ বিমল, তোৰ কথাবিলাক মই মনে মনে ভাবো। কেতিয়াবা সন্ন্যাসী, হ'বৰ মন যায়। জীৱনৰ ওপৰত বিৰক্তি ওপজে....।' 'কাপুৰুষ, ইয়াৰ মাজেদিয়ে আমি যাব লাগিব। ত্যাগ, সন্ন্যাস, ক্ষমা আদি কিছুমান শব্দ এৰিবলৈ চা।

'আঁ কৰ কি?

'কাৰণ ত্যাগ ভোগীৰ কাৰণেহে। আমিটো ভোগী নহওঁ। ক্ষমাও বলীৰহে ভূষণ। তোক মোক বলী এটাই ঘোচা এটা মাৰিলে ক্ষমা নকৰি কৰিবি কি? আৰু চা ভাৰতে ইমান দিনে সকলোকে অহিংসা সত্যৰ বাণী শুনালে। মোৰ বোধেৰে এই একচেটিয়াত্বটো এৰি আনকো সুবিধা দিয়া ভাল।

'তই বোলে কংগ্ৰেছী সত্যৰ সেৱক। তোৰ মুখত এনে কথা কিয়?

'ৰচোন, তোকহে কৈছো— বৰকৈ বৌজাল-বৌজাল নকৰিবি। চাচোন আজি ভাৰতৰ মানুহে খাইছে কি? ভাৰতৰ ছাত্ৰৰ যি দেশত 'পঢ়ে পঢ়ুৱায় বোৱে পান ই তিনি নিচিন্তে আন'— এন বাণীৰ উদ্ভৱ হৈছিল— সিহঁতৰ অৱস্থা কি? ৰাছিয়াৰ, ইংলেণ্ডৰ ছাত্ৰৰ লগত ৰিজাই চা'।

'বিমল এই ঘৰটো চা— কালিৰ ধুমুহাৰ কীর্তি। ঘৰটো হালি গৈছে।'

'ঘৰটোলৈনে তাত থকা মানুহকিটালৈ।'

'তাকেতো কৈছো— চাচোন কিমান কষ্ট হৈছে।'

'তোৰ কবি প্ৰাণ বিচলিত হৈছে দেখিছো। চা সেই বিলাক জীৱন কবিতা নহয় বা গানো নহয়। আৰু সন্মুখৰ বিল্ডিংটো চা- ধুমুহা-বৰষুণে বেছি ধুনীয়া কৰি দি গৈছে।'

একেখন চাইকেলত দুজন লৰা উঠি সিহঁতৰ কাষেদি গ'ল।

'কোন অ' হৰেন, চিনিলিনে?'

এটা হিন্দুস্থানৰ এটা পাকিস্থানৰ।' 'সেই দুখন কেতিয়া এক হ'ল অ'। 'তই নাজান, শুন, এটা ৰায়বাহাদুৰৰ ল'ৰা, এটা খান বাহাদুৰৰ ল'ৰা।

'হিন্দুস্থান-পাকিস্থানৰ বিষয়ে তোৰ মত কি বিমল? মোৰ বোধেৰে আমাৰ সুকীয়া সমস্যা আছে। আমাৰ ভাষা-সাহিত্য, ব্যৱসায়, বাণিজ্য সকলোৰে শোচনীয় অৱস্থা। আমি অসমীয়া হিচাপেহে বেছিকৈ ভাবি লাগে।

ফাৰ্ষ্টক্লাছ এখনে চেৰেকনি মাৰি সিহঁতৰ কাষেদি গ'ল।

'মটৰত যোৱাজন চিনিলিনে হৰেন? 'কিয় কলিতা নহয়, চাহ বাগানৰ মালিক?

'অ তেন্তে অসমীয়া মানুহ?'

'কলিতা অসমীয়া নহয়নো কি?'

'বাৰু সৌ মগনীয়া বুঢ়ীজনীক চিনি পাৱনে?'

'প্ৰায়ে লগ পাও'

'কি মানুহ জাননে'?

'অসমীয়া মানুহ'

'ও— লেখিবি অ' কবিতা এটা'

'যাঃ তই খালী ঠাট্টাহে ক'ৰ।'

'অ' এৰা, ধুনীয়া গাভৰু, ৰাঙলী গোলাপ, লুইতৰ নাৱৰীয়া এইবিলাকেহে হ'বলা তহঁতৰ কবিতাৰ মছলা।'

'তোৰনো ইমান ঈৰ্ষা কিয়? ডেকাকালত সেইবিলাকেহে ভাল লাগে। তই বৰ বাস্তৱবাদী হলি অ', অন্তত কবিতাৰ এটামানো জাৰ্ম নাইনে?

'কবিতাত জাৰ্ম বেমাৰ আঘাতত মৰি গ'ল।'

'কিন্তু যিটো চিৰন্তন....।

'সি সদায়ে চিৰন্তন। গতিকে তাৰ বাবে ভাবিব লগাও কম। কিন্তু যিবিলাক আজিৰ সমস্যা সি চিৰন্তন। নহয়— নতুন। গতিকেই ভাবিবলগা বেছি।'

'তই অকলে অকলে এইবিলাকহে ভাবি থাকনে কি অ'? হাঁহ, গা, নাচ ফুর্তি কৰ— যাৱজ্জীবেৎ সুখংজীৱেৎ' 'দেখা নাই, ভাৰতৰ শ্ৰেষ্ঠ মনীষাৰ অপব্যৱহাৰ হৈছে। কিহৰ কাৰণে? কিহৰ কাৰণে আমাৰ ভবিষ্যৎবোৰে চাৰি দেৱালৰ মাজত আবদ্ধ?

সন্ধিয়াৰ ছায়াই সিহঁতক ঢাকি ধৰিলে।

বিমলে যেন বহুত আতঁৰৰ পৰাহে কথা পাতিছে।

'বিমল'.... সি মাতিছে।

'ও... মাতটো তাৰ ভগা।

'ব'ল'..... ★ ★ ★



# হংসদেউৰ প্ৰেতাত্মা

*শ্ৰীনৰজিৎ দাস*
প্ৰাক্তন উপ-সভাপতি

বোপা-ককাই কোৱামতে, শিলাজুৰি অঞ্চলত ডাইনী লম্ভি একেটা বছৰতে বহুতো মানুহৰ মৃত্যু হৈছিল। মৃত্যুৰ আগতে হাইজা, কলেৰা, পাণ্ডুৰোগে দেখা দিছিল। একোখন ঘৰ, একোটা চুবুৰী উছন হৈ গৈছিল। শিলাজুৰি অঞ্চলৰ অৱস্থাপন্ন মানুহৰ ভিতৰত হংসদেউ ভৰদ্বাজো আছিল এজন। সেই সময়ত হংসদেৱ ভৰদ্বাজৰ পৰিয়ালটো বেমাৰত আক্ৰান্ত হৈ হংসদেৱৰ বাহিৰে পৰিয়ালৰ আটাইবোৰ সদস্যৰ মৃত্যু হৈছিল। হংসদেৱ ভৰদ্বাজ হেনো ডাইনী, বীৰা আদিত বিশ্বাসী নাছিল। সেইগুনে তেওঁ দূৰৈৰ বিজ্ঞজনৰ লগত কথা পাতি পতিয়ন গৈছিল যে অঞ্চলটোত বিভিন্ন বেমাৰৰ চুতা লাগি বহু লোকে প্ৰাণ হেৰুৱাৰ কাৰণ খোৱা পানীটুপি– ডাইনী, বীৰা নহয়।

হংসদেৱ ভৰদ্বাজে মন থিৰাং কৰিছিল। তেওঁ আৰু ইয়াত নাথাকে। মাটি-বাৰী সমস্ত বিক্ৰী কৰি দিছিল। মাথোঁ গাঁৱৰ সন্মুখৰ বহল পথাৰখনৰ মাজতে দুবিঘা মাটিত জমা থকা সমস্ত টকা কড়ি খৰচ কৰি এটা পুখুৰী খন্দাইদিছিল। তেওঁৰ ইচ্ছা আছিল-- এই মুকলি পথাৰৰ পুখুৰীটোৰ পানী বিশুদ্ধ হৈ থাকক আৰু ৰাইজে ইয়াৰ পৰাই খোৱা পানীটুপি সংগ্ৰহ কৰক। এনে ইচ্ছা প্ৰকাশ কৰিয়েই হংসদেৱ ভৰদ্বাজ এদিন শুদা মানুহজন শিলাজুৰি অঞ্চলৰ পৰা ওলাই গৈছিল। বাটতে দুই একে সোধোতে হেনো কৈছিলো-- "তীৰ্থ ভ্ৰমনলৈ ওলাইছো"। হংসদেৱ ভৰদ্বাজ আৰু ঘূৰি নাহিল। নিজে খন্দা পুখুৰীৰ পানী খাবলৈ তেওঁ আৰু কোনোদিনে ঘূৰি নাহিল। পানী খোৱা পুখুৰী খান্দি দিয়াটো সেইসময়ৰ মানুহে পুণ্য অৰ্জন কৰা বুলি গণ্য কৰিছিল।

শিলাজুৰি অঞ্চলৰ গাঁওবোৰত পুখুৰীয়ে নাছিল, তেনে নহয়। মানুহৰ ঘৰে ঘৰে বাৰীৰ পিছফালে পানী খোৱা খাল বা সৰু পুখুৰী আছিল। কিন্তু সেইবোৰ পুখুৰীৰ পানী আছিল লেতেৰা। গছ-গছনীৰ মাজত থকা পুখুৰী। ৰ'দ নপৰা। গা-ধোৱা, কাপোৰ ধোৱা আদি কাম পুখুৰীবোৰৰ পাৰতে হৈছিল। গছৰ ডাল-পাত পৰি পচি থাকে। পথাৰৰ, বাৰীৰ পচা আবৰ্জনাবোৰ বৰষুণৰ পানীয়ে উটুৱাই আনি পুখুৰীবোৰত পেলায়। মানুহবোৰে খেতি পথাৰত হাড়ভঙা পৰিশ্ৰম কৰে মাথোন খাবলৈকে। স্বাস্থ্য ভাগি নপৰালৈকে তেওঁলোকে স্বাস্থ্যৰ যত্ন নলয়। এসোপা খালেই নহব, খোৱাখিনি স্বাস্থ্যৰ কিমান উপকাৰী তাকো চোৱাৰ দৰকাৰ। নাচায় সেইবাবে প্ৰতিঘৰতে মানুহ বেমাৰত পৰে। বেমাৰ ভাল হ'বলৈ কীৰ্তন ঘৰত নাট মেলে। মন্দিৰত কালী পূজা পাতে। মছজিদত তিনিবেলাই নামাজ আদায় দিয়ে। কিন্তু সকলো ধৰ্মই যে মানুহক সু-স্বাস্থ্যৰ অধিকাৰী হোৱাৰ ইংগিত দি থৈছে তাক হ'লে পাহৰি থাকে।

এতয়া মুকলি ঠাইত ডাঙৰ পুখুৰী এটা খন্দা বাবে শিলাজুৰি অঞ্চলৰ মানুহে ভালেই পালে। তাত মাছ-পুঠিও জীয়ন দিলে। পানীত মাছ থাকিলেহে পানী বিশুদ্ধ হয় বুলি মানুহৰ বিশ্বাস। ৰাতিপুৱা আবেলি গাঁৱৰ তিৰোতাসৱে পিতলৰ গাগৰি লৈ খোৱা পানী নিবলৈ আহে। পানী নিবলৈ অহাতো একপ্ৰাকাৰ সৰু সুৱা উৎসৱ। তেওঁলোকে পানী নিবলৈ আহোতে লগালগি হয় আৰু সাতভাৰস্তৰ কথা ওলায়। সুখ-দুখ আনন্দ-বিষাদ বোৱাৰী-জীয়ৰীহঁতে ইয়াতেই মন খুলি প্ৰকাশ কৰে।

এইটো অঞ্চলৰ প্ৰতি চৰকাৰৰ যে চকু পৰা নাছিল তেনে নহয়। চৰকাৰে পৰিস্কাৰ খোৱা পানী যোগান ধৰাৰ নামত পানী বিতৰণ কৰা মেচিন বহুৱাবলৈ পকী ঘৰ এটা সাজিছিল। পিচে, বিজুলীৰ যোগান নাই। মেচিন বহুওৱা নহল। গতিকে ৰাইজে বিশুদ্ধ পানী খোৱা দূৰৈৰ কথা, বিশুদ্ধ পানী কেনেকুৱা চাবলৈকে নহল। সেইবোৰ নিৰ্বাচনৰ আগত ভোট সংগ্ৰহ কৰাৰ ফন্দী। এতিয়া পকী ঘৰটোত তুপৰী লতা বগাইছে। ভেটীত বিহঁঢেকীয়া। চকীদাৰজনে মাহেকৰ মুৰত দৰমহা নাপায় বাবে অইন কিবা কামত লাগিছে।

এনে এক পৰিস্থিতিত শিলাজুৰি অঞ্চলৰ বিশুদ্ধ খোৱা পানী পথাৰত থকা পুখুৰীটো। হংসদেউৰ পুখুৰী। মাটি দান দি পুখুৰী খন্দোৱা হংসদেৱে পুখুৰীৰ পাৰত গছ নুৰুবলৈ, শৌচ-প্ৰস্ৰাৱ নকৰিবলৈ আৰু গা-ধোৱা, কাপোৰ ধোৱা নিষেধ কৰি ফলক এখনো লগাই থৈছিল। পানী পৰিস্কাৰ হৈ থাকিবলৈ নিজ হাতে মাছো জীয়ন দিছিল। পিচে কি হ'ব? মানুহৰ স্বভাৱহে। পুখুৰীটোৰ পাৰতে শৌচ-প্ৰস্ৰাৱকে ধৰি গা-ধোৱা, কাপোৰ ধোৱা

আদি কোনো কাম বাদ নপৰিল। নিশা হ'লে চুৰকৈ মাছ মৰাও সংঘৰ ল'ৰা-ছোৱালীহতে গম পালে। কিন্তু বাধা দিব কাক? হাক দিলেও নুশুনে। গালি-গালাজ পাৰিবলৈকো সেইবোৰ মানুহ কোন? ল'ৰা-ছোৱালীহঁতৰে মাক-দেউতাক, খুৰাক, পেহাক আদিহে সকলো দেখোন শিলাজুৰি অঞ্চলৰ শ্ৰদ্ধেয় ব্যক্তি। সংঘৰ ল'ৰা-ছোৱালীবোৰে বাধা দিলেই সিহঁতক ওলোটাই ধৰে— তহঁতৰ আন কাম বন নাই? পঢ়া-শুনা কৰা ল'ৰা-ছোৱালী পঢ়া-শুনা কৰি থাকগৈ। পঢ়ে পঢ়ুৱায় বোৱে পান, ই তিনি নিশ্চিন্তে আন।' নহয় খুৰা ! তেনে প্ৰবচন এতিয়া নেছেলে।' 'ই তিনিয়ে' আন কথাও চিন্তা কৰিবৰ দিন আহিছে।' বিমলে কথাষাৰ কৈ বিমৰ্ষ মনেৰে কান-সমনীয়া জগদীশৰ কাষ চাপিল।

ডাঙৰে সৰুৰ কথা নমনা আমাৰ সমাজ। ইয়াত ডাঙৰক বুজাবলৈ যোৱা মানে নিজে দুষ্ট ল'ৰা, বেয়ালৰা হোৱা। গাঁৱৰ বুঢ়া-মেথাৰ বিৰুদ্ধে যুঁজ দিয়া সহজ নহয়। —জগদীশে ক'লে। এদিনাখন সন্ধিয়া নৱযুৱক সংঘৰ আটাইবোৰ সদস্য-সদস্যা মিলিত হ'ল। সিহঁতৰ এটাই চিন্তা পানী খোৱা বৰপুখুৰীটো কেনেদৰে প্ৰদূষণমুক্ত কৰি ৰাখিব পাৰি। কেইজনমান সদস্যইটো হংসদেউৰ বৰপুখুৰীটোৰ কথা বাদেই দিলে। 'ঘৰে ঘৰে এণ্ডাৰ বালিৰে পানী শোধন যন্ত্ৰ তৈয়াৰ কৰি লৈছে, গতিকে ভয় কিহৰ ? বিপুলে আজাদৰ কথাখিনি মানি নললে। সি ওলোটাই ধৰিলে— 'পানী ফিল্টাৰৰ মাজেৰে যাব দিলেই বীজাণু শেষ হৈ নাযায় নহয়? পুখুৰীটোৰ পানী বীজাণুমুক্ত কৰি ৰাখিব লাগিব।'

এনেতে পীতাম্বৰ বোলা ডেকা লৰাজন ক'ৰবাৰ পৰা হুৰমুৰাই সংঘৰ মজিয়ালৈ সোমাই আহিল। 'ৰাসযাত্ৰালৈ বেছি দিন নাই। তহঁতে গম পাৰ নে নাই? নাট মেলিবৰ হ'ল। পীতাম্বৰৰ উচাহ দেখি পুথিভঁৰালত কিতাপ পঢ়ি থকা শেৱালী, নিৰ্মালী, বাৰাণ্ডাত কেৰম খেলি থকা নিলয়, অজিতহঁতেও আহি পীতাম্বৰক ঘেৰি ধৰিলে। পিচে নাটকৰ নাম কি? কোনে লিখা নাটক? আমি হ'লে ভাঙনি কৰা নাটক নকৰোঁ। আন ঠাইত মঞ্চস্থ হোৱা নাটকো নকৰোঁ। লাগিলে আমি নিজে লিখি হলেও নাটক কৰিম। বিচাৰি অনা নাটবোৰত আমাৰ বহুতৰে চৰিত্ৰ ভাগত নপৰে। সেইলৈও ওফোন্দা-ওফন্দি।

তেনেহলে কি কৰা যায়?

অপল দূৰত বৈ থকা জগদীশে চিঞৰিলে— নাটক মই লিখিম। আমাৰ সংঘৰ সকলো সদস্য-সদস্যাই এই নাটকৰ চৰিত্ৰ বোৰত ভাগ ল'ব পাৰিব। আনকি আখৰাৰ বাবে চাহ অনাৰ যোগ্যতা নথকা ভেদো, সময়মতে মঞ্চৰ আঁৰকাপোৰ টানিব নজনা বুদ্ধ অজলায়ো চৰিত্ৰত ভাগ ল'ব পাৰিব। মঞ্চ হ'ব খোলা মঞ্চ। হংসদেউৰ পুখুৰীটোৰ পাৰ চাৰিটাই হ'ব আমাৰ নাটকৰ মঞ্চ।' পোন্ধৰ-বিশজন সংঘৰ সদস্যই একেলগে জগদীশলৈ মুখ মেলি চাই থাকিল। 'মঞ্চখনেই যদি ইমান ডাঙৰ হয়, তেনেহলে আমি ভাৱৰীয়াবোৰে আখৰা কৰিম ক'ত? এখন দেখোন বহল পথাৰৰ প্ৰয়োজন হ'ব। 'বাটৰ নাট' কৰোতেও ইমান জেগা নালাগে।

সকলো হ'ব। বহল মঞ্চই একো অসুবিধাত নেপেলায়। মাথো প্ৰতিটো চৰিত্ৰৰে অভিনয় হ'ব লাগিব নিখুঁত।

তেনেহলে আৰম্ভ হওক নাটৰ আখৰা। অহা ৰবিবাৰটো ভাল দিন। সিদিনাৰ পৰাই আখৰা আৰম্ভ হওক।

ৰ', 'ৰ'। হুলুস্থূল নকৰিবি। তহঁত আটায়ে বহিল'। তহঁতে শুনি আচৰিত নহবি যে যিখন নাটৰ আমি আখৰা আৰম্ভ কৰিম সেইখন নাটৰ আখৰা হ'ব অত্যন্ত গোপনীয়ভাৱে। ভাৱৰীয়া সকলৰ যিয়ে-গোপনীয়তা ৰক্ষা কৰিব নোৱাৰিব, তাৰ শাস্তি হ'ব সভাপদ খাৰিজ। আনকি নাকখন মঞ্চস্থ হৈ যোৱাৰ পাচতো কেনে ভাও লৈছিল, সেই কথা গুপুতে ৰাখিব লাগিব। নহলে নাটকখনৰ বক্তব্যটোৱে নাইকিয়া হৈ যাব।

কথামতে কাম। জগদীশে নাট লিখিলে। ভৌতিক নাটক। সমাজৰ জ্বলন্ত সমস্যাক লৈ লিখা নাট। গভীৰ নিশালৈকে নাটৰ আখৰা চলিল। ভাৱৰীয়াৰ বাহিৰে কোনেও নাটৰ আখৰা চাব নোৱাৰে। নাটৰ আখৰা চোৱা আৰু কিতাপৰ পাণ্ডুলিপি পঢ়াত আমেজ নাই। নাটকখনৰ নামটোও গুপুতে ৰখা হৈছে। ভাৱৰীয়া সকলে নাটখনৰ ভাওবোৰ নিজৰ পছন্দ অনুসৰি পাইছে।

অৱশেষত নাট মঞ্চস্থ কৰা দিনটো সমাগত হ'ল। নাট আৰম্ভ হ'ল এনেদৰে—

নিশা ঘৰে ঘৰে মৰনা মাৰি ধান চপোৱাৰ সময়। কোনোৱে নিশাৰ সাঁজ খাই অতাইছে, কোনোৱে খাবলৈ যো-জা কৰিছে। নিজম-নিটাল। বাৰীৰ পাচফালে গছৰ ডালত হুদু চৰায়ে হুঃদু হু-দুকৈ মাতিছে। ফেঁচাই নিউ নিউকৈ মাতিছে। যেন কিবা অমংগলৰ চিন। হঠাৎ হংসদেউৰ পুখুৰীৰ পাৰত লাগিল হুৱা-দুৱা। কোনে কাক মাতিছে, কোনে কাক চিঞৰিছে গাঁৱৰ মানুহে যেন স্পষ্টকৈ একো বুজা নাই। কিন্তু পুখুৰীৰ পাৰত কিবা এটা যে অঘটন ঘটিছে, তাক সকলোৱে ঘৰৰ পৰাই বুজিব পাৰিছে। এজন লৰাই গাঁৱৰ বাটে বাটে চিঞৰ-বাখৰ কৰি মাথোঁ কৈছে— হংসদেউ ওলাইছে। কোন ল'ৰা, কাৰ ল'ৰা, গাঁৱৰ কোনেও অনুমান কৰিব নোৱাৰিলে। লৰাজনে চিঞৰি চিঞৰি গাঁৱৰ ইমূৰৰ পৰা সিমূৰলৈ গৈ নাইকীয়া হ'ল। মানুহে পিচ ল'লে— কিন্তু কাকো দেখা নাপালে। কিন্তু

পুখুৰীৰ পাৰত কিবা এটা হৈছে। হুলুস্থুলটোলৈ চাই ঘটনা ডাঙৰেই যেন লাগিছে। পুখুৰীৰ পাৰত ডেকা লৰাবোৰ গোট খাইছে। সিহঁতে মুৰত মৰাশ এটা লৈ খুব ঘূৰাইছে। মৰাশটোৰ পেটত হেঁচা দিছে। মুখেৰে জোলোকা-জোলোক পানী ওলাইছে। লণ্ঠনৰ পোহৰত ভালদৰে একো নেদেখি। গাঁৱৰ মানুহ পুখুৰীটোৰ পাৰলৈ ওলাই আহিছে। মাইকী মানুহবোৰ কেৰাচিনৰ চাকি একোগছি লৈ পদুলিমুখত উৎকণ্ঠাৰে বৈ আছে। ভেদাইৰ মাক-বাপেকে ৰাউচিজুৰি কান্দিব ধৰিছে কি হ'ল? বোলো কি হ'ল? রোনেও স্পষ্ট উত্তৰ দিব পৰা নাই। বোলো ঘটনাট্টো কি? ভেদাই পানীত কেনেকৈ ডুব গ'ল?

এঃ ৰ'বা! পুখুৰীৰ মাজত গভীৰ দত পৰা নাইহে। সেই হংসদেউ পানীৰ মাজৰ পৰা উঠি আহি ভেদাইক পানীৰ মাজলৈ টানি নিছিল। 'তহঁতক দিছিলো পানী খাবলৈ। শৌচ-প্ৰস্ৰাব কৰিবলৈ দিয়া নাছিলো' গৰ্জি উঠিল হংসদেউৰূপী বুদু অজলা। সংঘৰ ছোৱালীহঁতে সমস্বৰে চিঞৰিলে— আমি কাপোৰ নোধোওঁ, গাঁও নোধোওঁ। আমি কেৱল খোৱা পানীহে নিম হংস ককা। দায়-দোষ নধৰিবা।' সেই যে ভৰ দুপৰীয়া আৰু নিশাৰ ভাগত ওলাই পুখুৰীৰ পাৰত ঘূৰি ফুৰে অপদেৱতাটো? বুকুত চকু থকা মূৰ নোহোৱা অপদেৱতাটো— সেইটোৱেই হংসদেউ। ভেদাই হেনো পুখুৰীৰ পাৰতে প্ৰস্ৰাব কৰি ভৰি-হাত ধুবলৈ পানী যুৱলিলৈ গৈছিল। ভাগ্য ভাল লগৰবোৰে দেখিলে। তথাপি জোলোকে জোলোকে পানী খালে। বাচে নে নাবাচে ঠিক নাই। ডেকা লৰাবোৰে কাকো চুবলৈ দিয়া নাই। সিঁহতে নিজে নিজে চেষ্টা কৰি চাইছে। ভেদাইৰ পেটৰ পৰা বহু পানী ওলাল। চকুৰে নিমেষ কাটিছে। ৰ'বা, ৰ'বা। বাচিব। নমৰে। উশাল টানিব পৰা হৈছে যেতিয়া— নমৰে।

দৰ্শকৰূপী ৰাইজৰ মাজত গফুৰ চাচাই মন্তব্য কৰিলে— তেওঁ হেনো কেইবাদিনো পীৰ চাহাবে ধকধকীয়া বগা কাপোৰ পিন্ধি পুখুৰীটোৰ চাৰিওপাৰে ঘূৰি ফুৰা নিজ চকুৰে দেখিছে। ওখই-পাখই সাইলাখ হংসদেউ। আমাৰ ৰাইজে পুখুৰীটোৰ প্ৰতি থকা মতি-গতি সলনি কৰিবৰ হ'ল। গফুৰ চাচাই নিজে দেখাই নহয়— সংঘৰ মিউজিক ছেক্ৰেটাৰী হানিফেও বহু দিন লগ পাইছে পীৰ চাহাবক। পীৰ চাহবে কাৰো অন্যায় নকৰে। কিন্তু ভাল কামৰ বাবে দোৱা কৰে।

গাঁৱৰ মহিলাসকলেও গোটেই ঘটনাটো সঁচা বুলি মানি ললে। তেওঁলোকে আৰু কাইলৈৰ পৰা অকলে পানী আনিবলৈ নাযায়। কাপোৰ ধোৱা, গা ধোৱা আদি সকলো কাম বাৰীৰ পিচফালৰ খালবোৰত কৰিব। লম্বু পুৰোহিত, টিকিৰা নাপিত আৰু মাইকী মানুহৰ বেমাৰৰ দৰৱ জাতি দিয়া টেকটেকী বাই আহিও ক'লে— বহুদিন দেখিছে— হংসদেউক। কোনোবাই পুখুৰীত গা-ধুলেই, কাপোৰ ধুলেই পানীৰ মাজৰ পৰা চিঞৰে হংসদেৱে। ভৰদুপৰীয়া উদি-মুদি হৈ পানী যুৱলিত বহি থাকে।

শিলাজুৰি অঞ্চলত মেল বহিল। হিন্দু-মুছলমান আদি সকলো সম্পদায়ৰ লোক আহি সংঘৰ বাকৰিত বহা মেলত যোগ দিলে। যোৱা নিশা বৰপুখুৰীত ঘটা অঘটনটোৰ কথা বিতংভাৱে আলোচনা হ'ল। সিদ্ধান্ত হ'ল— পানী খোৱা পুখুৰীটোলৈ পানী আনিবলৈ যোৱাৰ বাহিৰে কোনেও যেন অদৰকাৰত তালৈকে নাযায়। কাপোৰ ধোৱা, গা-ধোৱা, পুখুৰীৰ পাৰত প্ৰস্ৰাৱ কৰা আদি সকলো বেয়া অভ্যাস বাদ দি ভক্তিভাৱে যেন সকলোৱে পুখুৰীটোৰ পানী ব্যৱহাৰ কৰে। পীৰ অপদেৱতা থকা পুখুৰীটোলৈ নিশা হ'লে যাতে কোনো নাযায়।

ভূতক যিয়ে বিশ্বাস কৰে, তাক ভূতে ধৰে। জগদীশৰ নাটক সফল হ'ল। সংঘৰ আটাইবোৰ ভাৱৰীয়া সন্তুষ্ট। গাঁৱৰ ৰাইজে হংসদেউৰ পুখুৰীটোৰ ওপৰত অত্যাচাৰ কৰা বাদ দিলে। মন্দিৰ-মছজিদৰ দৰে পবিত্ৰ স্থান হৈ পৰিল হংসদেউৰ আশাৰ পুখুৰী। এতিয়া দূৰৈৰ বাটৰুৱায়ো পুখুৰীটোলৈ চাই সেৱা জনায়। বিশুদ্ধ পানী খাবলৈ পোৱা বাবে আল্লাহৰ পৰা চুক্ৰিয়া আদায় কৰে। হংসদেউ ওৰফে হংসদেৱ ভৰদ্বাজৰ বৰপুখুৰীটো সকলো ধৰ্মৰ লোকৰে তীৰ্থস্থান হ'ল।

সংঘৰ ল'ৰা-ছোৱালীহঁতৰ নাটকৰ সফল যৱনিকাও তাতেই পৰিল। ★★★

## মহৎ লোকৰবাণী

- জীৱনৰ সময় বৰ কম। পঢ়িলে ভাল কিতাপ পঢ়িবা আৰু লিখিবা। —*কৃষ্ণকান্ত সন্দিকৈ*
- যিয়ে এবাৰ বিশ্বাস ঘাটকতা কৰিছে তেওঁক পুনৰ বিশ্বাসত নলবা। —*শেক্সপীয়েৰ*

সংগ্ৰহ— *শ্ৰীদীপক কুমাৰ*
স্নাতক তৃতীয় বৰ্ষ

# নিঠৰুৱা জীৱন

শ্ৰীসংগীতা বৰুৱা
স্নাতক প্ৰথম বৰ্ষ

সুমনে ঘড়ীটোলৈ চালে, ৰাতিপুৱা সাত বাজিছে। তাই সৰধৰকৈ উঠি সকলো কামবন কৰি টিউচনলৈ যাবলৈ ওলাল।

সুমন ঘৰৰ ডাঙৰ ছোৱালী আৰু এজন ভায়েক আছে, নাম অমৰ। সিহঁত সৰু থাকোতে মাক ঢুকাইছে। দেউতাকে আনৰ ঘৰত কাম কৰি সিহঁত দুটাক ডাঙৰ-দীঘল কৰিছে। সুমনৰ ভায়েক অমৰ দশম শ্ৰেণীৰ ছাত্ৰ। সুমনে বি. এ পঢ়িছিল যদিও টকাৰ অভাৱত পঢ়া আধৰুৱা হ'ল। এইফালে দেউতাকৰ ৰোগ আনফালে ভায়েকৰ পঢ়ুৱাবলৈ টকাৰ প্ৰয়োজন, সেইবাবে সুমনে দুটামান টিউচন ব্যৱস্থা কৰিছে। মাকৰ এটাই আশা আছিল একমাত্ৰ ল'ৰা অমৰক পঢ়ুৱাই ডাঙৰ মানুহ কৰাৰ, কিন্তু নিয়তিয়ে মাকৰ ইচ্ছা পূৰাব নিদিলে। মাকৰ ইচ্ছা পূৰণ কৰিবৰ বাবে সুমনে বহু কষ্ট কৰি অমৰক পঢ়ুৱাইছে।

দেউতাকৰ অৱস্থা একেবাৰে বেয়াৰ ফালে যোৱা কাৰণে দেউতাকৰ চিন্তা অধিক বাঢ়ি গৈছে। সুমন ডাঙৰ হৈছে তাইক আন এখন ঘৰলৈ উলিয়াই দিব পাৰিলে...।

দেউতাকৰ বন্ধু প্ৰভাত কলিতাৰ ল'ৰা অজয় কলিতা তেওঁ এজন শিক্ষক। প্ৰভাতে সুমনক অজয়লৈ বিয়া দিয়ে নে সুমনৰ দেউতাকক সুধিছিল। কিন্তু সুমনে এই প্ৰস্তাৱ গ্ৰহণ কৰা নাছিল। তাই ভাবিছিল যে তাই বিয়া হৈ যোৱাৰ পিছত দেউতাকক কোনে চাব আৰু মাকৰ কল্পনা কোনে পূৰণ কৰিব? সেই ভাবি তাই বিয়াত নবহিল।

লাহে লাহে অমৰৰ পৰীক্ষা কাষ চাপিল। অমৰ পঢ়াত চোকা, সেইকাৰণে স্কুলৰ শিক্ষকসকলেও অমৰক বহুত মৰম কৰে। তেওঁলোকৰ এটাই আশা অমৰে এটা ভাল ফলাফল দেখুৱাব।

দিন গ'ল। অমৰৰ পৰীক্ষা শেষ হ'ল। এদিন পৰীক্ষাৰ ৰিজাল্ট ওলাল, অমৰে অসমৰ ভিতৰত চতুৰ্থ স্থান লাভ কৰিছে। অমৰৰ পৰীক্ষাৰ খবৰ শুনি সুমন, সুমনৰ দেউতাক, শিক্ষক সকলোৰে মুখত আনন্দৰ জ্যোতি উজ্বলি উঠিছে, কিন্তু অমৰৰ মুখত আনন্দৰ ছাঁ সমূলি নাই। অমৰে ভাবিছে, ইমান দিনে সি বায়েকৰ বোজা হৈ আছে। সি আৰু বায়েকৰ বোজা হ'ব নিবিচাৰে।

সুমনে এইবাৰ টিউচন কৰিয়েই নহয় দিন হাজিৰা কৰি, টকা গোটাই ভায়েকক কলিকটালৈ পঢ়িব পঠালে। দিন, মাহ, কৰি অমৰ যোৱা এবছৰ পাৰ হ'ল। দেউতাকৰ ৰোগ বেছি হ'ল। সুমনে দেউতাকক এজন চিকিৎসকৰ ওচৰলৈ লৈ গ'ল। তাৰ পিছত গম পালে যে দেউতাকৰ ব্ৰেইন টিউমাৰ হৈছে। চিকিৎসকে সোনকালে বাহিৰলৈ লৈ যোৱাৰ কথা ক'লে। সুমনে জানে যে এই বেমাৰ সহজে ভাল হোৱা বেমাৰ নহয়। ভাল হ'লেও কেইদিন মানহে বাচি থাকিব। টকাও সুমনৰ নাছিল, সেইবাবে দেউতাকক নিব নোৱাৰিলে।

হঠাৎ এদিন নিশা সুমন অমৰ সকলোকে মায়াৰ সাগৰত এৰি দেউতাক গুচি গ'ল। মৃত্যুৰ খবৰ সুমনে অমৰক নজনালে। দেউতাকৰ মৃত্যুত সুমনে শোকত ভাগি পৰা নাছিল। তাই ভাবিছিল যদি তাই ভাগি পৰে তেতিয়াহলে ভায়েকক কোনে চাব।

লাহে লাহে তিনিটা বছৰ পাৰ হ'ল। অমৰে সুখ্যাতিৰে ইঞ্জিনিয়াৰিংৰ ডিপ্লমা পাৰ কৰিলে আৰু অমৰ এতিয়া এজন সুদক্ষ ইঞ্জিনিয়াৰ।

এতিয়া তেওঁলোকৰ পৰিয়ালত ভায়েক অমৰ আৰু সুমন। ভায়েক অমৰে এতিয়া বাইদেউয়েক বিয়াৰ কথা ভাবিছে আৰু এজন ল'ৰা ঠিক কৰিছে। সুমনেও এইবাৰ আপত্তি নকৰিলে।

এদিন অমৰ চাকৰিৰ কামত কলিকটাতে যাব লগা হ'ল। যাবৰ ইচ্ছা নাছিল যদিও সুমনে যাবলৈ কোৱাত অমৰ গ'লগৈ।

কিন্তু এয়া কি

ফেঁচা চৰাই এটাই বিকট শব্দ কৰি সুমনৰ মূৰৰ ওপৰেদি উৰি গ'ল। সুমনে নিজকে বিশ্বাস কৰিবলৈ টান পালে। তাই গম পালে যে কলিকটালৈ যোৱা গাড়ীখন দুৰ্ঘটনাত জ্বলি গ'ল।

তাইৰ ভৰিৰ তলৰ মাটিখিনি যেন আতৰি গ'ল। নিষ্ঠুৰ নিয়তিয়ে দুখৰ সমভাগি ভায়েক অমৰকো লৈ গ'ল।

অমৰ গলগৈ স্বৰ্গসুখ বিচাৰি আৰু সুমন এই মায়াৰ পৃথিৱীত পংগু হৈ অকলে ৰৈ গ'ল। ★ ★

# ভগৱানৰ মৃত্যু

*শ্ৰীআনন্দ ডেকা (শৰণীয়া)*
প্ৰাক্তন ছাত্ৰ

ক্লাছ কেইটি কৰি উঠিয়েই দৌৰ দিলো বাছ-ষ্টেণ্ডলৈ। এনেয়ে ঠাণ্ডা পৰিছে, তাতে আজি বতৰটো কিবা গোমা গোমা হৈ আছে। উস ! মাজতে হাড় কপোৱা এই আপদীয়া বতাহ জাক। যদিওঁ ক্লাছৰ পৰা বাছষ্টেণ্ডলৈ আহোতে চৰ্টকাটেৰে আহিছোঁ বতৰটোৰ বাবে এই 'চৰ্টকাট'ও 'লংকাট' যেনহে লাগিছে। অৱশেষত বাছষ্টেণ্ড পালোঁ। চেঃ ! চাৰি বাজিবৰে হ'ল। এই ... ক্লাছটোও পিছবেলাহে থাকিব লাগেনে? শীত পৰিছে, দিনবোৰ চুটি। ঘৰ গৈ পাওতে দেৰিয়েই হয়। দেৰি হওঁক কথা নাই, পঢ়া টেবুলত বহাৰ লগে লগে চকু জাপ খাই আহে। বাপ্‌ৰে বাপ্। গাড়ীত ভিৰ। অ' অফিচ চুটিৰ সময় দেখোন। তাৰ মানে ভিৰ কমাৰ আশা নাই। এইবোৰ কাৰণতে ৰুম ভাড়া কৰি থাকিম বুলিছিলোঁ, কিন্তু নাই নোৱাৰি। দেউতা অৱসৰপ্ৰাপ্ত নিয়মীয়া 'ইনকাম' নাই..... নোৱাৰি। গতিকে উপায় নাপাই এই হাড় কঁপোৱা শীততো ক্লাছ কৰি ঘৰমূৰা যাত্ৰাৰ প্ৰস্তুতি আৰু অপেক্ষা।

'অ'ই পোৱালি আঁতৰ হ ইয়াৰ পৰা।' —কোনোবাৰ চিঞৰত ঘূৰি চাই দেখিলো— 'মাঁ' কেবিনৰ সন্মুখত এখন গাড়ীত ভোজা দি এজন সুন্দৰ যুৱকে ওচৰতে হাত পাতি থকা এটা লেটেৰা কাপোৰ পৰিহিত ল'ৰাক খেদি দিয়াৰ প্ৰয়াস কৰিছে আৰু লগত থকা ল'ৰা কেইজনে ঘটনাটোত্ৰ বৰ ৰং পাইছে। তথাপি ল'ৰাজনে হাত পাতিয়ে আছে। অলপ সময় হাত পতাৰ পিছত ভিক্ষাৰ কোনো আশা নেদেখি সেই কনমাণি জীৱটোৱে বেলেগৰ ওচৰত হাত পাতিবলৈ উদ্যত হ'ল।

'আদাবাৰী, আদাবাৰী'— ল'ৰাজনৰ পৰা আনি গাড়ীখনৰ ফালে চালো। গাড়ীত যেন মানুহ নহয়, কোনোবা বেপাৰীয়ে পাণহে আনিছে। জনসংখ্যা বৃদ্ধিৰ ইয়াতকৈ ভাল উদাহৰণ কৰৰাত জানো পোৱা যাব? 'বাবু বহুত ভোক লাগিছে। পইচা দিয়কনা বাবু!' আৰে অথনিৰ পোৱালিটো দেখোন মোৰ ওচৰত। পইচা আছেনে নাই বুলি মানিবেগটো উলিয়ালোঁ। চাৰিখন দহ টকীয়া আছে। এশটকীয়া পাঁচখন, অ' এটা দুটকীয়া আছে। 'হু ল'— তাক দিলোঁ। ল'ৰাজনৰ প্ৰতি কিবা এক কৌতুহল জন্মিল। 'তোৰ ঘৰ ক'ত অ' ? —তাক সুধিলো। 'তাত' —সি আঙুলিয়াই দেখুওৱা ফালে চাই বুজিলোঁ। ফ্লাই অভাৰৰ তলত থাকে সি। গাড়ী এখনো অহা নাই। কি কৰা যায়? ঘড়ীৰ ফালে চালো চাৰি বাজি পোন্ধৰ মিনিট, 'তোৰ বাপেৰৰ নাম কি অ' ? আকৌ সুধিলোঁ তাক। 'ভগৱান দাস' —নিৰ্লিপ্তভাৱে উত্তৰ দিলে সি। 'কি কাম কৰে?' ––সময়খিনি এনেকৈ কটাব পাৰিলেও ! একো নকৰে। চেৰাব খাই খাই মৰি গেছি।' উত্তৰৰ প্ৰকাশ ভংগী একেই নিৰ্লিপ্ততা। তাৰ উত্তৰত হাঁহি উঠি গ'ল। ভগৱানৰো মৃত্যু হয়. তাকো মদ খাই !

'চাৰিআলি, চাৰিআলি, ভাগ্যে এখন চাৰিআলি লৈ যোৱা গাড়ী আহিল। যোৱানে নোযোৱা ? বিকাশ অ'ই বিকাশ।' মোৰ নামটো উচ্চাৰণ হোৱাফালে চালো, চাৰিআলি অভিমুখী বাছখনৰ পৰা মোৰ বন্ধু মানৱে মোক মাতি আছে। তাক দেখি অলপো নৰ'লোঁ, উঠিবলৈ দৌৰ দিলো গাড়ীখনলৈ। দৌৰাৰ ঠিক আগমুহূৰ্ত্তত কিবা এটাই পিছফালে টানি ধৰা যেন অনুভৱ হোৱাত ঘূৰি চাই দেখিলো, তেতিয়াৰ ভিক্ষাখোজা পোৱালীটো, মুখত তাৰ এক উজ্বল হাঁহি। তাৰ হাঁহিটো কৃতজ্ঞতাৰ হাঁহি বুলি ধৰি লৈ একেজাপে উঠিলো। ইমান ভিৰৰ মাজতো দেখোন মানৱৰ কাষতে কোনোমতে বহিব পাৰিলো। 'ধাপ্ ধাপ্— হেণ্ডিমেনে গাড়ীত চাপৰ দিয়াত গাড়ী চলিবলৈ ধৰিলে।

'ক্লাছৰ পৰা আহিলি?' —বহাৰ লগে লগে মানৱে সুধিলে। 'অ' চুটিকৈ উত্তৰ দিলোঁ। 'তই ক'ৰ পৰা আহিলি?' পাণবজাৰৰ পৰা কিতাপ দুখনমান আনিবলৈ গৈছিলোঁ। মোৰ প্ৰশ্ন শেষ নহোওতেই সি উত্তৰ দিলে। পেঁ পেঁ পিছৰ পৰা গাড়ী এখনে হৰ্ণ দিয়াত আমাৰ গাড়ীখনে ৰাস্তা এৰি দিলে। গাড়ীখনে অভাৰটেক কৰাত দেখিলো 'মাঁ' কেবিনৰ আগত থিয় দি থকা ল'ৰা কেইজন আৰু গাড়ীখনো সেইখনে। খুউব আনন্দমনে গৈ আছে সিহঁতে। কাৰোবাক দুখী কৰিও মানুহ সুখী হ'ব পাৰেনে? মনতে ভাবিলোঁ।

'দাদা কলৈ যা" — চেকাৰৰ মাতত সম্বিত ঘূৰি আহিল। পইচা উলিয়াও বুলি পিছপকেটত হাত ভৰালোঁ। আৰে ! মোৰ মানিবেগটো নাই দেখোন ! বাকী পকেটকেইখনতো নাই দেখোন। তাৰমানে কোনোবাই মোৰ পকেট মাৰিলে। 'কি হল দাদা? ভাৰাটো দিয়ক!' —কি কৰো এতিয়া। মানৱৰ ফালে চালোঁ,

টোপনিত লাল কাল। উপায়ো নাই চেকাৰে হাত পাতিয়ে আছে। 'দাদা ভাড়াটো' সি আকৌ সোঁৱৰাই দিলে. 'মোৰ পৰা কোনোবাই পকেট মাৰিলে।' এনেকৈ কবলৈহে পালোঁ লোকৰ চুৰাপাটনি চেলেকিবলৈ যোৱা কুকুৰটোৰ গাত গৰম পানী পৰিলে যেনেকুৱা কৰে সিয়ো তেনেকুৱাকৈ উঠিলে। আৰম্ভ কৰি দিলে, তাৰ গালিৰ বৰষুণ। ময়ো মনে মনে থাকিলোঁ। কাৰণ ময়ো 'A.G Gardiner' ৰ দৰে ভাগ্যৱান নহলোঁ আৰু চেকাৰজনো On saying please' ৰ দৰে চেকাৰজন নহয়। 'কি হৈছে অ'? — চেকাৰজনৰ গণ্ডগোলত মানৱৰ টোপনি ভাঙিছিল। চেকাৰজনেও আৰু এজন যোগ হোৱাত ভাল পালে। 'চাওঁচোন দাদা, কি মানুহবোৰ আমাৰ গাড়ীত উঠিবলৈ আহে। মানুহ ঠেলি ঠেলি আগতে চিটবোৰ লব, আৰু পইচা দিবৰ সময়ত ক'ব কোনোবাই পকেট মাৰিলে। এইমানুহবোৰক ৰাস্তাত থিয় কৰাই কোবাব লাগে.' —সি মোৰ ফালে দেখুৱাই ক'লে। 'তই কি সৰবজান? ইয়াৰ তাত পইচা আছেনে নাই তই কেনেকৈ জান?' — চেকাৰজনে মোক বেয়াকৈ কোৱাত মানৱৰ খং উঠি গৈছিল। সি হঠাতে চেকাৰজনক বুকুত খামোচ মাৰি খৰিলে। 'মানৱ প্লিজ এৰানা।' —জোৰ কৰি হাতখন তাৰ বুকুৰ পৰা এৰুৱাই আনিলো। তাৰ উগ্ৰমুৰ্ত্তিত চেকাৰজনেও ভয় খালে। 'হ ল। চাৰিআলি। দুজন' —অলপ ক্ষান্ত হৈ মানৱে ভাড়াটো দিলে।

তোৰ মানিবেগত কিমান টকা আছিল অ'? খং কমাত মানৱে মোক সুধিলে। 'বেছি নাছিল। পাঁচশ মান হ'ব। কিতাপ এখন কিনিম বুলি ভাবিছিলোঁ।' 'কিতাপ কিয় নিকিনিলি?' মানিবেগটো কৰবাত উলিয়াইছিলি নেকি?' পুলিচৰ দৰে জেৰা কৰাত লাগি গ'ল সি। 'দোকানখন বন্ধ আছিল বাবে কিতাপ কিনা নহল। মাণিবেগটো ক'তো উলিওৱা নাই দেখোন। অ' এঠাইত উলিয়াইছিলো। ক'ত? মোৰ উত্তৰ শেষ নহওঁতেই তাৰ প্ৰশ্ন, ময়ো তাক বাছষ্টেণ্ডত লগপোৱা পোৱালীটো প্ৰথম দেখাৰ পৰা পইচা দিয়ালৈকে সকলোখিনি কলোঁ। সিয়ো এজন ভাল শ্ৰোতাৰ দৰে শুনি থাকি শেষত মন্তব্য দিলে— 'আজিকালি উপকাৰীক অজগৰে কিয়খাই জানানে? কাৰণ ভগৱানৰ মৃত্যু হৈছে।' এই বুলি কৈ সি আকৌ টোপনিত পৰিল। ভিক্ষা দিবলৈ মানিবেগটো উলিয়াইছিলোঁ, —চাৰিখন দহটকীয়া, পাঁচখন এশটকীয়া। গাড়ীত উঠোতে কিবা এটাই টানি ধৰা যেন পাইছিলো.....। পোৱালীটো....তাৰ মূখত মিচিকিয়াঁ হাঁহি.....অ' তাৰ মানে সেই হাঁহিটো কৃতজ্ঞতাৰ হাঁহি নহয়। সাফল্যৰ হাঁহি, ভগৱানৰ মৃত্যুৰ হাঁহি। এৰা... সঁচাই ভগৱানৰ মৃত্যু হৈছে। ময়ো চকু দুটা মুদি দিলোঁ। কাণত মাত্ৰ বাজি থাকিল— 'ভগৱান দাস একো নকৰে। চেৰাব খাই খাই মৰি গৈছি।' ★ ★

## বিশ্ব সংবাদ

- ভাৰতৰ প্ৰথম বিশ্বসুন্দৰী কোন? — শ্ৰীমতী ৰীতা ফিৰিয়া ১৯৬৬ চন।
- মনুষ্য কম্পিউটাৰ কোন? — ভাৰতৰ শকুন্তলা দেৱী।
- পুৰীৰ জগন্নাথ মন্দিৰৰ উচ্চতা কিমান? — ১৪২ ফুট।
- কোন দেশৰ মানুহে মাটিৰ বাহিৰে একোকে নাখাই? — আফ্ৰিকাৰ আদিবাসীসকলে নীল নদীৰ মাটি পুৰি খায়।
- কোন নদীত মাছ নাই? — জৰ্ডন নদীত।
- পৃথিৱীৰ কোন দেশত একজোপা গছত একেলগে ২৩ ধৰণৰ ফল লাগে? — চাইপ্ৰাচ চিচকোৰ এজন লোকে বহুতো গছৰ কলম একত্ৰিত কৰি ৰোৱা এজোপা গছত।
- সৰ্বাধিক সন্তানৰ জননী কোন? — মালয়েছিয়াৰ মস্কো ফিৰোভৰ ভেছীলেটৰ প্ৰথমা পত্নী শ্ৰীমতী ভেছীলেয়। তেওঁ গৰ্ভধাৰণ কৰিছে ২৭ বাৰ সন্তান জন্ম দিছে ৭০ জন।

সংগ্ৰহ— শ্ৰীঅমৰেন্দ্ৰ দাস
স্নাতক প্ৰথম বৰ্ষ

# এয়াই নেকি সঁচা মৰম ?

*ৰিয়াজুদ্দিন আহমেদ বৰা (ৰিয়াজ)*
স্নাতক দ্বিতীয় বৰ্ষ

এটি সুকোমল ৰাতিপুৱা ফিকা চাহকাপৰ সোৱাদ লৈ আৰু পুৱাৰ ৰ'দৰ উত্তাপ লৈ বাৰাণ্ডাত বহি আছো। মনত বহুতো কথাই খুতিয়াই আছে পুৱাৰ নিয়ৰ ফালি অহা ৰ'দে যেন আকৌ ওবাৰ অতীতলৈ ঘূৰি যাবলৈ বাধ্য কৰাইছে ৰিয়ানক। দহ মান বজাত গা ধুই বহু দিনৰ মূৰত তাৰ একান্ত প্ৰিয় বন্ধু আদিত্যৰ হোষ্টেলত লগ ধৰিবলৈ ওলাল, হোষ্টেললৈ যোৱা পথতে আদিত্যক লগ পালে তেতিয়া একে লগ হৈ কলেজৰ পিনে গতি কৰিলে।

চোৱা চোৱা কোন আহিছে পিছ ফালে চোৱা আদিত্যই ৰিয়ানক কলে।

কোন আহিছে ইমান অবাক হৈছে যে, ৰিয়ানে ক'লে।

অবাক নহয় বন্ধু চোৱা কোন আহিছে চোৱা তাইক আজি বলিউডৰ নায়িকা যেন লাগিছে।

তেতিয়া আৰু ৰিয়ানৰ বুজিব বাকী নাথাকিল যে আদিত্যই কি কব বিচাৰিছে কোনো ধুনীয়া ছোৱালী দেখিছে চাগে।

ৰিয়ান ঃ আদিত্য এয়া তুমি ক'ত আছা জনানে?

আদিত্য ঃ কিয় কলেজত মই জানো। এৰা ৰিয়ান কলেজত পঢ়িলে এনেকুৱা অলপতো হ'বই।

তেতিয়া ৰিয়ানেও ভাবিলে আদিত্যই থিকেই কৈছে। তথাপিও সি কৰিব কি তাৰ ভগ্ন হৃদয়ৰ কথা ভাবিলে আজিও তাইৰ প্ৰতি খং উঠে, ইমান আশা দিওঁ মানুহে জানো কাৰোবাক পাহৰি যাব পাৰে। যিজনে পাৰে সেইজনে প্ৰেমৰ নামত লটাৰী খেলে..... । এইবোৰ প্ৰেম, মৰম, ভালপোৱা আদিৰ প্ৰতি যেন ৰিয়ানৰ অকনো বিশ্বাস নোহোৱা হৈছে। কাৰণ সি ভাবে পৃথিৱীত হয়তো জীৱ-জন্তু ভালপালে সিঁহতে হয়তো কেতিয়াবা মানুহক সহায় কৰিব কিন্তু কাৰোবাক আপোন বুলি ভাবি সঁচা মৰমবোৰ হৃদয় নোহোৱা বোৰৰ মাজত দান দি লাভ নাই। প্ৰেম মৰুভূমিৰ বালিৰ মাজত পানী মিহলোৱাৰ নিচিনা। প্ৰেম জীয়াই ৰাখিব বিচৰাতো কিমান কঠিন বুজিব যিজনে সঁচা হৃদয়ৰে হৃদয়ঙ্গম কৰে।

জীৱনতো এনে লাগে যেন পৃথিৱী চাৱৰ বাবেহে মোক পাথাইছে তাৰ বাহিৰে যেন একোৱে নাই প্ৰতাৰণা, দুখ, যন্ত্ৰণা, এইবোৰে যেন জীৱনৰ প্ৰকৃত লগৰী।

ইমানবোৰ কথা জানিও ৰিয়ানে এইবোৰ কাকো প্ৰকাশ নকৰে কোনোবাই হয়তো শুনিলে তাক এটা কাহিনীৰ দৰে শুনি যাব তাৰ পিছত কৰিব বা কি? সেই কাৰণে সি নিজে কল্পনা কৰে কাকো নকয়। কল্পনাৰ উত্তৰ সি কল্পনাৰ মাজতে বিচাৰি পাই। সেই বাবে কাকো প্ৰকাশ নকৰে।

ইমান সময় মনে মনে থকা দেখি আদিত্যই ৰিয়ানক সুধিলে- - তুমি ইমান সময় কি ভাবিছা

ৰিয়ান ঃ ভাবিছো

আদিত্য ঃ ভাবিছো কি ভাবিছো

ৰিয়ান ঃ এটা অ-বাস্তৱ কল্পনা যাক মই ভালপাওঁ, যাক মই নিজতকৈও বেচি ভাল পাইছিলো তাই মোক আজি পাহৰিবলৈ চেষ্টা কৰিছে। কাৰণ মই তাইক ভাল পাব নাজানিলো, তাই বিছৰা খিনি নাপালে বাবে চাগে তাই মোৰ কাষৰ পৰা নিজেই আতৰি গ'ল। কিন্তু বিছৰাওঁতো নাছিল তাই মোৰ পৰা একো, কেতিয়াবা কৈছিল তাই অৱাস্তৱ কিছুমান কথা যাক মই বাস্তৱ কৰিবলৈ চেষ্টা কৰি নিজকে পাহৰি গৈছিলো। এইতো কিজানি মোৰ দোষ আছিল। এটা কথা মই দুখি হৈ অতি বাল পাওঁ কাৰণ বেলেগৰ হৃদয়ত জুই জ্বলাই মই কোনো দিনে শান্তি ল'ব নোৱাৰো বাবে মই নিজে শান্তনা লৈ জীয়াই থাকি ভাল পাওঁ। এনেবোৰ কিছুমান কথাই মোৰ কল্পনা সাগৰত উটি ভাহি ফুৰে মোৰ মনত— আদিত্য।

আদিত্য ঃ এৰা ৰিয়ান তুমি থিকে কৈছা। প্ৰেম ভালপোৱা এইবোৰ আমাৰ বাবে পাপ। কাৰোবাক সঁচা অন্তৰেৰে ভাল পোৱাতোও পাপ কাৰণ কাৰোবাক যেতিয়া বিশ্বাস কৰিবা সি তোমাক বিশ্বাস ঘাতকতা কৰিবই। তেতিয়া হয়তো তোমাকহে ওলোতাই কৰ তুমি মোক ইমান সোনকালে পাহৰি গ'লা, ইমান সলনি হ'ব পাৰিলা, তোমাক মই ভৰা নাছিলো তুমি ইমান সোনকালে সলনি হ'বা বুলি। এন কিছুমান অবাস্তৱ কথা কৈ তোমাৰ পৰা হয়তো আঁতৰি যাব।

ৰিয়ান ঃ আদিত্য তুমি ঠিকেই কৈছা, জীৱনত তেতিয়া কল্পনা কিছুমানে বাস্তৱ জীৱনত হৈ যাই তেতিয়া এনে লাগে প্ৰেম ভালপোৱা দৰিদ্ৰৰ বাবে বৈধতা নহয় ই মাথো মধ্যবৃত্ত পৰিয়ালৰ বাবেহে।

আমাৰ নিচিনাৰ বাবে নহয়।

আদিত্য ঃ ৰিয়ান এয়া তুমি কোনো কল্পনাৰ কথা কোৱা নাই তোমাৰ কথাবোৰৰ পৰা এনে লাগিছে এই সকলোবোৰ বাস্তৱেই হ'ব। যি তুমি মোৰ পৰা ইমান দিনে লুকুৱাই ৰাখিছিলা আজি তুমি মোক ক'বলগীয়া নহলে তোমাক আজি মই নেৰিম।

ৰিয়ান ঃ শুনা আদিত্য, ৰিয়ানে এটা দীঘল হুমুনীয়া কাঢ়িলে। আদিত্য ঃ কোৱা আকৌ মনে মনে থাকিলা যে, তেতিয়া ৰিয়ানে কলে শুনা তেনেহলে— প্ৰেমৰ কোনোবা জাতি ধৰ্ম আছেনে বাৰু?

আদিত্য ঃ প্ৰেমৰ কোনো জাতি ধৰ্ম নাই আছে মাথো দুখন হৃদয়ৰ মিঠা অনুভূতিৰ পৰস্পৰৰ মিলনকে বুজায়, ইয়াত নাথাকে ধৰ্ম, জাত, ইয়াৰ এটাই ধৰ্ম ইজনে আনজনক গভীৰ বিশ্বাস কৰে।

ৰিয়ান ঃ ঠিক তেনে এটা মন লৈয়ে মই তাইৰ ওচৰলৈ গৈছিলো।

আদিত্য ঃ তাই মানে মই বুজিব পৰা নাই।

ৰিয়ান ঃ আমাৰ কলেজৰে দেখাত অত্যান্ত কোমল, সুব অমাইক যেন লাগে এনে তাগে তাইৰ যেন তেনে গৌৰৱ ভাৱ নাই ঠিক মোৰ নিচিনা।

আদিত্য ঃ আৰে ভাই নামতোটো কোৱা।

ৰিয়ান ঃ তাইৰ নামটো সবিতা বৰুৱা, যিয়ে মোক প্ৰতিটো মুহূৰ্ততে প্ৰতিটো তেজৰ ৰক্ত কণাত বিলীন হৈ আছে মোক দিয়া মিছা প্ৰলোভনৰ প্ৰেৰণা। জীৱনত জীয়াই থকা ইচ্ছা অনিচ্ছা ভাৱ কেন্দ্ৰিক স্বৰূপ আছিল মাথো তাই। কিন্তু মই ভৱা কথা সকলো ঠেনুকা লাঠিৰ দৰে। ঠিক মোৰ অনুভৱৰ নিচিনা।

আদিত্য ঃ কিন্তু হঠাতে এনেকুৱা হ'ল কিয়?

ৰিয়ান ঃ মই নাজানো, মাত্ৰ এইটো জানো জীয়াই থকা যন্ত্ৰণা মানেনো কি? তুমিটো আগতে কৈছা তুমি ইমান সোনকালে সলনি হ'ব পাৰিলা ঠিক এনেকুৱা এটা সুত্ৰ মোৰ জীৱনত ব্যৱহাৰ কৰিলা।

আদিত্য ঃ জীৱনত জীয়াই থকা যন্ত্ৰণা অতি কঠিন। তুমি হয়টো জানাই সেই বাবে তোমাক আৰু মই একো নহওঁ।

ৰিয়ান ঃ কৈয়ো বা তুমি কৰিবা কি? এনে পৰিস্থিতিত মোক ঠেলি দিব বুলি মই কেতিয়াও কল্পনা কৰা নাছিলো।

আদিত্য ঃ তুমি তাইক এবাৰো নুসুধিলা তোমাক তাই কিয় এৰি থৈ গ'ল। তোমাৰ জানিবৰ মন নগললনে?

ৰিয়ান ঃ সুধিছিলো, তাই তেতিয়া ক'লে....।

আদিত্য ঃ কি ক'লে তাই।

ৰিয়ান ঃ এইবোৰ কিয় এনেকুৱা হ'ল। আমাৰ মাজত তাই মোক ক'লে।

আদিত্য ঃ তেতিয়া তুমি কি কলা?

ৰিয়ান ঃ তেতিয়া মই কি কম উপস্থিত সময়ত মই কোনো ভাষাই বিচাৰি নাপালো, কিন্তু এটা কথা পিছত মই ভাবিছিলো যিটো তাই মোৰ পৰা লুকুৱাই ৰাখিছিল।

আদিত্য ঃ কি কথা ভাবিছিলা?

ৰিয়ান ঃ তাই আন এজন ল'ৰাক মোৰ দৰে ভাল পোৱাৰ নামত আধুনিক খেল খেলিছে।

আদিত্য ঃ এইবোৰ পাহৰি যোৱা ৰিয়ান, কাৰোবাৰ পৰা প্ৰকৃত ভালপোৱা জোৰ কৰি পাব নোৱাৰি।

ৰিয়ান ঃ মই যিদিনা তাইক সুধিছিলো, সেইদিনাই মই তাইক কৈছিলো প্ৰেম, ভালপোৱা এইবোৰৰ কোনো অনিশ্বয়তাৰ বিপৰীত কাৰণ হ'ব নোৱাৰে, কিন্তু তাই অৱশেষত কিয় বা এনেকুৱা কৰিলে বা। এতিয়া বুজিব আৰু মোৰ বাকী নাথাকিল যে তাই ভালপোৱা আছিল মিচা প্ৰেমক লৈ খেলা কৰি আনক প্ৰতাৰণা কৰি ভাল পোৱা তাই আছিল পোচাক পিন্ধা এজনী আধুনিক প্ৰেমীকা। মোৰ জীৱনত সপোন, সপোনক মই কোনো দিনে বিশ্বাস নকৰো, কাৰণ ই কোনো দিনে বাস্তৱ হ'ব নোৱাৰে মোৰ জীৱনত। বাস্তৱ অতি কঠিন সেই বাবে বৈ আছো বাস্তৱ জীৱনৰ মুখা মুখি সংঘৰ্ষৰ বাবে।

আদিত্য ঃ তুমি ঠিকেই কৈছা তুমি প্ৰস্তুত হোৱা উচিত বাস্তৱ জীৱনৰ মুখা মুখি হোৱাৰ বাবে।

ৰিয়ান ঃ কেতিয়াবা আবেগত উত্তাল হৈ মনতোক বুজাব নোৱাৰো, এনে লাগে জীৱনৰ ৰঙীণ কল্পনাবোৰ বৰ কঠিন, নহলেনো মোৰ শান্ত নিৰৱতাহীন মুহূৰ্তবোৰ ক'ত হেৰাই গ'ল হেতেন, কাৰোবাক ভাল পাই বিশ্বাস ঘাতকতা কৰা তাইৰ বাবে এইবোৰ আছিল আধুনিক। যিবোৰ শব্দ তাই মোৰ লগত ব্যৱহাৰ কৰিছিল প্ৰতিটো মুহূৰ্ততে মই তোমাৰ অবিহনে জীয়াই থাকিব নোৱাৰিম। অপেক্ষাৰ দিনবোৰ কিয় যে ইমান দীঘলীয়া, আজীৱন তোমাৰে মই যিদিনালৈ মই জীয়াই থাকিম সেইদিনালৈ মই মাথো তোমাৰেই, এইবোৰ আছিল তাইৰ মোৰ প্ৰতি থকা ভালপোৱাৰ কোমল ভাষা সেইবোৰ তাইৰ ভালপোৱাৰ কোমল ভালপোৱাবোৰে আজি মোক বিষাক্ত কাইটৰদৰে বিন্ধিব ধৰিছে। তীব্ৰ গতিৰে কেতিয়াবা এনে লাগে নীজকে ধ্বংস কৰি পেলাম এনে ভাৱ হয়....।

মহানগৰীৰ ৰাজপথত হাজাৰ হাজাৰ ভোকাতুৰ ভিক্ষাৰীয়ে এমুঠি ভাতৰ বাবে কান্দিছে। চাওঁতা আছে অনুভৱ কৰোতা নাই। কিন্তু চিনেমাত ঠিক একেটা দৃশ্য দেখিলে মানুহে অনুভৱ কৰে চকুলো তোকে তায়ো ঠিক তেনেকুৱাই, বাস্তৱক ঘৃণ কৰে কিন্তু কল্পনাৰ বাস্তৱক বাঃ বাঃ দিয়ে। জীৱনটো বজাৰ নহয় পইচা দিলে

বিচৰা বস্তু পায়।

জীৱনত জীয়াই থকা বাস্তৱ যন্ত্ৰণা এয়াই মধুৰ। কল্পনা কৰিবা, কল্পনাৰ মাজতে সকলো ধ্বংস কৰিবা আনক ভালপাই প্ৰতাৰণা কৰি বিশ্বাস ঘাতকটা কৰি জীৱনত কোনো দিনে সুৱাস অনুভৱ কৰিব নোৱাৰিবা যদিহে কাকো সৃষ্টি কৰিবলৈ চেষ্টা নকৰা। 'সৃষ্টি কৰিব নোৱাৰিলে ধ্বংস নকৰিবা আৰু যদি সৃষ্টি কৰিব পাৰিছা তাক জীয়াই ৰাখিবলৈ চেষ্টা কৰা'। আনৰ জীৱনক লৈ কোনো দিনে বাজী নামাৰিবা।

ৰিয়ান ঃ ধেৎ এইবোৰ পাগলৰ দৰে মই কি বকি আছো, আদিত্য মই পাগল হৈছো নেকি? মানুহে মোক পাগল বুলিব নেকি?

আদিত্য ঃ মনে মনে থকা ৰিয়ান এতিয়া আৰু এইবিলাক যে তাইক ভালপাইছিলা সেইবোৰ পাহৰি যোৱা।

ৰিয়ান ঃ পাহৰি যাওঁ কেনেকৈ, আদিত্য তুমি কোৱাচোন মই ভালপোৱা কি মিচা আছিল।

আদিত্য ঃ এৰা ৰিয়ান তুমি ইমান কথা জানিও, সকলো অনুভৱ কৰিব পাৰিও এতিয়া তুমি তাইক তোমাৰ হৃদয়ৰ পৰা লাহে লাহে উলিয়াই দিবলৈ চেষ্টা কৰা।

ৰিয়ান ঃ এৰা আদিত্য মই তাইক কোনো দিনে পাহৰিব নোৱাৰিম....।

আদিত্য ঃ এনেকৈ ভাবি থাকিলে এদিন তুমি পাগল হৈ যাবা।

ৰিয়ান ঃ পাগল হোৱা কথা নকবা পাগল হোৱাৰ উপক্ৰম মোৰ কেতিয়াবাই উকলি গৈছে। পাগলৰ দৰে থাকিলে মোৰ কি লাভ! মই বিচৰাতোৰ আধাও নাপাম এতিয়া মোৰ এটাই সংকল্প সবিতাক লৈ যিমানবোৰ কল্পনা কৰিছিলো আজি তাইৰ আবিহনে মই সকলোবোৰ বাস্তৱত ৰূপায়িত কৰিবলৈ চেষ্টা কৰিছো। মোৰ সঁচা প্ৰেমৰ অনুভূতিবোৰ আজি যেন মৰুভূমিৰ মাজত সিঁচৰিত হৈ গ'ল মাথো তাইৰ বাবে।

## মহৎ লোকৰ বাণী

খন্তেকীয়া সময় কটোৱাৰ আটাইতকৈ ভাল উপায় হ'ল কিতাপ পঢ়া।

*—মাৰ্টিন টুপাৰ বে*

"প্ৰত্যেকজন শিশুৱেই একো একোজন বিজ্ঞানী।"

*— ড০ কালাম*

"শিক্ষাৰ উদ্দেশ্য হ'ল যুৱকসকলক এনেদৰে সাজু কৰা যাতে তেওঁলোক আজীৱন স্বতন্ত্ৰ শিক্ষাৰ্থী হৈ থাকে।"

*— ড০ কালাম*

"কৌতুহলবোধ প্ৰকৃতি শিক্ষাৰ আদি পাঠ।"

*—স্মাইলে ব্লেণ্টন্*

"কলা হ'ল 'মই'
আৰু বিজ্ঞান হ'ল 'আমি'

*—ক্লাড় বাৰ্ণাৰ্ড়*

"বিদ্যা-শিক্ষাই দিয়ে সৃষ্টিশীলতা
সৃষ্টিশীলতাই উদ্দেক কৰে চিন্তা
চিন্তাই কৰে জ্ঞান প্ৰদান
জ্ঞানে কৰে আমাক মহান।"

*— ড০ কালাম*

*সংগ্ৰহ*— শ্ৰীৰুমী ডেকা
স্নাতক প্ৰথম বৰ্ষ

# কাৰ চিকুণ কি ?

| | | |
|---|---|---|
| সুৰৰ | চিকুণ | বাঁহী |
| মুখৰ | চিকুণ | হাঁহি |
| মাছৰ | চিকুণ | ৰৌ |
| মাতৰ | চিকুণ | বৌ |
| বাৰীৰ | চিকুণ | পাণ |
| পথাৰৰ | চিকুণ | ধান |
| নাৰীৰ | চিকুণ | স্বামী |
| বেৰাৰ | চিকুণ | কামি |
| সজাৰ | চিকুণ | মইনা |
| দৰাৰ | চিকুণ | কইনা |
| গাখীৰৰ | চিকুণ | দৈ |
| পানীৰ | চিকুণ | নৈ |
| চৰাইৰ | চিকুণ | ডেউকা |
| পাকঘৰৰ | চিকুণ | চৌকা |
| ভাতৰ | চিকুণ | জহা |
| পদুৰ | চিকুণ | শহা |
| বিহুৰ | চিকুণ | পিঠা |
| মাতৰ | চিকুণ | মিঠা |
| গছৰ | চিকুণ | পাত |
| নদীৰ | চিকুণ | ঘাট |
| প্ৰেমিকাৰ | চিকুণ | চিঠি |
| লেখনিৰ | চিকুণ | ইতি |

শ্ৰীকৃষ্ণা পাটোৱাৰী
স্নাতক প্ৰথম বৰ্ষ

### কৌতুক

এজন চোৰে নাৰিকল চোৰ কৰিব গছত উঠিল। গৃহস্থ অহা গম পাই গছৰ পৰা নামি আহিল।

গৃহস্থ ঃ ঐ গছত কিয় উঠিছিলি ?


চোৰ ঃ ঘাহ কাটিবলৈ।

গৃহস্থ ঃ নাৰিকল গছৰ ওপৰত ঘাঁহ থাকে নেকি ?

চোৰ ঃ নাই কাৰণে নামি আহিলো।

সংগ্ৰহ—*শ্ৰীকৃষ্ণমণি ডেকা*
স্নাতক তৃতীয় বৰ্ষ

# কবিতাৰ কুকি



জীৱনৰ কাৰণেহে কবিতাৰ জয়।
জীৱন যে কবিতাত শতধাৰে বয়।
জীৱনৰ বেদনাৰে ৰঙা হৈ থকা,
কবিতা জীৱন নিজে ভাৱময়,
কবিতাটি জীৱনৰ জয় ভৰা বাণী,
কবিয়ে মৰম ভেদি তাকে দিয়ে আনি।

—আনন্দ চন্দ্ৰ বৰুৱা



# ড০ ভূপেন হাজৰিকাৰ স্মৃতিত

*শ্ৰীদীপক কুমাৰ*
স্নাতক তৃতীয় বৰ্ষ

*এবৈশ শতিকাৰ সূৰ্য্য
শদিয়াৰ মণিটি
লুইতৰ বুকুৰেদি
অসমকে ধৰিলে ৰাখি
ক্ষুধাৰ তাড়ণা
মাত্র গানৰ, দৰিদ্র লোকৰ
সুকণ্ঠেৰে তিয়ালে ধৰণী।।
হে মহিয়সী, হে অসমৰত্ন,
তুমি এবৈশ শতিকাৰ নটসূৰ্য্য।
তোমাৰ নিথৰ দেহৰ অন্তিম চিতা,
তুমি সেই মোহণীয় পাৰৰ ৰূপত
যাবাগৈ, যোৰা।
হে মহামানৱ! তুমি সমন্বয়ৰ প্ৰতীক।
সাগৰ সংগমতো তুমি ক্লান্ত নহ'লা
হে লুইতৰ বুকুৰ কুটুম, হে স্বৰ্ণময়ী, ভূপেনদা
তুমি এবৈশ শতিকাৰ নটসূৰ্য্য।
অলেখ জনতাৰ, অজস্র চকুলো,
বোৱালা লুইতৰ ওলোটা সোঁতত
আজি সেই লুইতৰ অন্ত হ'ল সোত
নোহোৱা হ'ল চিৰ চেনেহী ভাষা জননীৰ
বুকুৰ কুটুম।
হে বিশ্ব বিজয়ী,
তুমি এবৈশ শতিকাৰ সূৰ্য্য।* ☆


# পন

*শ্ৰীঅনুপ ডেকা*
স্নাতক প্ৰথম বৰ্ষ

*হাজাৰ জনতাৰ
মুক্তিৰ সন্ধানত
আহিছো ওলাই
হাতত চোকা কলম লৈ,
দুৰ্বাৰ সাহসৰে
কৰি যাম অহিংসাৰ বিপ্লৱ
আহিব অস্তিত্ব, ৰক্ষাৰ হ'কে
নীতি-আদৰ্শ আগত লৈ
অভেদ্য ভেদি
অগ্ৰগ্ৰামী হম ৰণ থলীলৈ
আৱশ্যকতাত....
জীৱনকো তুচ্ছ জ্ঞান কৰিম
আই মাথো তোমাৰ বাবে....।।* ☆

# উৰুঙা বহাগ

*শ্ৰীবাতুল ৰাজবংশী*
স্নাতক প্ৰথম বৰ্ষ



*মৰমী, মোৰ বহাগ আকৌ আহিল
নাহিলা মাথো তুমি,
ইমান নিষ্ঠুৰ হৃদয় তোমাৰ
আগেয়ে নাপালো গমি।
উকা হ'ল মৰমী, বহাগ মোৰ
হৃদয় বিষাদেৰে ভৰা,
ভাগি যোৱা হৃদয়খনি মোৰ
হবনে পুনৰ জোৰা।
বুকুভৰা মৰম জানা, মৰমী
দিবলৈ নাই কাৰোৰে সহাৰী,
বহাগ মোৰ উৰুঙা হ'ল
তোমাৰ কথা ভাবি ভাবি।।* ☆

# "কবিতা তোমালোক মোৰ বুকুতে থাকিবা"



শ্ৰীনমিতা শৰ্মা
স্নাতক তৃতীয় বৰ্ষ


নিঃশব্দে
তোমালোক মোৰ বুকুত থাকি
ৰামধেনুৰ সাতো ৰং সানিছা।
এজাক বৰষুণ হৈ জীপাল কৰিছা
মোৰ শস্যময় বুকুৰ পথাৰ।
তোমালোকৰ উমত মই টুপনি যাও
তোমালোকৰ মোহত মই সাৰ পাও।
তোমালোকক লৈ মই কৰিছো বহুতো
আশা আৰু বহুতো কল্পনা।
তোমালোকে কৰা মোৰ সেউজী ধৰণী ধুনীয়া,
নৱবৰ্ষৰ প্ৰথম দিনটো তোমালোকলৈ মনত পৰে,
তোমালোক আমাৰ ঘৰলৈ আহিলে
বাতৰ বকুলজোপা উজ্বলি উঠে।
তোমালোক আমাৰ ঘৰলৈ আহিলে আনন্দত
আজি ঘাম আৰু ঘামৰ মৈথুন
প্ৰাণ পাই উঠিছে মোৰ বুকুখন এটা
চুমাৰ আশাত।
চিঞৰি উঠিম, আহিছে মোৰ ওচৰলৈ বাবু
মুনু মোৰ দেহৰ কলিজা।
তোমালোকক দিবলৈ মোৰ হাতত নাছিল একো
আছিল মাত্ৰ মৰম, এটা চুমা।
মোৰ দেহৰ সমস্ত মৰম দিছিলো
তোমালোকক
তোমালোক অহাৰ দিনা মোৰ বুকুত
খিহৰ জাগি উঠে তোমালোক যোৱাৰ দিনা
মোৰ বুকুত কলা মেঘে ঢাকি ধৰে।
সদায় শেষ ৰাতি চকুৰ দুকোণত বৈযোৱা
দুটোপাল চকুপানী তোমালোকৰ বাবে
সাঁচি থলো।

তোমালোকলৈ মনত পৰে মাজনিশাৰ টোপনিত
তোমালোক থাকা বহু দূৰণিত
সপোনত দেখা পাও মাজ নিশাৰ গভীৰ টোপনিত।
সপোনত সাবতি ধৰো তোমালোকক
কিনো কৰিম অকলে মাথো
চকুপানীৰে তিতি যায় মোৰ গাৰু
তোমালোকক মই বহুত ভাল পাও
তোমালোকে বা মোক পোৱানে নাই।
তোমালোকে মোক ভাল নাপালেও
মই তোমালোকক ভালে পাম।
তোমালোকৰ বাবে সমস্ত দেহ দান
কৰিম তথাপি তোমালোকক পাহৰি নাযাও।
তোমালোক মোৰ ওচৰত থাকিলে মোৰ
বুকুৰে লুকা ভাকু খেলে
তোমালোক গুছি গ'লে মোৰ বুকুত
অমৰস্যাৰ জোন হৈ পৰে।
তোমালোকেতো মোৰ ওচৰত চিৰদিন থাকিব নোৱাৰা।
যাব লাগিব দূৰ দূৰণিলৈ যোৱাগৈ থাকিবা
দূৰ-দূৰণিত কুশলে থাকিবা তোমালোক মোৰ বুকুতে।
ৰাখিম তোমালোকক ভালে পূৰ্ণিমাৰ জোনৰ দৰে
আহিবা মাজে মাজে মোৰ ওচৰলে, মোৰ মৰম
লবলৈ থাকিবা মোৰ বুকুতে মোৰ কলিজাহৈ
বহু আশা তোমালোকলৈ থাকিবা মোৰ
বুকুতে জীৱনৰ লগৰী হৈ।
তোমালোকলৈ মৰম বিলাই কৰিলো কবিতা
আৰম্ভ শেষত তোমালোকলৈ যাচিলো
বহুত মৰম। ✯

# বিষাদ

শ্ৰীঅনামিকা দাস
স্নাতক প্ৰথম বৰ্ষ

সপোনবোৰ সপোন হৈ ৰ'ল
আশাবোৰ আশা হৈ ৰ'ল
ভবা নাছিলো কেতিয়াওঁ
বিফলতাবোৰে যে
বাট আগছি ধৰিব
তুমি জানো সহিব পাৰিছা
বুকুৰ মাজত জ্বলা
ফিৰিঙতিৰ দহন অগনিবোৰ
প্ৰতিটো পল অনুপলতে
তোমাৰ ভাৱনাই
জ্বলাই দিয়ে মোক
একুৱা যন্ত্ৰনাৰ জুই
যি জুয়ে পোৰে
কেৱল ছাই নকৰে
অনন্ত অশান্তি, বেদনা
আৰু চট্‌ফটনি।
নিসংগতাৰ বোকোচাত
মোক পাহৰি
হয়তো আজি তুমি
অন্তৰৰ পৰা বহুত সুখী
কিন্তু এৰি অহা
দিন, বাৰ, মাহ, বছৰ
মই কেনেদৰে পাহৰিম বাৰু
মোৰ মনৰ ডায়েৰীত যে তুমি
এটি উজ্বল নক্ষত্ৰ
তোমাৰ কথা যেতিয়াই ভাবো
দুচকুৰে বাগৰি আহে
বাৰিষাৰ উপচি পৰা
ধাৰাসাৰ চকুলো
সময়ৰ সৈতে যুজি যুজি
আজি ক্লান্ত




মোৰ বিশ্বাস তুমি হয়তো
এদিন উপলব্ধি কৰিবা
মোৰ তোমালে থকা
পৱিত্ৰ অন্তৰৰ সঁচা
মৰম ভালপোৱাবোৰৰ
বিশালতা কিমান।
তুমি উভতি আহিবা বুলি
সদায় সজাই থম
মোৰ অন্তৰৰ থাপনাখন।*



# গণেশ বন্দনা

শ্ৰীসনাতন ডেকা
স্নাতক প্ৰথম বৰ্ষ

নমো নমো গজানন নমো দেৱতায়
বিঘিনি নাশক প্ৰভু নমো গণেশায়।
ব্ৰহ্মাৰূপী সনাতন সদায়ে পুজিত
সবাৰো আগত মন কৰোহো বিদিত।
তুমি প্ৰভু সনাতন দেৱ গজানন
তুমিবিনে নাহিকে ঈশ্বৰ বিধি আভুযণ।
যাজ্ঞবন্ধৰ শাস্ত্ৰে নৃষ্য মলদ্বাৰ
শুনিয়া আবাস স্থিতি স্তম্ভিত অন্তৰ।
পিতা শিৱ মাতা উমা ভ্ৰাতা কাৰ্ত্তিক
জল অধিপতি তুমি শনি মাতুল।
শশুৰৰ নাম বিশ্ব ৰূপ সনাতন
দ্বৌ পত্নী অস্তি পুষ্টি আৰু তুষ্টি নাম।
বাসহস্তে নাগপাশ অগ্ৰহস্তে অংকুশ
একহস্তে লাডুথাল একহস্তে মুদ্ৰাভাৰ।
অৰ্থৰ কাৰণে হৈছে বিবাদৰ মুল
বিবাদ বিনাশি প্ৰভু আনা শান্তি ঢল।
মৃষকস্য বাহানন হস্তী সদৃশান
ঐশ্বৰ্য বিভূতি দান দিবা মহাজ্ঞান।
গ-কাৰে জগৰূপ জানিবা নিশ্চয়
নাকাৰে ব্ৰহ্মাবাচক কহিলো নিশ্চয়।
ঈকাৰে অধিপতি জগত ঈশ্বৰ
সেয়েহে গণেশ নাম জানিবা সকল।। *



# জীৱন

শ্ৰীজ্যোতিৰূপা দাস
স্নাতক প্ৰথম বৰ্ষ

*বিলিন নহব মোৰ জীৱনত,*
*অশান্ত মনৰ বেদনা কোনে বুজিব?*
*দুখেৰে ভৰা এই হৃদয়ৰ*
*কান্দোন বুজি পাবনে কোনোৱাই?*
*দুখ বেদনা নেওঁচি*
*সাজু হলো যুজিবলৈ।*
*কত যে ৰং এই পৃথিৱীখনৰ*
*এইপৃথিৱীত কোন কাৰ আপোন,*
*মাত্ৰ দুদিনৰ হে আপোন।*
*সকলোৰে জীয়াই থাকে*
*একমাত্ৰ স্বাৰ্থৰ বাবে*
*স্বাৰ্থ বুজে সকলোৰে নিজৰ*
*নুবুজে মৰম আনৰ*
*কেৱল স্বাৰ্থ আৰু স্বাৰ্থ*
*স্বাৰ্থ সমাপ্তি হ'লে*
*ভংগ হৈ যাব*
*হৃদয় আনৰ*
*স্বাৰ্থ মাথো স্বাৰ্থ এই জগতত*
*স্বাৰ্থ সমাপ্তি হ'লে*
*হেজাৰ জনৰ হৃদয়*
*ভংগ হৈ যায় অন্তৰৰ পৰাওঁ*
*ওলাই কান্দোন মাথো কান্দোন*
*এয়েই মাথো কান্দোন।। ★*

# অভিমানি বন্ধু

শ্ৰীৰুমী ৰাজবংশী
স্নাতক প্ৰথম বৰ্ষ

*হেৰা অভিমানি বন্ধু*
*অভিমান কেতিয়া এৰিবা*
*নাজানো হঠাতে কি হয়*
*বুজিও নুবুজা হওঁ তোমাক*
*আচলতে মই বৰ দুৰ্বগীয়া*
*কেতিয়াবা নকৰলগীয়া কথা কওঁ*
*মই জানো—*
*এইবিলাক কথাৰ কাৰণে*
*মই ক্ষমাৰ যোগ্য নহয়।*
*তথাপিও ক্ষমা খুজিছো*
*দিবানে তুমি মোক ক্ষমা কৰি*
*ৰাখিবানে তুমি মোক চিৰ জীৱনলৈ*
*বন্ধুত্বৰ এনাজৰীৰে বান্ধি। ★*

# জোনাকত অপেক্ষাত

শ্ৰীভনিতা ডেকা
স্নাতক দ্বিতীয় বৰ্ষ

*জোনাক বিহীন দিনবোৰ পা ৰহৈ*
*আহিব বুলি জোনাক*
*মই অপেক্ষা কৰিছো।*
*বহুত দিন হ'ল তোক নেদেখা*
*তই ভালে আছ নে?*
*সঁচাকেয়ে মনত নপৰেনে তোৰ*
*হেপাহৰ সেই দিন বোৰৰ কথা।*
*মই যে এতিয়াও শৰৎৰ জোনাকত*
*তোৰ স্পৰ্শ অনুভৱ কৰো*
*এইবাৰো ব'হাগত নাহিলি তই*
*আহিবি দে, তই আহিলে*
*মোৰ মনত ব'হাগ আহিব;*
*আহিব মোৰ জীৱনত হেৰাই*
*যোৱা জোনাক। ★*



# ভাল পাওঁ বাবে কোৱা নাই মই তোমাক ভাল পাওঁ বুলি

শ্ৰীজিতেন ডেকা (জিতু)
স্নাতক তৃতীয় বৰ্ষ

তোমাক সচা হৃদয়ৰে বিচাৰো বাবে
কোৱা নাই মই
তোমাক ভাল পাওঁ বুলি,
ওচৰত পাই যদি হেৰুৱাও তোমাক
নিচিহ্ন হব জোনাকী গধুলি।
সেয়েহে তোমাক কাকুতি কৰিছো
মোৰ দুচকুত চকু নথবা তুমি
তোমাৰ চাৱনিত নিশা জ্বলে মোৰ
শুস্ক হৃদয়ত জুই উমি উমি।
নিশাৰ স্বপ্ন বুলি পাহৰি যোৱা মোক
অন্তৰৰ পৰা উলিয়াই দিয়া,
এইকণ কষ্ট কৰিলে তুমি
মোৰ আত্মাই সুখলভিব প্ৰিয়া।
নীল আকাশৰ জোন তুনি
নাপাওঁ তোমাক কেতিয়াওঁ ঢুকি
মোৰ জীৱনত অমাবস্যা আহিলেও
তোমাক নোপোৱাৰ বেদনাত, নেথাকো চকুপানী টুকি।
মোৰ বাবে তুমি থমকি নৰবা
জীৱনৰ চমু বাটত,
মোৰ শুভকামনা সদায় থাকিব
তোমাৰ জীৱনৰ প্ৰতিটো পদত।
নেজানা তুমি, ৰৈ আছে তোমাৰ বাবে
জাকত জিলিকা ভবিষ্যৎ
দীন দৰিদ্ৰ বাটৰ ভিকহু মই
মইয়ে নাজানো মোৰ স্থান ক'ত।
তোমাক ভাল পাওঁ বাবে কোৱা
নাই মই তোমাক ভাল পাওঁ বুলি
নাই মোৰ গৌৰৱ, নাই মোৰ অহংকাৰ
তোমাৰ প্ৰতি বেয়া ভাব নাই
ভালপাওঁ বাবে কোৱা নাই মই
তোমাক ভাল পাওঁ বুলি।। ★

# বন্ধুত্ব

শ্ৰীঅঞ্জু ডেকা
স্নাতক প্ৰথম বৰ্ষ



তোমাৰ বন্ধুত্ব মোৰ
অতিকৈ ভাল লাগে
সঁচাই কিমান পবিত্ৰ
কিমান প্ৰেৰণাদায়ক।।
আজি উপলব্ধি কৰিছো মই
বিশ্বাসী বন্ধুৰ সমান
ভাগ্যবান কোনো নাই
ত্যাগী বন্ধুৰ সমান
মহান কোনো নাই
সেয়েহে কৈছো
যদিহে পোৱা তেনে বন্ধু
নকৰিবা নিৰাশ,
তাক নিদিবা হেৰুৱাবলৈ বিশ্বাস, তোমাৰ
কাৰণ তুমি যে
মোৰ সদায় বিশ্বাসী।
আকাশৰ তৰাটি যেনেকৈ
ধুনীয়া হৈ জ্বলি থাকে,
তেনেকৈ তোমাৰ বন্ধুত্ব যেন
সদায় উজ্বল হৈ থাকে
বন্ধু ৰ মিলন যেন
সদায় নদীৰ সোঁতৰ দৰে বৈ থাকে
হেজাৰ কাল ধুমুহা আহিলেও
ইয়াক যেন ৰোধ কৰিব নোৱাৰে
ঠিক পূৰ্ণিমাৰ নিশাৰ
উজ্বল জোনটিৰ দৰে
আমাৰ বন্ধুত্ব
সদায়ে থাকিব
যেতিয়ালৈ জোন তৰা থাকিব। ★

# অবুজ প্ৰেম

শ্ৰীজিতুমণি কলিতা
স্নাতক তৃতীয় বৰ্ষ



প্ৰেম অন্ধ বুলিয়েইতো
তোমাৰ প্ৰেমত পৰিলো
এতিয়া গভীৰ হ'লেই জানো
উঠিব পাৰিম?
আৰু মোকো তেনেকুৱাবুলি ভাবা নেকি?
মোৰ প্ৰেম জালুকবাৰীৰ,
কিছু সময়ৰ ৰোমাঞ্চ নহয়।
নহয় ৰঞ্জিতৰ দোকানৰ
এটকীয়া চুইংগম,
নহয় ৰতনী বাইৰ
গেলা মদ,
এপেক খালে কিছুপৰ ৰিম্‌জিম্ কৰি
নিচাহ ফাটি যাব।
মোৰ প্ৰেম সাগৰৰ দৰে গভীৰ
আকাশৰ দৰে বিশাল
কবিতাৰ দৰে ৰসাল,
পৃথিৱীৰ দৰে জীপাল,
মোৰ দৰে মাতাল।
আবে ভাই মানিবেগত
কজলা নম্বৰী নাথাকিব পাৰে।
দেইলী মেছেজ নাযাব পাৰে
আই লাভ ইউ আই মিছ ইউ
হৃদয়তটো আছে খাতি অসমীয়াৰ
ভাইৰাচ নথকা মৰম।
এবাৰ লৈ ছা
দেউতাৰ চাকৰী নাথাকিলেউ
মজদুৰী কৰি
বাইকৰ পিছত উঠাম বাপেকে।
ভয় নকৰিবি নগলেও
জোৰ নকৰো।
মই তেনেকুৱাই
ছাৰ্ট ফাটি গলেও
বুতাম নমৰাকে নাথাকো
আবে ভাই
ইৎজতৰ কথা আছেতো
দুখীয়া হ'লেও হৃদয় এখন আছে
কাৰোবাক ভাল পাবলৈ ইচ্ছা যায়
এয়াইতো দুখীয়াৰ ষ্টাইল। ☆

# "তোমালৈ শেষ টেলিফোন"

শ্ৰীভনিতা পাটোৱাৰী
স্নাতক প্ৰথম বৰ্ষ

বাহিৰত আন্ধাৰ আৰু বৰষুণ
তথাপি উটি আহিছে জোন।
আৰু এয়া মোৰ তোমালৈ শেষ টেলিফোন
কিবা কোৱা। কিবা ভাল লগা।
কিবা এটা গান।
এটা নতুন কবিতা।
কোৱাচোন।
কিয়নো এয়ে মোৰ শেষ টেলিফোন
নহলে কোৱা
আকাশ শূণ্য হ'লেও
কিয় ইমান নীলা?
সাগৰ গভীৰ প্ৰজ্ঞাৰে,
তথাপি কিয় জোৱাৰ-ভাটা?
কোৱা কোৱা
আলহী পখীৰ বাবে
জলশয়ৰ কিয় আকুলতা?
লাহে লাগে ডুবিছে জোন।
বহু ৰাতিৰ শেষটো
ধুনীয়া ৰাতি আজি
আজি বতাহৰো শেষ গুণ গুণ
কিবা এটা কোৱা
কিবা এটা ভাল লগা
এয়া যে তোমালৈ মোৰ
শেষ টেলিফোন। ☆



# জ্ঞানৰ মন্দিৰ

শ্ৰীৰাতুল ৰাজবংশী
স্নাতক প্ৰথম বৰ্ষ



হে পাতিদৰং মহাবিদ্যালয়,
তুমি হ'লা জ্ঞানৰ আলয়
দূৰ দূৰণিৰ ছাত্ৰ-ছাত্ৰীয়ে
তোমাৰ আশ্ৰয়ত কৰিব সাধনা,
লভিব জ্ঞান পিন্ধিব জ্ঞানৰ মালা
তোমাৰ জ্ঞানৰ ভড়াললৈ
ৰাইজৰ বাবে, দেশৰ বাবে
আনিছে গৌৰৱ, জগতৰ বাবে
তোমাৰ চৌপাশে শোভাবৰ্দ্ধন কৰিছে
শস্য শ্যামলা সেউজী পথাৰ,
দেখি লাগে ভাল কটিয়াইয়েন জ্ঞানৰ সম্ভাৰ
হে জ্ঞানৰ মন্দিৰ তোমাক আশ্ৰয়লৈ
গুৰু সকলে কৰিছে আমাক পাঠদান।
গুৰু সকললৈ যাছিলো মই সহস্ৰ প্ৰণাম
জয় পাতিদৰং মহাবিদ্যালয়। ★

# হৃদয়ৰ উচুপনি

মিছ হেলেনা বেগম
স্নাতক দ্বিতীয় বৰ্ষ



হৃদয়ত বাজি আছে অহৰহ
অস্পষ্ট উচুপনি
তুমি শুনিচানে?
তুমি যোৱাৰ দিনবোৰ
কেতিয়াবাই উকলিল
এতিয়া নিৰৱতাৰ সতে
বিনিময় কৰোঁ
হৃদয়ৰ কথা
আকোৱালী লওঁ নিস্তব্ধতাক।
প্ৰেমিকাৰূপে
মনত কবিতাৰ,
নিঃশব্দতাৰ মাজত শব্দৰ পোহৰ
তোমাৰ স'তে হৃদয়ৰ অভিমানৰ
প্ৰেমৰ পৰাজয়ত
কলিজাত এটুকুৰা ঘা
তোমাৰ সতে নকৰো আৰু
হৃদয়ৰ যত বিনিময়। ★

# সুন্দর গোলাপ

শ্ৰীলতিকা ভৌমিক
স্নাতক প্ৰথম বৰ্ষ

হে সুন্দর গোলাপ
জানিনা তোমার কিসের এতো সংলাপ।
কিসের প্রতীক তুমি?
হে সুন্দর গোলাপ।
স্নিগ্ধ শীতল অসীম
আকাশের সন্ধানে।
এই স্মৃতির নতুন স্বপ্ন
তুমিই কর সৃষ্টি।
হঠাৎ করে নামাও সেখানে
কাল বৈশাখের বৃষ্টি। ★



# স্মৃতি


শ্ৰীৰুমী পাঠক
স্নাতক প্ৰথম বৰ্ষ

মোৰ হৃদয়ৰ মাজত থকা
তোমাৰ স্মৃতিবোৰে
মোক কন্দুৱাই।
মই চৌদিশে বিচাৰি ফুৰিছোঁ তোমাক
পাম জানো তোমাৰ সন্ধান?
হেৰায় যোৱা তোমাৰ মৰমবোৰ
সময়ত হৈ গ'ল অতীত
দুখৰ জীৱনত একোকে নাপালো
মাথো থাকি গ'ল তোমাৰ স্মৃতি। ★

# সেন্দুৰ

*শ্ৰীসৰযুমণি দাস*
স্নাতক তৃতীয় বৰ্ষ

*সচাকৈ আছে*
*ৰঙা হৈ এতিয়াও যোৰা*
*যুগ্ম জনমৰ*
*তৰাময় আকাশত*
*থান-বান হৈ যোৰা*
*পিত হৈ মোৰ বুকুত*
*ধৰণী শুৱণী কৰা সেন্দুৰ।*
*ভাওঁনাৰ ভাওঁ দি*
*লবলৈ কলি আশা দিবলৈ মৰম*
*পাহৰিলি সেওঁতাৰ সেন্দুৰৰ মোল*
*ওৰেতো জনম দুখৰ বলি কৰি*
*তোৰ ভাওঁনাৰ ভাওঁতে*
*কংকাল সাজিলি মোৰ জীৱন 'বিন্দুৰ'। ★*



# আই জন্মভূমি

*শ্ৰীৰুমী পাঠক*
স্নাতক প্ৰথম বৰ্ষ

*হে আই জন্মভূমি*
*তোমাৰ কোলাতে জন্ম লৈ,*
*তোমাকে ইমান অত্যাচাৰ!*
*কিয় বাৰু, কিয় বাৰু তুমি*
*সিহঁতৰ অসাৰ্থক দম্ভ সহ্য কৰি থকা*
*নিঃশেষ কৰি নেপেলোৱা কিয়*
*সিহঁতৰ গৰ্ব?*
*তোমাৰ এই প্ৰকৃতিৰ দান বিচিত্ৰ-বিশাল*
*পাহাৰ-পৰ্বত, গছ-গছনি, নদ-নদী*
*চৰাই-চিৰিকটি, তোমাৰে অলংকাৰ*
*হে আই জন্মভূমি তোমাকে*
*কৰো প্ৰণাম।। ★*



# মাতৃক সুৱৰি

*শ্ৰীপদুমী ভৰালী*
স্নাতক প্ৰথম বৰ্ষ

*ছয় পুত্ৰ মোৰ ডাঙৰ হ'ব*
*ডাঙৰ হৈ চহৰত চাকৰি কৰিব*
*বিয়া-বাৰু কৰাই বোৱাৰী আনিব*
*নাতি-নাতিনীৰে ঘৰ মোৰ ভৰি পৰিব*
*সুখৰ সীমা নাথাকিব!*
*ভবা কথা নহয় সিদ্ধি*
*বাটত আছে কণা বিধি*
*বিধিৰ বিধান নাযায় খণ্ডন*
*কোনে মচিব পাৰে কপালৰ লিখন*
*পো বোৱাৰীয়ে তোমাক এৰিলে*
*নিষ্ঠুৰ নিয়তিয়ে তোমাক নেৰিলে*
*স্বামীকো আতৰাই নিলে*
*বগা সাজ জুৰি উদং ডিঙি*
*ৰাতি উজাগৰি কটাও*
*তোমাৰ কথা ভাবি*
*তোমাৰ কপালত জিলিকি*
*থকা ৰঙা বেলিটিওচোন নাই*
*আই অ আই নাকান্দিবা। ★*

# কোনে বুজিব

*শ্ৰীজুনুমণি দাস*
স্নাতক প্ৰথম বৰ্ষ

*সাগৰ কিমান বিশাল*
*আশাৰ সীমা কত?*
*কোনেনো দেখিব*
*কিয় অশান্ত এই মন।*
*কোনে বুজিব আৰু কিয় বুজিব*
*একান্ত মাথো মোৰ মন।*
*তোমাৰ বাবে*
*কোনে বুজিব তোমালৈ যে*
*মোৰ কিমান মৰম। ★*

# তোমাৰ গানে

শ্ৰীনয়নমণি বৰুৱা
স্নাতক তৃতীয় বৰ্ষ

তোমাৰ জীৱনৰ বাট মোৰ বাবে অচিনাকী নহয়
তথাপিওঁ উত্তৰ বিচাৰি সুমাই যাও জটিল সাথৰৰ মাজত
মোৰ মৰম মোৰ ভাৱনা ইমান যে গভীৰ!
পাৰিবাজোনো বুজিব পাৰিবানে অনুভৱ কৰিব?
তুমি মোক পাহৰি পেলাবা আৰু পাহৰি যোৱা
মোৰ দোষ, গুণ আৰু ভালপোৱা।
দূৰত কান্দিব মাথো কোনোবা অচিন পক্ষীয়ে।
হিয়া ভাঙি গছে-পাতে সৰাব চকুলো।
তোমাৰ মনৰ কোণত জীয়াই আছেনে
মোৰ অনুচ্ছাৰিত অজস্ৰ কথাৰ ভঁৰালটো?
মনত আছেনে তোমাৰ, কথাৰ মাজতে যে
গুণ গুণাইছিলা সুৰদী সুৰীয়া এটি বৰষুণৰ গীত!
মোৰ কোলাত তুমি মূৰ থৈ গান গোৱা
তোমাৰ গানে স্পৰ্শ কৰে মোৰ হৃদয়ৰ স্তব্ধ গভীৰতা,
তোমাৰ সপোনবোৰে আহি জিৰাইছিলহি
মোৰ টোপনিৰ সীমান্তত, নাচি যোৱা পখিলা দুটিৰ সৈতে
মই জানো, তুমি হেৰাই যোৱা নাই!
বন্ধ হৈ যোৱা নাই তোমাৰ হৃদয় জপনা
সংগোপনে সাৰে আছে তোমাৰ গভীৰ বুকুত
তোমাৰ অশান্ত হৃদয় জুৰ পেলোৱা মোৰ স্পৰ্শ। ★

(Dedicate to Barnali Baruah), Dispur



# এনেকৈয়ে আহেনে ব'হাগ

শ্ৰীমমিতা ডেকা
স্নাতক প্ৰথম বৰ্ষ

এনেকৈয়ে আহেনে ব'হাগ
বৰদৈ চিলা জনীক লৈ
আমাৰ পঁজা ঘৰবোৰ ভাঙিবলৈ
এনেকৈয়ে আহেনে ব'হাগ
কুলি জনীক লৈ।
আমাৰ মনবোৰ মুহিবলৈ
এনেকৈয়ে আহেনে ব'হাগ
বৰষাক লৈ।
গছৰ ডালত কুঁহিপাত বিলাবলৈ
এনেকৈ আহেনে ব'হাগ
পানীবোৰ বোকাত বান্ধি লৈ
আমাৰ মনবোৰ ধুই নিকা কৰিবলৈ। ★

# সুখ-দুখ

শ্ৰীৰুমী ডেকা
স্নাতক প্ৰথম বৰ্ষ

সুখে-দুখে ভৰা মানুহৰ জীৱন
দুখ হ'ল আন্ধাৰ, সুখ হ'ল পোহৰ
দুখৰ দিন কেইটা কটাবা অকলে
সুখৰ দিনবোৰ নোৱাৰা কিন্তু অকলে
দুখৰ দিনত যিয়ে এৰিব তোমাক
সুখৰ দিনত তেওঁক সংগী নকৰিবা।
কচুপাতৰ পানী মাথো এই সুখ-দুখৰ হৃদয়
পৰিলে পাৰৰ নাই
সেয়ে সুখ-দুখ দুয়োকে
চলাই নিয়া এই জীৱন।। ★

# কি যে নিষ্ঠুৰ হৃদয় তোমাৰ

শ্ৰীভাগ্যতি পাটোৱাৰী
স্নাতক প্ৰথম বৰ্ষ

কি যে নিষ্ঠুৰ হৃদয় তোমাৰ,
আজিহে বুজিলো হায়!
বহুত কেইখন পবিত্ৰ হৃদয়ক চুৰমাৰ কৰি
আন এখন হৃদয়ক ল'লা আপোন কৰি
কি যে ভয়ানক তোমাৰ অতীত,
তোমাৰ সেই নিষ্ঠুৰ হৃদয়খন।
তুমি পাহৰি নাযাবা,
যিদিনা পৰিব মনত তোমাৰ
সেই অতীতৰ স্মৃতিবোৰ,
শান্তিৰে থাকিব নোৱাৰিবা তুমি,
সিদিনাই ধপ ধপকৈ জ্বলি উঠিব
তোমাৰ সেই নিষ্ঠুৰ হৃদয়।
তুমি জানো ৰবা মোলৈ,
বাট চাই চাই মই যে উভতি গ'লো
তোমাৰ হকে মই যে কিমান যন্ত্ৰণা সহিব লগা হৈছে
সেই তাহানিৰ কথাবোৰ,
মোৰ হ'লে সঁচাকৈ মনত পৰে
সেই তাহানিতে হৈ যোৱা কথাবোৰ,
তুমি কিন্তু মোক নুবুজিলা
মোক সেই জুয়ে এতিয়াও দহি মাৰিছে,
মই যে ৰঙীণ সপোন দেখিছিলো
এতিয়াও মোৰ সেই সপোনবোৰ
মনৰ মাজত স্মৃতি হৈ আছে।
তুমিযে কৈছিলা ভৱিষ্যতৰ কথাবোৰ
সঁচাকৈ তুমি জানো পাহৰিলা?
নাপাহৰিবা, পাহৰিলে হয়তো মোক আৰু
একুৰা জুয়ে দহি পুৰি মাৰিব
মই এতিয়া মোৰ দেশলৈ আহিলো
তুমি হয়তো মোক আৰু কোনোদিনে নাপাবা। ★





# দুদিনীয়া জীৱন

শ্ৰীসান্তনা ডেকা
স্নাতক প্ৰথম বৰ্ষ


দুদিনীয়া মানুহৰ জীৱন
কোনে জানে,
ক'ত কেতিয়া কি হয়
আজি আছো কালি নাই।
সময় আকৌ
ঘূৰি নাহে কাহানিও
জীয়াই আছো
এয়াই বহুত।
এই জীৱন্ত কালতে কৰি যোৱা
নিজৰ কৰ্তব্য,
পিছ নোহোঁহিকিবা
মাথোঁ কৰি যোৱা।
হাঁহি-স্ফুৰ্তিৰে কটাবা দিন
নানিবা বেদনা।
আঁতৰোৱা দুখ
আহিব সুখ।
জানা, জীৱন মানেই সংগ্ৰাম
সংগ্ৰাম মানেই
জয়ী হবলৈ শিকা
কাৰণ, দুদিনীয়া মানুহৰ জীৱন। ★

## সপোনৰ এই পাতিদৰং কলেজ

শ্ৰীপ্ৰমোদ বড়ো
স্নাতক দ্বিতীয় বৰ্ষ



পাতিদৰং কলেজ, পাতিদৰং কলেজ, পাতিদৰং কলেজ
প্ৰাণৰ আপোন তুমি মোৰ
কিমান যে সুন্দৰ এই পাতিদৰং কলেজ
শুৱনী সেউজীয়াৰে ভৰা এই পাতিদৰং কলেজ
কামৰূপ জিলাৰ এক শান্তিপূৰ্ণ স্থান
সকলোতকৈ শ্ৰেষ্ঠ যেন এই পাতিদৰং কলেজ
সপোন আছে পাতিদৰং কলেজৰ।
আশা আছে পাতিদৰং কলেজৰ
আমি হলো এই সপোনৰ আশা
আৰু আমিয়েই হলো সপোনৰ পাত্ৰ
এদিন সঁচা হ'ব আমাৰ সপোন
এদিন উজ্বল হ'ব আমাৰ এই পাতিদৰং কলেজ
আশীৰ্বাদ কৰা আমাক
কেবল আশীৰ্বাদ কৰা।
এদিন সঁচাকৈয়ে ইয়াৰ
দিঠকত পূৰ্ণ কৰিম সপোন
ৰজা আৰিমত্তৰ ৰাজধানীৰ সপোন
শান্তি প্ৰেম প্ৰগতীৰে উজলীব এদিন
আমাৰ বুকুৰ সপোন পাতিদৰং কলেজ। ✯





## অতীতৰ স্মৃতি

শ্ৰীলতিকা ডেকা
প্ৰাক্তন ছাত্ৰী

মোৰ কথাই যদি,
কাৰোবাৰ মনত অশান্তি আনে,
মই কিয় মৌন হ'ব নোৱাৰো!
অতীতৰ স্মৃতিবোৰ আহি কিয় বাৰু,
বঢ়াইতোলে মোৰ মনৰ চোতাল।
মছি নিঃসেহ কৰিব নোৱাৰো কিয়,
মোৰ হৃদয়ৰ ধুমুহাক।
মই কিয় ৰুধিব নোৱাৰো হৃদয়ৰ দুৱাৰ,
বিনিময়ত যদিহে আহে কাৰোবাৰ সুখ।
অতীতৰ স্মৃতিয়ে অনা কঠিন সময়,
মোৰ বাবে পূজাৰ নিৰ্মালী, মাথো ভৱিষ্যতৰ।
জীৱনৰটো এনে ক্ষণ নাই,
য'ত বাধাৰ প্ৰাচীৰ নাই।
মোৰ হাঁহিয়ে ঢাকি ৰাখক,
সপ্ত সাগৰৰ বেদনা।
প্ৰৱাহিত হওঁক তোমাৰ বুকুত,
শান্তিৰ নৈ, নিজৰা।। ✯



# অনুভূতি

শ্ৰীনয়ণমণি দাস
প্ৰথম বৰ্ষ

ধৰালৈ বসন্ত নামিছে
ৰিব ৰিব মলয়া বলিছে
ফুলনীৰ সেই ফুল পাহ
বতাহত লৰিছে
মনৰ নিজৰাত তোমাৰ
প্ৰেমৰ বতৰা
কুলু কুলু সুৰেৰে ববলৈ ধৰিছে
এক লক্ষহীন ভাবে
কুলি কেতেকী আনন্দত
মতলীয়া হৈ ফুৰিছে
বসন্তৰ মধুময় গীত
যি গীতত আছে
তোমাৰ আৰু মোৰ ৰঙীণ সপোন
এদিন যাবগৈ কুলি, যাবগৈ কেতেকী
যাবাগৈ তুমি মোক এৰি
পৰি ৰব মাথো হেৰুৱা দিনৰ
স্মৃতিৰ দিশহাৰা
পৰি ৰব হৃদয় শুকান মৰুভূমিত
বিলিন হ'ব মোৰ সপোন
মৰিচিকাৰ লগত। ☆



# ধুমুহা

মিছ ফৰিদা বেগম
স্নাতক দ্বিতীয় বৰ্ষ

এপাহি গোলাপ বুকুত ফুলিলে
এজাক ধুমুহা বুকুত নামিলে।
মনটো কিয় দোমোজাত পৰে
মই নুবুজা নজনাকৈ
অচিনাকি এজন হৈ চিনাকিবোৰ
কিয় হেৰায় যায়।
পৃথিৱীৰ মায়া এৰি
হয়তো এদিন যাব লাগিব।
নোৱাৰো ৰাখিব কোনেও বান্ধি
মৰমৰ এনাজৰি যেতিয়া চিঙিব।
কোমল কলিজাই উচুপি কান্দিব
বুকুত যেতিয়া জুই জ্বলিব।
নুমাব নোৱাৰে কোনেও তেতিয়া
বাৰে বাৰে আহা মোৰ জীৱনত
আশাবোৰ বৈ
দিয়া মাথো বিষৰ পিয়লা
নালাগে আহিব কাষলৈ আজি
নালাগে দিব চকুলো মচি। ☆





# উপ-সভাপতিৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাকমুহূৰ্তত যি সকল ব্যক্তিৰ অক্লান্ত শ্ৰম আৰু অশেষ চেষ্টাত পাতিদৰং মহাবিদ্যালয়ৰ দৰে পবিত্ৰ শিক্ষানুষ্ঠানখন স্থাপন হ'ল সেই সকল মহান ব্যক্তি আৰু অসমী আইৰ অস্তিত্ব ৰক্ষাৰ বাবে প্ৰাণ আহুতি দিয়া জ্ঞাত-অজ্ঞাত শ্বহীদ বীৰ সকললৈ অশ্ৰু ভৰা শ্ৰদ্ধা জ্ঞাপন কৰিছো। লগতে যি সকল মহান পূণ্যআত্মাৰ ত্যাগৰ ফলত ১৯৮৯ চনত আশাৰ পদুম পাতিদৰং মহাবিদ্যালয়ৰ জন্ম হৈ আজিৰ অৱস্থালৈ উন্নতি হ'ল সেই সকলক মই শ্ৰদ্ধাৰে সুৱৰিছোঁ।

২০১০-২০১১ চনৰ পাতিদৰং মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতি বিচাপে সেৱা আগবঢ়োৱাৰ সুবিধাকণ দিয়া বাবে পাতিদৰং মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীলৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মই পাতিদৰং মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতি পদৰ দায়িত্বভাৰ গ্ৰহণ কৰি কেইবাটাও কাৰ্য্যসূচী চলাই নিও। তাৰ ভিতৰত কলেজৰ প্ৰতিষ্ঠা দিৱস, স্বাধীনতা দিৱস, মিলাদ-এ-মেহফিল, শিক্ষক দিৱস, বাথৌ পূজা, সৰস্বতী পূজা আৰু পাতিদৰং মহাবিদ্যালয়ৰ নৱাগত ছাত্ৰ-ছাত্ৰীখিনিক আনুষ্ঠানিকভাবে স্বাগতম জনাবলৈ নৱাগত আদৰণি সভাখনি উলহ মালহেৰে অনুষ্ঠিত কৰা হয়। এইলৈ মই গৌৰান্বিত।

মহাবিদ্যালয়ৰ অভাৱ অনাটন, অসুবিধাবোৰ আজিলৈ দূৰ নহল ছাত্ৰ-ছাত্ৰীৰ বাবে সুকীয়া জিৰণি কোঠা, চাইকেল ৰখা ঘৰ, ছাত্ৰ একতা সভাৰ সুকীয়া **Account, Student Union** আৰু সম্পূৰ্ণ ঐক্য পোছাক পৰিধান নকৰাৰ সমস্যা সমস্যা হৈয়ে থাকিল। যি কাৰণে মহাবিদ্যালয়ৰ চাৰিওফালে এক বিশৃংখল পৰিবেশ পৰিলক্ষিত হয়। মই পুনৰবাৰ মহাবিদ্যালয় কৰ্তৃপক্ষক বিষয় কেইটাৰ প্ৰতি হেমাহি নকৰি গুৰুত্বসহকাৰে লবলৈ বিনম্ৰ অনুৰোধ জনালোঁ।

মোৰ কাৰ্যকালত বিভিন্ন প্ৰকাৰে দিহা পৰামৰ্শ দি সহায় আগবঢ়োৱা শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়ৰ লগতে শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলক আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী তথা ছাত্ৰ একতা সভাৰ সমূহ বিষয় ববীয়ালৈ মই ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌ শেষত পাতিদৰং মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনা কৰি অনিচ্ছাকৃত ভুল-ত্ৰুতিৰ ক্ষমা বিচাৰি প্ৰতিবেদনৰ ইতি ৰেখা টানিলোঁ।

।। জয়তু পাতিদৰং মহাবিদ্যালয় ।।

শ্ৰদ্ধাৰে—
শ্ৰীনয়নমণি বৰুৱা
উপ-সভাপতি
পাতিদৰং মহাবিদ্যালয়
ছাত্ৰ একতা সভা
ইং ২০১০-২০১১



# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ কলিতে অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ বাবে অসমীয়া ভাষা সংস্কৃতি তথা অসমীয়া জাতিৰ হকে হেলাৰঙে প্ৰাণ আহুতি দিয়া জাতিৰ বীৰ-বীৰঙ্গণা সকললৈ মই শ্ৰদ্ধাৰে পুষ্পাঞ্জলি নিবেদিছোঁ। এই চেগতে যি সকল মহান ব্যক্তিৰ ত্যাগৰ ফলত উচ্চ শিক্ষাৰ অনুষ্ঠানৰূপে "পাতিদৰং মহাবিদ্যালয়ৰ" অংকুৰণ ঘটিল তেওঁলোকক শ্ৰদ্ধা জনাইছোঁ। এই মহান অনুষ্ঠানখন স্থাপিত হৈছিল ইং ১৯৮৯ চনৰ ৩১ আগষ্টত। এই মহান অনুষ্ঠানটিৰ হকে যি সকল দাদা, বাইদেউ, বন্ধু-বান্ধৱী তথা মৰমৰ ভাইটি-ভন্টিয়ে সেৱা আগবঢ়োৱাৰ সুবিধাকণ দিয়াৰ বাবে শ্ৰদ্ধাৰে মোৰ তৰফৰ পৰা আন্তৰিক অভিনন্দন জনাইছোঁ।

ইং ২০১০-২০১১ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সাধাৰণ সম্পাদকৰ পদত অনতীৰ্ণ হওঁ। নিৰ্বাচনত জয়ী হৈ ২৮/১০/২০১০ তাৰিখে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ গুৰু দায়িত্ব মুৰপাতি লওঁ।

মই পাতিদৰং মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰি কেইবাটাও কাৰ্য্যসূচী চলাই নিও যদিও যথেষ্ট কম সময়ত কেইটামান কাৰ্য্যসূচী চলাব লগা হয়। মোৰ দৰে যেন নহয় অনাগত ভৱিষ্যতলৈ তাৰ বাবে সকীয়ালো। যথেষ্ট খাম-খেলিৰ মাজতো মোৰ শক্তিশালী সিদ্ধান্তত মহাবিদ্যালয়ৰ গৌৰৱময় খেল নৃত্য গীতেৰে উদ্‌যাপন কৰা হয়। ইং ২২/১১/২০১০ তাৰিখৰ পৰা ২৭/১১/২০১০ লৈকে বৰ্ণাঢ্য কাযচ্ছ্যসূচীৰে মহাবিদ্যালয়ৰ খেল প্ৰতিভা সপ্তাহ অনুষ্ঠিত হয়। লেখ প্ৰতিভা সপ্তাহৰ বিভিন্ন কাৰ্য্যসূচীত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে যোগদান কৰি প্ৰতিভা সপ্তাহৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

এইন বেলিৰ দৰে মোৰ কাৰ্য্যকালতো মহাবিদ্যালয়ৰ বিভিন্ন ধৰণৰ কাৰ্য্যসূচী অনুষ্ঠিত কৰা হয়। ইয়াৰ মাজতে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস, সৰস্বতী পূজা, বাথৌ পূজা, শিক্ষক দিৱস, স্বাধীনতা দিৱস, মিলাদ-এ-মেহফিল আদি। মহাবিদ্যালয়ত অনুষ্ঠিত কৰা সমূহ কাৰ্য্যসূচীতে ছাত্ৰ-ছাত্ৰীৰ পৰা পোৱা সহায় সহযোগিতা কেতিয়াও অস্বীকাৰ কৰিব নোৱাৰি। আকৌ ইং ১ অক্টোবৰ ২০১১ তাৰিখে বৰ্ণাঢ্য কাৰ্য্যসূচীৰে মতুনকৈ নামভৰ্ত্তি কৰা ছাত্ৰী-ছাত্ৰী সকলক উদ্দেশ্যে উলহ-মালহেৰে নৱাগত আদৰণি সভা উদ্‌যাপন কৰা হয়।

মোৰ কাৰ্য্যকালত বিভিন্ন দিশত সহায় তথা দিহা পৰামৰ্শৰ লগতে উৎসাহ যোগোৱা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা অধ্যক্ষ মহোদয় মাননীয় গিৰিধৰ শৰ্মাদেৱৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰম। তেখেতৰ উপৰিও শিক্ষাগুৰু মাননীয় তপন শৰ্মা, মুকুট ৰহমান, প্ৰমোখ্যে সমূহ ছাৰ-বাইদেউ। ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ সমূহ শুভাকাঙ্খী বন্ধু-বান্ধৱী। পাতিদৰং মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীকে মোৰ তৰফৰ পৰা হিয়াভৰা শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মোৰ কাৰ্য্যকালৰ লগতে প্ৰতিবেদনত যদি কিবা ভুল ত্ৰুটি হৈছে তাৰ বাবে সদৌটিৰ ওচৰত ক্ষমা বিচাৰি মোৰ প্ৰতিবেদনৰ ইতি ৰেখা টানিছোঁ।

।। জয়তু পাতিদৰং মহাবিদ্যালয় ।।

জয় আই অসম

শ্ৰদ্ধাৰে—

শ্ৰীডিম্বেশ্বৰ বৈশ্য

সাধাৰণ সম্পাদক

পাতিদৰং মহাবিদ্যালয়, ছাত্ৰ একতা সভা

ইং ২০১০-২০১১



# সমাজসেৱা সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল ব্যাক্তিলৈ সুঁৱৰিছো যিসকলে অসমীয়া জাতি, অসমীয়া সংস্কৃতিৰ হ'কে প্ৰাণ আহুতি দিয়া মহান বীৰ আৰু যিসকল মহান ব্যাক্তিৰ প্ৰচেষ্টাত পাতিদৰং মহাবিদ্যালয়ৰ জন্ম হ'ল সেইসকল ব্যাক্তিক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

এইখিনিতে যিসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকলে ২০১০-২০১১ বৰ্ষৰ ছাত্ৰ একতা সভাত মোক বিনা প্ৰতিদ্বন্দ্বিতাৰে সমাজসেৱা বিভাগৰ দায়িত্ব বহনৰ সুবিধা কণ দিলে তেওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞ। মোৰ কাৰ্য্যকালত মই কি কৰিব পাৰিছো সেয়া আপোনালোকৰ বিচাৰ্য্য। কিন্তু নানা অসুবিধাৰ ফলতো যিখিনি কৰিবলৈ সুবিধাকণ পাইছো তাক হেৰুওৱা নাই। কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছতে খেল সপ্তাহৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ চৌহদটো পৰিস্কাৰ কৰা, নৱাগত আদৰণি সভাত মহাবিদ্যালয়ৰ চৌহদটো পৰিস্কাৰ কৰাৰ উপৰিও বৃক্ষ ৰোপন কাৰ্য্যসূচী অংশ গ্ৰহণ কৰোঁ।

মোৰ কাৰ্য্যকালত বিভিন্ন দিহা পৰামৰ্শ দি সহায় কৰা অধ্যক্ষ মহোদয় তথা শ্ৰদ্ধেয় শিক্ষাগুৰু সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জনাইছোঁ। লগতে সকলো দিশতে সহায় কৰা বন্ধু-বান্ধৱীসকল– নয়নমণি বৰুৱা, কৃষামণি ডেকা, হাচনা বেগম আৰু নিতামণি ডেকা তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

শেষত মোৰ অজানিতে হৈ যোৱা ভুলৰ ক্ষমা বিচাৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

।। জয়তু পাতিদৰং মহাবিদ্যালয় ।।

।। জয় আই অসম ।।

শ্ৰদ্ধাৰে–
শ্ৰীপ্ৰণৱ ডেকা
সম্পাদক
সমাজসেৱা বিভাগ
পাতিদৰং মহাবিদ্যালয়
ছাত্ৰ একতা সভা
ইং ২০১০-২০১১



# সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মাতৃভূমিৰ পবিত্ৰতা ৰক্ষা কৰিবলৈ গৈ যি সকল জাতীয় বীৰ শ্বহিদে আত্ম বলিদান দিলে সেই সকললৈ গভীৰ শ্ৰদ্ধা নিবেদিছোঁ লগতে যি সকল মহান ব্যক্তিৰ চেষ্টা আৰু ত্যাগৰ বিনিময়ত পাতিদৰং মহাবিদ্যালয়খনে প্ৰতিষ্ঠা লাভ কৰিলে সেই মহান ব্যক্তিসকললৈ মোৰ আন্তৰিক ধন্যবাদ তথা শ্ৰদ্ধা নিবেদিছোঁ।

ইং ২০১০-২০১১ বৰ্ষৰ পাতিদৰং মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সাংস্কৃতিক সম্পাদক পদত মোক বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ সেৱা আগবঢ়োৱাৰ সুযোগকণ দিয়াৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীকে ধন্যবাদ নিদি নোৱাৰিম।

সংস্কৃতি এটা জাতিৰ জীৱন ধাৰা। মানুহৰ সৌন্দৰ্য্য বোধৰ সৃষ্টি প্ৰতিভা আৰু মানসিক উৎকৰ্ষই সংস্কৃতিৰ উৎস। ছাত্ৰ-ছাত্ৰীৰ সাংস্কৃতিক চেতনা জগাই তুলিবলৈ আৰু প্ৰতিভা বিকাশ ঘটাবলৈ মহাবিদ্যালয় সমূহে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে।

২০১০-২০১১ বৰ্ষৰ মহাবিদ্যালয় খেল প্ৰতিভা সপ্তাহত পোন প্ৰথমবাৰৰ বাবে পাতিদৰং মহাবিদ্যালয়ত সাংস্কৃতিক প্ৰতিযোগিতা আৰম্ভ কৰা হয়। যি সকল ছাত্ৰ-ছাত্ৰীয়ে সাংস্কৃতিক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি নিজৰ প্ৰতিভা প্ৰকাশ কৰিলে সেই সকল ছাত্ৰ-ছাত্ৰীক মই ধন্যবাদ জ্ঞাপন কৰিলোঁ লগতে এই সাংস্কৃতিক প্ৰতিযোগিতাৰ নিচিনা এটা সফল কাৰ্য্যসূচী পাতিদৰং মহাবিদ্যালয়ত পোন প্ৰথম বাৰৰ বাবে আৰম্ভ কৰাত মোক বিশেষভাৱে সহায় কৰে আমাৰ অধ্যক্ষ মহোদয়ে আৰু মোৰ বন্ধু মানৱ, ডিম্বেশ্বৰ আৰু তপন শৰ্মা ছাৰে। লগতে মোৰ শিক্ষাগুৰু মহঃ মুকুতৰ ৰহমান, ধীৰাজ তালুকদাৰ, দুলাল শৰ্মা, মহঃ ৰচিদ আলীছাৰক মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ। নৱাগত আদৰণি সভাৰ সাংস্কৃতিক অনুষ্ঠানত অসমৰ জনপ্ৰিয় শিল্পী দীপক শিৰমৰ গীতৰ সুৰে ছাত্ৰ-ছাত্ৰীৰ মন আকৰ্ষিত কৰাৰ লগতে আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী পল্লৱী নাথেও গীত পৰিবেশন কৰে।

অধ্যক্ষ মহোদয়লৈ মোৰ এটি দাবী, পাতিদৰং মহাবিদ্যালয়ে আৰু কেইটামান বছৰৰ পিছত ২৫ টা বছৰ অতিক্ৰম কৰিব, কিন্তু এটা দুখজনক বিষয় আজিলৈকে মহাবিদ্যালয়খনিত সংগীত সুজিৰ ব্যৱস্থা নহল। সেয়ে অধ্যক্ষ মহোদয়ে বিষয়টিৰ ওপৰত গুৰুত্ব দি সংগীত সজুলিখিনিৰ ব্যৱস্থা কৰি দি বিভিন্ন সাংস্কৃতিক অনুষ্ঠান চলাই নিয়াত সহায় কৰে যেন। এয়াই অধ্যক্ষ মহোদয়ৰ ওচৰত মোৰ তীব্ৰ দাবী। মোৰ কাৰ্য্যকালত বিভিন্ন দিশত সহায় তথা দিহা পৰামৰ্শ আগবঢ়োৱা মাননীয় অধ্যক্ষ মহোদয় আৰু শিক্ষাগুৰু সকলৰ লগতে বন্ধু-বান্ধৱী সকল ক্ৰমে– বেকিবুদ্দিন, দীপ্তি, প্ৰণৱ, জুৰি, চন্দনা, ৰৌচন, গুনিন, ৰেচমা, ধনশ্ৰী, নচিব আৰু ৰফিক এই সকললৈ মোৰ অভিনন্দন জ্ঞাপন কৰিলোঁ।

সদৌ শেষত পাতিদৰং মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষৰ বাবে আগতিয়াকৈ শুভেচ্ছা জ্ঞাপন কৰিলোঁ. লগতে মোৰ কাৰ্য্যকালত জ্ঞাত-অজ্ঞাত ভুলৰ ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয়তু পাতিদৰং মহাবিদ্যালয়"

শ্ৰদ্ধাৰে–
ৰিয়াজুদ্দিন আহমেদ (ৰিয়াজ)
সাংস্কৃতিক সম্পাদক
পাতিদৰং মহাবিদ্যালয়
ছাত্ৰ একতা সভা
ইং ২০১০-২০১১



## খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মই সেই সকললৈ মোৰ হৃদয় শোণিতেৰে ধোৱা পুষ্পাঞ্জলি অৰ্পিছো, যি সকলে গৰীয়সী আই অসমীৰ চিৰ উন্নতিৰ হকে নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি শ্বহীদৰ জয় মালাধাৰ পিন্ধিলে। সেইসকল ব্যক্তিলৈ মোৰ শ্ৰদ্ধা নিবেদিছো। যিসকলৰ আশাসুধীয়া চেষ্টা আৰু অক্লান্ত শ্ৰমৰ ফলশ্ৰুতিত জন্ম হ'ল এই শিক্ষা মন্দিৰ "পাতিদৰং মহাবিদ্যাল"ৰ। যোৱা ইং ২০১০-২০১১ বৰ্ষৰ পাতিদৰং মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত খেল বিভাগৰ সম্পাদকৰ পদত নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ শিক্ষা মন্দিৰত মহান কামত সেৱা আগবঢ়োৱাৰ সুযোগ দিলে তেওঁলোকলৈ মই প্ৰতিবেদনৰ জৰিয়তে মোৰ হিয়াভৰা মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লেখ বিভাগৰ সম্পাদক হিচাপে কিমান সফলতা লাভ কৰিছো কব নোৱাৰো তাৰ বিচাৰ্য্যৰ ভাৰ আপোনালোকৰ ওপৰত। এই সময়ছোৱাত মই সকলো কাম নিয়াৰিকৈ কৰিবলৈ অলপো চেষ্টাৰ ক্ৰটি কৰা নাই বুলি মই ভাবো। খেল বিভাগৰ সম্পাদক হিচাপে প্ৰতিদন্দ্বিতা কৰি নিৰ্বাচিত হোৱাত মোৰ মনত বহুত কিবা কিবি কৰিছিল, ভাবিছিলো, কিন্তু কৰিব নোৱাৰিলো। তাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰী তথা ছাৰ-বাইদেউসকলৰ ওচৰত ক্ষমা বিচাৰিছো। আশা কৰিছো আগলৈ যেন এনেকুৱা অভাৱ নহয় তাৰ বাবে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ ওচৰত অনুৰোধ কৰিছোঁ।

খেল হৈছে সিক্ষাৰ এটা প্ৰধান অংশ। খেলা-ধূলাৰ যোগেদি ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক উৎকৰ্ষ সাধনৰ লগতে মানসিক বিকাশ সাধন হয়। সেয়ে খেলা-ধূলাক কোনো দিনে হেয় জ্ঞান কৰিব নেলাগে। কিন্তু বৰ্তমান সময়ত আমাৰ ছাত্ৰ-ছাত্ৰীৰ মাজত খেলা-ধূলাৰ প্ৰতি অমনোগিতা পৰিলক্ষিত হয়। কাৰণ এখন শিক্ষানুষ্ঠান খেল-ধেমালী, মান মৰ্য্যদা আৰু পাৰদৰ্শিতা নিৰ্ভৰ কৰে ছাত্ৰ-ছাত্ৰীৰ অহোপুৰুষাৰ্থ তথা প্ৰচেষ্টাৰ ওপৰত। মোৰ কাৰ্য্যকালত সকলো দিশতে সহায় সহযোগ আগবঢ়োৱাৰ বাবে শিক্ষাগুৰু, ছত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ।

সদৌ শেষত মোৰ কাযচ্ছ্যকালত হোৱা অনিচ্ছাকৃত ভুলৰ বাবে সমূহ পাতিদৰং মহাবিদ্যালয়ৰ বন্ধু-বান্ধৱী, দাদা-বাইদেউ তথা ছাৰ-বাইদেউৰ ওচৰত ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

।। জয়তু পাতিদৰং মহাবিদ্যালয় ।।

শ্ৰদ্ধাৰে–
শ্ৰীপ্ৰনৱজ্যোতি ডেকা
সম্পাদক
খেল বিভাগ
পাতিদৰং মহাবিদ্যালয়
ছাত্ৰ একতা সভা
ইং ২০১০-২০১১



# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে অসমৰ বীৰ শ্বহীদ সকললৈ মোৰ শ্ৰদ্ধা নিবেদিছোঁ। দ্বিতীয়তে পাতিদৰং মহাবিদ্যালয়ৰ শুভাকাংক্ষী তথা শিক্ষাগুৰু, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

যিসকল ছাত্ৰ-ছাত্ৰী আৰু ছাৰসকলে মোক উক্ত বিভাগটোলৈ সেৱা আগবঢ়োৱাৰ সুবিধাকণ দিলে সেই সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

সম্পাদিকাৰ দায়িত্ব গ্ৰহণৰ পূৰ্বে ভাবিছিলো চাত্ৰীসকলৰ গুৰুত্বপূৰ্ণ অসুবিধাবোৰ দূৰ কৰি ছাত্ৰী জিৰণি কোঠাটো নিৰ্দিষ্টকৈ বনাম। কিন্তু কাৰ্যক্ষেত্ৰত উল্লেখনীয় একো কৰিব নোৱাৰিলো। মই কি কৰিলো কি নকৰিলো তাৰ বিচাৰৰ ভাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ হাতত এৰিলোঁ। আগন্তুক বৰ্ষৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকালৈ মোৰ অনুৰোধ যাতে তেওঁ ছাত্ৰী জিৰণি কোঠাৰ উন্নতি সাধন কৰে আৰু সৌন্দৰ্য্য বঢ়ায়।

সদৌ শেষত অনিচ্ছাকৃত ভুল ভ্ৰান্তিৰ বাবে আটাইৰে ওচৰত ত্ৰুটি মাৰ্জনা বিচাৰি পাতিদৰং মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যৎ কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

।। জয়তু পাতিদৰং মহাবিদ্যালয় ।।

শ্ৰদ্ধাৰে–<br>শ্ৰীমণি বড়ো<br>সম্পাদিকা<br>ছাত্ৰী জিৰণি কোঠা<br>পাতিদৰং মহাবিদ্যালয়<br>ছাত্ৰ একতা সভা<br>ইং ২০১০-২০১১



পাতিদৰং মহাবিদ্যালয়ৰ
শিক্ষক কৰ্মচাৰী বৃন্দ



নৱাগত আদৰনী সভাৰ ভাষণৰত অবস্থাত
নিৰ্দ্দিষ্ট বক্তা ড° বলেন দেৱ চৌধুৰী



ছাত্ৰ একতা সভা ২০১০ - ১১ ইং



স্মৃতি তৰ্পন অনুস্থানত
মাননীয় নগেন বৰাদেৱ



নৱাগত আদৰনি সভাৰ সাংস্কৃতিক অনুষ্ঠানত
শিল্পী দীপক শিৰম আৰু পল্লৱী নাথ

মহাবিদ্যালয় চৌহদৰ একাংশ





ভাষনৰত অৱস্থাত মাননীয়া মনামী বেজবৰুৱা

নৱাগত আদৰনি সভগত উপস্থিত
ছাত্ৰ - ছাত্ৰীৰ একাংশ

